● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

দেওবৰীয়া দৈনিক

# অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩


**দিগ্‌দৰ্শন**



এজন সফল ব্যক্তি হৈছে সেইজন, যিজনে আনে তেওঁলৈ দলিওৱা শিল-ইটাৰ টুকুৰাৰে এটি শক্তিশালী ভেঁটি গঢ়ি তুলিব পাৰে।

ডেভিড ব্ৰিংলি
*আমেৰিকান সাংবাদিক*



www.dainikagradoot.in
৫ শীতৰ জুহালৰ আনন্দৰ উত্তাপ
১৫ এক ইনিংছতে ১০টা উইকেট লাভ এজাজৰ
৪ জাতীয়তাবাদৰ সুখ-দুখ



RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৫৯তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ১৮ আঘোণ ১৪২৮ ভাস্কৰাব্দ ৫ ডিচেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 5 December 2021 মূল্য ঃ ৯.০০ টকা


■ আৰটিআইৰ তথ্যতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন এক কেলেংকাৰিৰ সূচনা ■ ছাত্ৰাবাসৰ বাবে প্ৰতি বছৰে চকী-টেবুল-বিছনা ক্ৰয় ■ পুৰণি সামগ্ৰী নিলামৰ কোনো তথ্য নাই কৰ্তৃপক্ষৰ

# কোন বহে ৫৭ হেজাৰটকীয়া চকীত




**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৪ ডিচেম্বৰ ঃ** ৰাজ্যৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসৰ একোজন শিক্ষাৰ্থীক ৫৭,৩৯৯ টকাৰ মূল্যৰ কাঠৰ চকী যোগান ধৰে কৰ্তৃপক্ষই। আচৰিত যেন লাগিলেও বিশ্ববিদ্যালয়ৰ পঞ্জীয়কৰ কাৰ্যালয়ে তথ্য জনাৰ অধিকাৰ আইনৰ অধীনত এই তথ্যই প্ৰকাশ কৰিছে। উল্লেখ্য যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰবাসসমূহৰ বাবে প্ৰতিবছৰে কৰ্তৃপক্ষই কাঠৰ চকী, টেবুল, বিছনা আৰু ষ্টীলৰ ৰেক ক্ৰয় কৰি ১০ পৃষ্ঠাত চাওক

## মিত্ৰতাৰেই পৌৰ নিৰ্বাচন খেলাৰ মন অগপ নেতৃত্বৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৪ ডিচেম্বৰ ঃ** অহা ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব লগা ৰাজ্যৰ পৌৰ নিৰ্বাচনত মিত্ৰতাৰেই অৱতীৰ্ণ হ'বলৈ ইচ্ছুক অগপ নেতৃত্ব। শেহতীয়াকৈ ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই ১০ পৃষ্ঠাত চাওক

## 'হোটেল অলংকাৰ'ৰ স্বত্বাধিকাৰীৰ আত্মহত্যা



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৪ ডিচেম্বৰ ঃ** মহানগৰীৰ এখন জনপ্ৰিয় হোটেল অলংকাৰৰ স্বত্বাধিকাৰী তথা প্ৰতিষ্ঠিত ১০ পৃষ্ঠাত চাওক

**অসম বৈভৱ-অসম সৌৰভ-অসম গৌৰৱ বঁটা ঘোষণা মুখ্যমন্ত্ৰীৰ**

## সহস্ৰজনৰ মুখত হাঁহি বিৰিঙোৱা ১৯গৰাকীলৈ ৰাজ্য চৰকাৰৰ বঁটা

হলং গছৰ পাতত জাপি খোদিত স্মাৰক প্ৰস্তুত




**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৪ ডিচেম্বৰ ঃ** প্ৰথমবাৰৰ বাবে অসম চৰকাৰে আগবঢ়াব অসামৰিক সন্মান। আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে ঘোষণা কৰি কয় যে এই সন্মানসমূহৰ ভিতৰত সৰ্বোচ্চ সন্মান হ'ব ১০ পৃষ্ঠাত চাওক

**অসম বৈভৱ**
ৰতন নৱল টাটা

**অসম গৌৰৱ**
প্ৰফেছৰ কমলেন্দু দেৱ ক্ৰ'ৰি/ডাঃ লক্ষ্মণন এছ/ প্ৰফেছৰ দীপক চান্দ জৈন/লাভলীনা বৰগোহাঁই/নীলপৱন বৰুৱা

**অসম গৌৰৱ**
মুনীন্দ্ৰ নাথ ঙাটে/ডাঃ বসন্ত হাজৰিকা/ আকাশজ্যোতি গগৈ/ মনোজ কুমাৰ বসুমতাৰী/খৰছিং টেৰাং/ৰবী হাজৰিকা/হেমপ্ৰভা চুতীয়া/নমিতা কলিতা/বৰ্ণিতা মমিন/ধৰণীধৰ বড়ো/কৌশিক বৰুৱা/কল্পনা বড়ো/ডাঃ আছিফ ইকবাল।

## আত্মজীৱনী প্ৰস্তুত ঃ প্ৰাক্তন মুখ্য ন্যায়াধীশ গগৈৰ দ্বিধাহীন আত্মপ্ৰকাশ



**ডিব্ৰুগড়ৰ পৰা উচ্চতম ন্যায়ালয়ৰ পীঠস্থানলৈ যাত্ৰাপথৰ অসামান্য ঘটনাৱলীৰ বিৱৰণ**


■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৪ ডিচেম্বৰ ঃ** সততে বাতৰিৰ শিৰোনামৰ অংশ হৈ অহা তথা ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত চৰ্চিত ব্যক্তি দেশৰ অৱসৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈ। বিভিন্ন সময়ত তেওঁ বিতৰ্কৰ মাজতো সোমাই পৰিছে। এইজন প্ৰাক্তন মুখ্য ন্যায়াধীশে লিখি ১০ পৃষ্ঠাত চাওক

**ধনৰ বিনিময়ত গাঁওবুঢ়া নিযুক্তি ■ গ্ৰেপ্তাৰ হ'বনে আতিকা ?**

■ জালত ছইবৰৰ সংগী বিক্ৰম আদিত্য-ইলিয়াছ নছিম আহমেদ

## আৰু দুজন এচিএছ বিষয়াক গ্ৰেপ্তাৰ, পাঁচদিনৰ জিম্মাত





**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৪ ডিচেম্বৰ ঃ** দক্ষিণ শালমাৰা-মানকাচৰ জিলাত ২০১৮ত সংঘটিত গাঁওবুঢ়া নিযুক্তি কেলেংকাৰিৰ গোচৰত নিলম্বিত এচিএছ বিষয়া তথা সম্প্ৰতি ন্যায়িক জিম্মাত থকা ছইবৰ ৰহমানৰ পাছত মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে পুনৰ দুজন এচিএছ বিষয়াক আজি গ্ৰেপ্তাৰ কৰে। ধৃত এচিএছ বিষয়াদ্বয় হৈছে ক্ৰমে সম্প্ৰতি বিটিচিৰ উপ-সচিবৰ দায়িত্বত থকা বিক্ৰম আদিত্য বৰা আৰু পৰিবহণ বিভাগৰ উপ-সচিব একে ইলিয়াছ নচিম আহমেদ। ইয়াৰে বিক্ৰম আদিত্য ২০১৮ত মানকাচৰৰ আৰু ইলিয়াছ দক্ষিণ শালমাৰাৰ ১০ পৃষ্ঠাত চাওক

**আৰক্ষীৰ আহ্বানলৈ সঁহাৰি ৰাইজৰ**


## অনিমেষ হত্যাৰ আৰু এজন অভিযুক্তক গ্ৰেপ্তাৰ যোৰহাটত



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ৪ ডিচেম্বৰ ঃ** ৰাজ্য কঁপোৱা যোৰহাটৰ অনিমেষ ভূঞাৰ হত্যাকাণ্ডৰ আৰু এজন অভিযুক্তক আজি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ধৃত অভিযুক্তজনৰ নাম প্ৰিয়াংশু দাস ওৰফে টিলৌ (১৮)। যোৰহাট ১০ পৃষ্ঠাত চাওক

■ শক্তিমন্ত্ৰীৰ ঘোষণাত ক্ষোভৰ সৃষ্টি

## নদীবান্ধৰ প্ৰতিবাদত পুনৰ জুমুঠি দাহ তিনিটাকৈ সংগঠনৰ



**বিশেষ সংবাদদাতা**
**লখিমপুৰ, ৪ ডিচেম্বৰ ঃ** বিগত ২০১১ৰ দৰে বৃহৎ নদীবান্ধক কেন্দ্ৰ কৰি পুনৰ উত্তপ্ত হৈ পৰাৰ দিশে গতি কৰিছে লখিমপুৰ ১০ পৃষ্ঠাত চাওক




দেওবৰীয়া দৈনিক
# অগ্ৰদূত
গুৱাহাটী, ৫ ডিচেম্বৰ, ২০২১ দেওবাৰ পৃষ্ঠা তিনি

## আইনৰ ৰক্ষকেই ভক্ষক হোৱাত এক মহিলাৰ হাহাকাৰ

**পত্নীক বলিয়া সজোৱাৰ লগতে হত্যাৰো অপচেষ্টা কোকৰাঝাৰৰ অধিবক্তাৰ**

অগ্ৰদূত বাৰ্তা
**কোকৰাঝাৰ, ৪ ডিচেম্বৰ ঃ** আইনৰ ৰক্ষকেই ভক্ষকৰ ৰূপ ধাৰণ কৰাত সম্প্ৰতি হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে কোকৰাঝাৰৰ এগৰাকী মহিলাৰ। এটি কণমানি পুত্ৰ আৰু অসহায় শহুৰেকক লৈ সম্প্ৰতি অসহায় হৈ পৰা মহিলাগৰাকীয়ে আজি সংবাদ মাধ্যমৰ আগত উত্থাপন কৰিলে অধিবক্তা স্বামীৰ বিৰুদ্ধে *আঠ পৃষ্ঠাত চাওক*

■ দিনে-ৰাতিয়ে অবৈধভাৱে খননত ব্যস্ত ব্যৱসায়ী■ শিৱসাগৰ জিলা সাহিত্য সভাৰ স্মাৰকপত্ৰ

# জেৰেঙা পথাৰৰ সাহিত্য কাননত ভূমি খনন



*পলাশবাৰীৰ এক নম্বৰ জীয়াকুৰত কৃষিভূমি ধ্বংস কৰি ইটাৰ ভাটা স্থাপন, শনিবাৰে।*

বিশেষ সংবাদদাতা
**শিৱসাগৰ, ৪ ডিচেম্বৰ ঃ** অসম চৰকাৰে শিৱসাগৰ জিলা সাহিত্য সভালৈ ঐতিহাসিক জেৰেঙা পথাৰত আবণ্টন দিয়া ভূমি একাংশ মাটি ব্যৱসায়ীয়ে অবৈধভাৱে খনন কৰি তহিলং কৰা কাৰ্যত জিলাখনৰ সচেতন মহলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। স্মৰ্তব্য যে অসম সাহিত্য সভাক ৰাজ্য চৰকাৰে 2017ত অনুষ্ঠিত হোৱা শতবৰ্ষীয় অসম সাহিত্য সভাৰ অধিবেশনত ঐতিহাসিক জেৰেঙা পথাৰত 50 বিঘা মাটি আবণ্টন দিছিল। উক্ত মাটিতে অসম সাহিত্য সভাই ভাষা-সাহিত্যৰ প্ৰাণ প্ৰতিষ্ঠা কৰি থৈ যোৱা বৰেণ্য ভাষাবিদ আৰু সাহিত্যিকসকলৰ পূৰ্ণাংগ প্ৰতিমূৰ্তি আৰু তেওঁলোকৰ সৃষ্টিৰাজি, ইতিহাস সম্বলিত তথা এখন সাহিত্য কানন ক্ষেত্ৰ প্ৰতিষ্ঠা কৰাৰ প্ৰাক্‌কলন প্ৰস্তুত কৰিছিল। এতিয়া সেই মাটিতে *আঠ পৃষ্ঠাত চাওক*

## সোঁতৰ বিপৰীতে



■ দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন

## ৰৌতাৰ অংগনৱাড়ী কৰ্মী কল্পনা বড়োলৈ অসম গৌৰৱ বঁটা



বিশেষ সংবাদদাতা
**ওদালগুৰি, ৪ ডিচেম্বৰ ঃ** দুৰাৰোগ্য ৰোগত ৰাজ্যৰ বাহিৰত চিকিৎসাধীন হৈ থকা অৱস্থাতে ওদালগুৰি জিলাৰ ৰৌতা আৰক্ষী থানাৰ অন্তৰ্গত ভালুকমাৰীৰ বালিসিহা গাঁৱৰ কল্পনা বড়োলৈ আহিল সুখবৰ। বড়োলৈ ৰাজ্য চৰকাৰে ঘোষণা কৰিছে অসম গৌৰৱ বঁটা। উল্লেখ্য যে কল্পনা বড়ো এগৰাকী অংগনৱাড়ী কৰ্মী। কল্পনালৈ সম্প্ৰদায়ৰ স'তে দক্ষতাৰে সম্পৰ্ক গঢ়ি তোলা, পৰিপুষ্টি খাদ্য প্ৰদানত উৎকৃষ্ট প্ৰদৰ্শন, নিয়মীয়া বিকাশ নিৰীক্ষণ আৰু চিনাক্ত কৰা এছ-এ-এম শিশু নিয়মীয়া টিকাকৰণত দেখুওৱা পাৰদৰ্শিতাৰ বাবে চৰকাৰে এই বঁটা ঘোষণা কৰে। শিশুসকলৰ সৰ্বাধিক বিকাশৰ বাবে প্ৰাক-বিদ্যালয় শিক্ষা কাৰ্যকৰীভাৱে পৰিচালনা কৰা আৰু পোষণ ট্ৰেকাৰ এপত তেওঁ ডাটা আপলোড কৰাত অতি উৎকৃষ্ট পাৰদৰ্শিতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছিল। উল্লেখ্য যে ২০০৯ৰ ২৩ ডিচেম্বৰত তেওঁ অংগনাৱাড়ী কৰ্মী হিচাপে ৰৌতা সংহত শিশু বিকাশ সেৱা আঁচনিত যোগদান কৰিছিল। বৰ্তমান দুৰাৰোগ্য ৰোগৰ চিকিৎসাৰ বাবে ৰাজ্যৰ বাহিৰত চিকিৎসাধীন হৈ আছে।

বঙাইগাঁৱত সাহিত্য কামতাৰত্ন অম্বিকাচৰণ চৌধুৰীৰ স্মৃতি দিৱস উদ্‌যাপন

## অম্বিকাচৰণ চৌধুৰী এগৰাকী প্ৰগতিশীল সাহিত্যিক আছিল



অগ্ৰদূত ব্যুৰ
**বঙাইগাঁও, ৪ ডিচেম্বৰ ঃ** 'অম্বিকাচৰণ চৌধুৰী এগৰাকী প্ৰগতিশীল সাহিত্যিক আছিল। তেওঁ যে এগৰাকী প্ৰগতিশীল সাহিত্যকৰ্মী, ৰচয়িতা, সৃষ্টিকৰ্তা, স্ৰষ্টা আছিল তাৰ প্ৰমাণ তেওঁৰ ভিন্নসুৰী দৰ্শনবিলাকত আমি পাওঁ।' এই মন্তব্য অভয়াপুৰী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° ধীৰেন শৰ্মাৰ। আজি বঙাইগাঁৱৰ বৰপাৰাস্থিত ৰত্নপীঠ ক্ষেত্ৰত কোচ ৰাজবংশী জাতীয় সাংস্কৃতিক প্ৰকল্পৰ উদ্যোগত আৰু বঙাইগাঁও জিলা সাহিত্য সভাৰ সহযোগত তথা ৰত্নপীঠ প্ৰকাশনৰ পৃষ্ঠপোষকতাত উদ্‌যাপন কৰা কামতা সাহিত্যৰত্ন অম্বিকাচৰণ চৌধুৰীৰ দশম বাৰ্ষিক স্মৃতি দিৱসৰ স্মৃতিচাৰণ সভাত ড° শৰ্মাই এই মন্তব্য কৰে। বঙাইগাঁও জিলা সাহিত্য সভাৰ সভাপতি ৰমলা ৰায় সৰকাৰৰ সভাপতিত্বত তথা কোচ ৰাজবংশী জাতীয় সাংস্কৃতিক প্ৰকল্পৰ সভাপতি সত্যনাৰায়ণ ৰায় সহযোগীৰূপে থকা স্মৃতিচাৰণ সভাত অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° শৰ্মাই কয় যে অম্বিকাচৰণ চৌধুৰীয়ে কেৱল সাহিত্য কৰা নাই। তেওঁ ইতিহাসো ৰচনা কৰিছে। সেই ইতিহাস কেৱল কোচ ৰাজবংশীসকলৰ নহয়। তেওঁলোক সংস্কৃতিৰ কাম *আঠ পৃষ্ঠাত চাওক*

কলিতাসকলে বড়ো, ৰাভা, কাৰ্বি আদিৰ মাটিতহে বাস কৰিছে

## মুখ্যমন্ত্ৰীৰ মন্তব্যৰ তীব্ৰ বিৰোধিতা কলিতা জনগোষ্ঠীৰ

অগ্ৰদূত বাৰ্তা
**ঘগ্ৰাপাৰ, ৪ ডিচেম্বৰ ঃ** একাংশ বৈদ্যুতিন মাধ্যমৰ যোগেদি অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেইটামান উপাধি উল্লেখেৰে কলিতাসকলে বড়ো, ৰাভা, কাৰ্বি আদিৰ মাটিতহে বাস কৰিছে বুলি কৰা মন্তব্যৰ সদৌ অসম কলিতা জনগোষ্ঠী *আঠ পৃষ্ঠাত চাওক*

■ নিৰ্ধাৰিত জোখতকৈ কমকৈ তেল

## তেজপুৰত যোগান বিভাগে ছীল কৰিলে তেল ডিপ'

অগ্ৰদূত বাৰ্তা
**তেজপুৰ, ৪ ডিচেম্বৰ:** তেজপুৰত যোগান বিভাগে ছীল কৰিলে চহৰৰ মাজমজিয়াত থকা এটা তেল ডিপ'। গ্ৰাহকক কম পৰিমাণৰ তেল দিয়াৰ দীৰ্ঘদিনীয়া অভিযোগৰ ভিত্তিত চৰকাৰী তেল যোগান ধৰা তেল ডিপ'টোৰ বিৰুদ্ধে যোগান বিভাগে অভিযান চলাই কালি সন্ধিয়া ছীল কৰে। শোণিতপুৰ জিলাৰ যোগান বিভাগৰ উপ-সঞ্চালক ভাৰত চন্দ্ৰ বৰদলৈয়ে জানিবলৈ দিয়া মতে, তেজপুৰৰ মাজমজিয়াত থকা হিস্মৎসিংকা তেল ডিপ'ৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ ভিত্তিত চলোৱা তদন্ত অনুসৰিয়ে ডিপ'টো ছীল কৰা হয়। বিষয়াজনে লগতে জানিবলৈ দিয়ে যে এই তেল ডিপ'টোৰ অন্যান্য নথি-পত্ৰৰ বিসংগতিও অভিযান কালত ধৰা পৰে। সম্প্ৰতি এই সন্দৰ্ভত বিভাগীয় তদন্ত অব্যাহত ৰখা বুলিও উপ-সঞ্চালক জনে প্ৰকাশ কৰে।

বিলাসী বাহন জব্দ

## অভয়াপুৰীৰ দেওহাটীত সাতটা চুৰি ছাগলী উদ্ধাৰ

অগ্ৰদূত বাৰ্তা
**অভয়াপুৰী, ৪ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমৰা মহকুমাৰ বিভিন্ন প্ৰান্তত সঘনাই ছাগলী চুৰি সংঘটিত হৈ অহাৰ সময়তে আজি বিলাসী বাহন এখনৰ পৰা অভয়াপুৰীৰ দেওহাটীত উদ্ধাৰ হয় সাতটা চুৰি ছাগলী। এ এছ-০১ এ ডব্লিউ-৩৯৯৭ নম্বৰৰ চাৰিচকীয়া বাহনত ৰাষ্ট্ৰীয় *আঠ পৃষ্ঠাত চাওক*

মৃত্যুৰ ভাবুকিক আওকাণ কৰি পালন কৰিছিল নিজৰ দায়িত্ব

## শোণিতপুৰৰ আশাকৰ্মী বাৰ্মিতা মমিনলৈ অসম গৌৰৱ বঁটা



অগ্ৰদূত বাৰ্তা
**তেজপুৰ, ৪ ডিচেম্বৰ:** বিভিন্ন প্ৰতিকূল পৰিস্থিতিৰ সন্মুখীন হোৱাৰ পিছতো এহেজাৰ ১৭৯গৰাকী লোকক ক'ভিড প্ৰতিষেধক প্ৰদান কৰা শোণিতপুৰৰ চাৰিদুৱাৰ অঞ্চলৰ আশাকৰ্মী বাৰ্মিতা মমিনে অসম গৌৰৱ বঁটা লাভ কৰাত সহকৰ্মী তথা স্থানীয় লোকে আনন্দ প্ৰকাশ কৰিছে। আশাকৰ্মীগৰাকী জিলাখনৰ অসম- অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী চাৰিদুৱাৰৰ এক নম্বৰ ফুলগুৰি গাঁৱৰ বাসিন্দা। আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত সংবাদমেলযোগে এই বঁটাৰ বিষয়ে ঘোষণা কৰাৰ পাছতে আশাকৰ্মীগৰাকীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ক'ভিডকালীন পৰিস্থিতিত প্ৰতিষেধক প্ৰদান কৰাৰ সময়ত সন্মুখীন হোৱা বিভিন্ন জটিলতা আৰু অভিজ্ঞতাৰ বিষয়ে স্মৰণ কৰে। উল্লেখ্য যে অতিশয় ভিতৰুৱা আৰু পিছপৰা অঞ্চলটোত চৰকাৰী প্ৰতিষেধক প্ৰদানৰ কাম কৰি থকাৰ সময়তে মমিনক একাংশই এঘৰীয়া *আঠ পৃষ্ঠাত চাওক*

সাতজন আক্ৰান্ত

## ডিব্ৰুগড়ৰ শিক্ষা ভেলী স্কুল কন্টেইনমেন্ট জ'ন ঘোষণা

বিশেষ সংবাদদাতা
**ডিব্ৰুগড়, ৪ ডিচেম্বৰ ঃ** তৃতীয় পৰ্যায়ত ক'ভিডে আতংকৰ সৃষ্টি কৰাৰ পূৰ্বে ডিব্ৰুগড়ৰ এখন স্কুলক কন্টেইন্টমেন্ট জ'ন ঘোষণা কৰাত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। দ্বিতীয় পৰ্যায়ৰ ক'ভিডৰ আতংক মাৰ যোৱাৰ সময়তে ডিব্ৰুগড়ত বৃদ্ধি পাইছে ক'ভিড আক্ৰান্তৰ সংখ্যা দৈনিক বৃদ্ধি হোৱাৰ লগতে আজি এখন শিক্ষানুষ্ঠানৰ সাতজনকৈ ছাত্ৰ-ছাত্ৰী ক'ভিডত আক্ৰান্ত হোৱা ঘটনাই সৃষ্টি কৰিছে আতংক। ডিব্ৰুগড়ৰ খনিকৰস্থিত শিক্ষা ভেলী নামৰ শিক্ষানুষ্ঠানখনৰ সাত ছাত্ৰ-ছাত্ৰীৰ শৰীৰত সংক্ৰমণ ধৰা পৰে। ইয়াৰ পাছতে ডিব্ৰুগড়ৰ স্বাস্থ্য বিভাগে শিক্ষা ভেলী বিদ্যালয়খন আগন্তুক সাতদিনৰ বাবে কন্টেইনমেন্ট জ'ন ঘোষণা কৰে। সম্প্ৰতি ক'ভিডত আক্ৰান্ত হোৱা ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়ৰ হোষ্টেলতে আছুতীয়াকৈ ৰখাৰ ব্যৱস্থা কৰিছে।

**গোহাৰি**

ইয়াৰ দ্বাৰা সমূহ যোৰহাটবাসী ৰাইজক জনোৱা হ'ল যে যোৱা ইং ২৯-১১-২০২১ তাৰিখে যোৰহাট চহৰৰ মাজ মজিয়াত এদল দুষ্কৃতিকাৰীৰ নিৰ্বিচাৰ আক্ৰমণত অনিমেষ ভূঞাৰ মৃত্যু আৰু তেওঁৰ বন্ধুসকল আঘাতপ্ৰাপ্ত হোৱা ঘটনাটোৰ অতি শীঘ্ৰে ন্যায় প্ৰক্ৰিয়া সম্পন্ন কৰি দুষ্কৃতিকাৰীক শাস্তি প্ৰদান কৰিবৰ বাবে আপোনালোকৰ সহায় অতিকৈ প্ৰয়োজন। সেয়ে কোনো সদাশয় ব্যক্তিৰ লগত যদি উক্ত ঘটনাৰ সিকোনোধৰণৰ ফটো অথবা ভিডিঅ' আছে সেইসমূহ আৰক্ষী প্ৰশাসনৰ নিম্ন উল্লেখিত Whatsapp/E-mail ত প্ৰেৰণ কৰিবলৈ সদাশয় ব্যক্তিসকলৰ প্ৰতি অনুৰোধ জনোৱা হ'ল।

Whatsapp- 94357-13910
E-mail- spofficejht2021@gmail.com

বিঃ দ্ৰঃ- ফটো অথবা ভিডিঅ' প্ৰেৰণ কৰাসকলৰ পৰিচয় গোপনীয়ভাৱে ৰখা হ'ব।

আৰক্ষী অধীক্ষক
যোৰহাট

জনসংযোগ/ডি/১০৬৪৯/২১

## পাণবাৰীত মানাহৰ পৰা ওলাই অহা ভালুকৰ উপদ্ৰৱ

বন বিভাগে কৰিলে ট্ৰেংকুলাইজড



অগ্ৰদূত বাৰ্তা
**কাজলগাঁও, ৪ ডিচেম্বৰ ঃ** চিৰাং জিলাৰ পাণবাৰী বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত আবদাগুৰিত আজি মানহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা এটা প্ৰকাণ্ড ভালুক বন বিভাগে ট্ৰেংকুলাইজড কৰে। ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰা ওলাই অহা প্ৰকাণ্ড ভালুকটোৱে অঞ্চলটোত প্ৰৱেশ কৰি বিগত তিনি-চাৰিদিন ধৰি আতংকৰ সৃষ্টি কৰি আহিছিল। বন বিভাগে কে'বাবাৰো ভালুকটোক ট্ৰেংকুলাইজড কৰাৰ চেষ্টা কৰিছিল যদিও ব্যৰ্থ হয়। আজি বিয়লি আবদাগুৰিত *আঠ পৃষ্ঠাত চাওক*

## বাগ্‌সা পলিটেকনিকৰ সমস্যা সমাধানৰ দাবীত শিক্ষাৰ্থীৰ প্ৰতিবাদ



অগ্ৰদূত বাৰ্তা
**মুছলপুৰ, ৪ ডিচেম্বৰ ঃ** বাগ্‌সা জিলাৰ মুছলপুৰস্থ (পলিটেকনিক) অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত প্ৰতিষ্ঠানখনৰ সন্মুখত আজি এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ছাত্ৰ-ছাত্ৰীসকলে ল'ৰা-ছোৱালী উভয়ৰে বাবে হোষ্টেলৰ ব্যৱস্থা কৰা, বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা, মাচুলৰ পৰিমাণ হ্ৰাস, পুথিভঁৰালত পৰ্যাপ্ত পৰিমাণৰ গ্ৰন্থৰ ব্যৱস্থা কৰাকে ধৰি বিভিন্ন সমস্যা সমাধানৰ দাবীত এই প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে হোষ্টেলৰ অভাৱত বহু ছাত্ৰ-ছাত্ৰীয়ে অধিক ধন ভৰি ব্যক্তিগত হোষ্টেলত থাকিব লগা হৈছে। ২০১৭তে স্থাপিত প্ৰতিষ্ঠানখনৰ আজি পৰ্যন্ত সম্পূৰ্ণ নিৰ্মাণ হৈ নুঠিল কোঠা চৌহদৰ দেৱাল। আনহাতে, প্ৰতিষ্ঠানখনৰ অধ্যক্ষগৰাকীৰ অনিয়মীয়া উপস্থিতিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ যথেষ্ট অসুবিধাৰ হোৱা বুলি আজিৰ প্ৰতিবাদী ছাত্ৰ-ছাত্ৰীসকলে মন্তব্য কৰে। সম্প্ৰতি প্ৰতিষ্ঠানখনৰ অৰ্ধনিৰ্মিত হোষ্টেল গৃহসমূহ হাবি জংঘলে আগুৰি ধৰাত ভূত *আঠ পৃষ্ঠাত চাওক*

পঞ্জাব নেশ্বনল বেংক ...भरोसे का प्रतीक ! punjab national bank ...the name you can BANK upon !
চক্ৰ শস্ত্ৰ কামৰূপ, আৰটিটিচিচি ভৱন, ধাৰাপুৰ, গুৱাহাটী-৭৮১০১৪, টেলিফোন নম্বৰ ঃ ০৩৬১-২৮৪৫০৩৮, ইমেইল আইডি : cs8257@pnb.co.in

**বিক্ৰী জাননী**
স্থাৱৰ সম্পত্তি বিক্ৰীৰ বাবে

বিত্তীয় ৰাশিৰ প্ৰতিভূতিকৰণ আৰু বিত্তীয় সম্পদৰ পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ কাৰ্যকৰীকৰণ আইন, ২০০২ অধীনত লগতে প্ৰতিভূতি স্বাৰ্থৰ (কাৰ্যকৰীকৰণ) নিয়ম, ২০০২ৰ নিয়ম ৮(৬)ৰ ব্যৱস্থাৱলী পঢ়ি তাৰ অধীনত স্থাৱৰ সম্পত্তি বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী।

ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজ বিশেষকৈ ঋণী(সকল) আৰু জামিনদাৰ(সকল)ৰ জ্ঞাতাৰ্থে জনোৱা হয় যে সুৰক্ষিত ক্ৰেডিটৰক বন্ধক/অধিকাৰত ৰখা নিম্নলিখিত স্থাৱৰ সম্পত্তিসমূহ যাৰ প্ৰতীকি/কায়িক দখলীস্বত্ব 'সুৰক্ষিত ক্ৰেডিটৰ/বেংকৰ কৰ্তৃত্বশীল বিষয়াৰ দ্বাৰা গ্ৰহণ কৰা হৈছে, সেই সম্পত্তিসমূহ তলত উল্লেখ কৰা ঋণী(সকল)ৰ পৰা 'সুৰক্ষিত ক্ৰেডিটৰ/বেংকে পাবলগীয়া ধনৰাশি আদায় কৰাৰ বাবে নিম্নলিখিত তালিকাত উল্লেখ কৰা তাৰিখত **'য'ত যেনেকৈ আছে', 'যেনে আছে তেনে'** আৰু **'যেনেকৈয়ে আছে'** ভিত্তিত বিক্ৰী কৰা হ'ব। সংৰক্ষিত মূল্য আৰু আমানত ধন জমা আদিৰ সবিশেষ বিৱৰণ সংশ্লিষ্ট স্থাৱৰ সম্পত্তিৰ বিপৰীতে তলত উল্লেখ কৰা হৈছে।

**সুৰক্ষিত সম্পত্তিৰ সময়সূচী**

| লট নং. | শাখাৰ নাম / একাউণ্টৰ নাম / নাম আৰু ঋণীৰ ঠিকনাসমূহ/জামিনদাৰৰ একাউণ্ট | বন্ধকী/মালিকৰ নাম (সম্পত্তিবন্ধক(বোৰ) স্থাৱৰ সম্পত্তিৰ বিৱৰণ) | ক) চাৰফেচি এক্ট ২০০২ৰ ধাৰা ১৩(২) ৰ অধিনত দাবী পত্ৰৰ তাৰিখ খ) বকেয়া ধনৰ পৰিমাণ গ) চাৰফেচি এক্ট ২০০২ৰ ধাৰা ১৩(২)ৰ অধিনত দখলৰ তাৰিখ ঘ) দখলৰ প্ৰকৃতি প্ৰতীকি/কায়িক/গঠনমূলক | ক) সংৰক্ষিত মূল্য (লাখত টকা) (খ) ইএমডি জমা কৰাৰ অন্তিম তাৰিখ) (গ) নিবিদা বৃদ্ধিৰ পৰিমাণ | তাৰিখ/সময় ই-নিলামৰ | সুৰক্ষিত পাওনাদাৰৰ জ্ঞাত ঋণৰ বিৱৰণ |
|---|---|---|---|---|---|---|
| 1. | বঙাইগাঁও(ইইউবিআই)<br>**ঋণী ঃ**<br>মেচাৰ্ছ গয়াৰী অয়ল চাৰ্ভিচেছ, স্বত্বাধিকাৰী - শ্ৰীমতী ইৰাবতি গয়াৰী, স্বামী - ৰবীন গয়াৰী, গাঁও - গোৱাজবনপুৰ, ডাক - চাপাগুৰি, জিলা - চিৰাং,অসম- ৭৮৩৩৮০<br>**স্বত্বাধিকাৰী ঃ**<br>শ্ৰীমতী ইৰাবতি গয়াৰী, স্বামী - ৰবীন গয়াৰী, গাঁও-গোৱাজবনপুৰ, ডাক-চাপাগুৰি, জিলা-চিৰাং, অসম- ৭৮৩৩৮০<br>**জামিনদাৰ**<br>১) শ্ৰী ৰুইচুমি গয়াৰী, পিতা - শ্ৰী ৰবীন গয়াৰী, গাঁও - গোৱাজবনপুৰ, ডাক-চাপাগুৰি, জিলা-চিৰাং, অসম - ৭৮৩৩৮০<br>২) শ্ৰী ৰবীন গয়াৰী, পিতা - ৰঞ্জিত গয়াৰী, গাঁও - গোৱাজবনপুৰ, ডাক-চাপাগুৰি, জিলা -চিৰাং, অসম- ৭৮৩৩৮০ | **সম্পত্তি ১ঃ-**<br>ৰাজহ গাঁও - কুকুমাৰি, ঢালিগাঁও, এনএইচ-৩১(চি), জিলা- চিৰাং (বিটিএডি)ত অৱস্থিত শ্ৰীমতী ইৰাবতি গয়াৰী, স্বামী- শ্ৰী ৰবীন গয়াৰীৰ নামত থকা দলিল নং - ১৬০ তাৰিখ-০৬.০৯.২০১২ই সামৰি লোৱা দাগ নং ১২৪, পট্টা নং - ২ৰ ১ বিঘা ০ কঠা ০ লেচা জোখৰ ভূমিৰ সকলো অংশ আৰু টুকুৰা। যাৰ চাৰিসীমা ঃ **উত্তৰে** - ৰুইচমি গয়াৰীৰ ভূমি, **দক্ষিণে** - বলোৰাম চৌধুৰীৰ ভূমি, **পূবে** - ঘুটুৰামৰ ভূমি, **পশ্চিমে** ঃ গণপথ ৰায় সুৰেখা।<br>**আৰু**<br>**সম্পত্তি ২ঃ-**<br>ৰাজহ গাঁও - কুকুমাৰি, ঢালিগাঁও, এনএইচ-৩১(চি), জিলা- চিৰাং (বিটিএডি)ত অৱস্থিত শ্ৰী ৰুইচুমি গয়াৰী, পিতা - শ্ৰী ৰবীন গয়াৰীৰ নামত থকা দলিল নং - ১৫৯/১৯৫ তাৰিখ-০৬.০৯.২০১২ই সামৰি লোৱা দাগ নং ১২৪, পট্টা নং - ২ৰ ০ বিঘা ৩ কঠা ৪ লেচা জোখৰ ভূমিৰ সকলো অংশ আৰু টুকুৰা। যাৰ চাৰিসীমা ঃ **উত্তৰে** -এল.আৰ. পথ, **দক্ষিণে** - শ্ৰীমতী ইৰাবতি গয়াৰীৰ ভূমি, **পূবে** - ঘুটু ৰামৰ ভূমি, **পশ্চিমে** ঃ গণপথ ৰায় সুৰেখা। | ক) ০৬-০২-২০১৯<br>খ) ৩১-১০-২০১৮ তাৰিখলৈকে ১,০৩,৪৭,৯৬১.১৭ টকা + ভৱিষ্যতৰ সুদ আৰু অন্যান্য ব্যয়<br>গ) ০৬-০৫-২০১৯<br>ঘ) সংকেতিক দখল | **সম্পত্তি ১ঃ**<br>ক) ১৫০ লাখ টকা<br>খ) ১৫ লাখ টকা (২৩.১২.২০২১ তাৰিখৰ আবেলি ৪.০০ বজালৈ<br>গ) ১.৫০ লাখ টকা<br>**সম্পত্তি ২ঃ**<br>ক) ১১৮.৩৪ লাখ টকা<br>খ)১১.৮৩ লাখ টক (২৩.১২.২০২১ তাৰিখৰ আবেলি ৪.০০ বজালৈ<br>গ) ১.১৮ লাখ টকা | তাৰিখ ঃ ২৪-১২-২০২১<br>সময় ঃ দুপৰীয়া ১.০০ বজাৰ পৰা আবেলি ৪.০০ বজালৈ | জ্ঞাত নহয় |

**চৰ্তাৱলী আৰু নিয়মাৱলী ঃ**
বিক্ৰী দ্য চিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট)ৰুলচ ২০০২ত নিৰ্ধাৰিত চৰ্তাৱলী আৰু নিয়মাৱলী আৰু নিম্নলিখিত পৰৱৰ্তী চৰ্তাৱলী সাপেক্ষে হ'ব ঃ
১. সম্পত্তিবোৰ "য'ত যেনে আছে ভিত্তিত' আৰু 'য'ত যি আছে' আৰু 'যিয়েই আছেভিত্তিত' বিক্ৰী কৰা হৈ আছে। ২. ইয়াৰ ওপৰৰ তালিকাত নিৰ্ধাৰিত সুৰক্ষিত সম্পত্তিৰ বিৱৰণ কৰ্তৃত্বশীল বিষয়াৰ সৰ্বশ্ৰেষ্ঠ তথ্যৰ বিষয়ে উল্লেখ কৰা হৈছে, কিন্তু এই ঘোষণাত কোনো ত্ৰুটি, ভুল বিবৃতি বা বাদ পৰাৰ বাবে কৰ্তৃত্বপ্ৰাপ্ত বিষয়া জবাবদেহী নহ'ব। ৩. সম্পত্তি ২১.১২.২০২১ আৰু ২২.১২.২০২১ তাৰিখে পুৱা ১১.০০ বজাৰ পৰা আবেলি ৪.০০ বজালৈ পৰীক্ষণ কৰিব পাৰি। ৪. বিক্ৰী ৱেবছাইট https://www.mstcecommerce.com ত ২৪-১২-২০২১ৰ দুপৰীয়া ১.০০ বজাৰ পৰা আবেলি ৪.০০ বজালৈ ই-নিলাম প্লেটফৰ্মৰ জৰিয়তে নিম্নস্বাক্ষৰিত সকলে কৰিব। ৫. বিক্ৰীৰ বিতং চৰ্তাৱলীৰ বাবে, অনুগ্ৰহ কৰি www.ibapi.in www.mstcecommerce.com https://eprocure.gov.in/epublish/app আৰু www.pnbindia.in চাওক। ৬. কৰ্তৃত্বপ্ৰাপ্ত বিষয়াৰ যোগাযোগৰ বিৱৰণ: শ্ৰী কলাচান্দ ধালি, মুখ্য প্ৰবন্ধক, চিএছচি কামৰূপ, মোবাইল নং ৯১৬৩২১১৫৪৬

তাৰিখ ঃ ০৪/১২/২০২১, স্থান ঃ গুৱাহাটী
কৰ্তৃত্বপ্ৰাপ্ত বিষয়া, পঞ্জাব নেচনেল বেংক

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ১৮ আঘোণ ১৪২৮ ভাস্কৰাব্দ ৫ ডিচেম্বৰ ২০২১



# জনসংখ্যা হ্ৰাস



সদ্য প্ৰকাশিত ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপ (এন এফ এইছ এছ)ৰ প্ৰতিবেদনত প্ৰকাশ পাইছে যে দেশৰ জনসংখ্যা এতিয়া হ্ৰাস পাবলৈ ধৰিছে। অৰ্থাৎ ভাৰতৰ যি পৰিয়াল পৰিকল্পনা আঁচনি নাইবা জন্ম নিয়ন্ত্ৰণ আঁচনি ৰূপায়ণৰ কাম চলি আছে, সেই আঁচনি সফল হোৱাৰ খবৰ চৰকাৰে প্ৰথমবাৰলৈ ৰাজহুৱা কৰিছে। পৰিয়াল স্বাস্থ্য জৰীপৰ প্ৰতিবেদন অনুসৰি ভাৰতৰ জনসংখ্যা যিদৰে হ্ৰাস পাবলৈ ধৰিছে সেইদৰে ভৱিষ্যতে দেশৰ জনসংখ্যা বৃদ্ধিৰ কোনো সম্ভাৱনা নাই। উল্লেখ্য যে ভাৰতে ইমান দিনে দুটি সন্তানৰ ভিতৰত পৰিয়াল সীমাবদ্ধ ৰখাৰ আহ্বান জনাই আহিছিল পৰিয়াল পৰিকল্পনা আঁচনিৰ যোগেদি। যোৱা ২০২০-২১ৰ ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপৰ প্ৰতিবেদনত পোহৰলৈ অহা তথ্য অনুসৰি ভাৰতৰ ৰাষ্ট্ৰীয় মুঠ উৰ্বৰতাৰ হাৰ (টোটেল ফাৰ্টিলিটী ৰে'ট) ২.০ বা দুই। উল্লেখ্য যে যোৱা ১৯৭১-৮১ত দেশৰ মুঠ উৰ্বৰতাৰ হাৰ ৫.২ৰ পৰা ৪.৫ হৈছিলগৈ। পাছত ১৯৯১-২০১৬ত ৩.৬ৰ পৰা ২.৩ হৈছিল। যোৱা ২০২০-২১ত দেশৰ মুঠ উৰ্বৰতাৰ হাৰ ২.০ বা দুইলৈ হ্ৰাস পালে। এইদৰেই দেশত উৰ্বৰতাৰ অৰ্থাৎ সন্তান জন্মৰ হাৰ হ্ৰাস পাইছে। উৰ্বৰতাৰ হাৰ হ'ল এগৰাকী মহিলাই তেওঁৰ জীৱনকালত জন্ম দিয়া সন্তানৰ হাৰ। যোৱা ২০১৫-১৬ত উৰ্বৰতাৰ হাৰ ২.২ আছিল আৰু সেয়া আছিল পূৰ্বৰ তুলনাত সৰ্বনিম্ন; কিন্তু শেহতীয়া ২০২০-২১ৰ জৰীপত উৰ্বৰতাৰ হাৰ মাত্ৰ দুইলৈ নামিল। উল্লেখ্য যে উৰ্বৰতাৰ হাৰ যদি ২.১ হয়, তেন্তে দেশৰ জনসংখ্যা একে থাকিলহেঁতেন অৰ্থাৎ জনসংখ্যা স্থিৰিৰ অৱস্থাত থাকিলহেঁতেন, হ্ৰাস অথবা বৃদ্ধি নঘটিলহেঁতেন; কিন্তু উৰ্বৰতাৰ হাৰ মাত্ৰ দুই হোৱাত জনসংখ্যা হ্ৰাস পাব বুলি কোৱা হৈছে। অৱশ্যে ভাৰতৰ মুছলমান মহিলাৰ উৰ্বৰতা অৰ্থাৎ প্ৰতিগৰাকী মুছলমান মহিলাৰ সন্তান জন্মৰ হাৰ হিন্দু মহিলাৰ সন্তান জন্মৰ হাৰতকৈ অধিক বুলি প্ৰকাশ পাইছে পি উ ৰিছাৰ্চৰ প্ৰতিবেদনত; কিন্তু যোৱা বছৰবোৰত ভাৰতৰ মুছলমান মহিলাৰ সন্তান জন্মৰ হাৰ দ্ৰুত হ্ৰাস পাইছে আৰু ই নিশ্চয় তাৎপৰ্যপূৰ্ণ। যোৱা ২৪ নৱেম্বৰত প্ৰকাশ পোৱা ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপ (এন এফ এইছ এছ)ৰ প্ৰতিবেদনে দেশৰ জনসংখ্যা বৃদ্ধিৰ সন্দৰ্ভত থকা বিভিন্ন সন্দেহ তথা সংশয় দূৰ কৰিলে আৰু বহুতৰে ভুল আঁতৰালে বুলি ক'ব পাৰি।

উল্লেখ্য যে বৰ্তমান ভাৰতৰ মুঠ জনসংখ্যা ১৩৮ কোটি বুলি প্ৰকাশ পাইছে। ভাৰত যদিও এতিয়ালৈকে বিশ্বৰ দ্বিতীয় সৰ্বাধিক জনসংখ্যাৰ দেশ আৰু চীন বিশ্বৰ সৰ্বাধিক জনসংখ্যাৰ দেশ হৈ আছে, কিন্তু চীনক চেৰ পেলাবলৈ ভাৰতক বেছি দিন নালাগিব। চীনৰ জনসংখ্যা ১৪৪ কোটি অৰ্থাৎ ভাৰতৰ জনসংখ্যাতকৈ ছয় কোটি অধিক। ভাৰতে অহা ২০২৩ত চীনক চেৰ পেলাই বিশ্বৰ সৰ্বাধিক জনসংখ্যাৰ দেশ হ'ব বুলি ইতিমধ্যে ভৱিষ্যদ্বাণী কৰি থকা হৈছে; কিন্তু যদিহে ভাৰতৰ জনসংখ্যা হ্ৰাস পাবলৈ ধৰে অৰ্থাৎ জনসংখ্যাৰ হাৰ নিম্নগামী হয়, তেন্তে ভাৰতৰ জনসংখ্যা চীনতকৈ অধিক হ'ব কেনেকৈ? এই ক্ষেত্ৰত চীনৰ মহিলাৰ সন্তান জন্মৰ হাৰ আৰু ভাৰতৰ মহিলাৰ সন্তান জন্মৰ হাৰ বিচাৰ কৰাৰ প্ৰয়োজন আছে। বৰ্তমান ভাৰতৰ মহিলাৰ সন্তান জন্মৰ হাৰ দুইলৈ নামিছে যদিও চীনৰ মহিলাৰ সন্তান জন্মৰ হাৰ মাত্ৰ ১.৩ বুলি কোৱা হৈছে। চীনৰ জনসংখ্যা বৃদ্ধিৰ হাৰ ০.৩ মাত্ৰ। সন্তান জন্ম বা উৰ্বৰতাৰ এই হাৰ আৰু জনসংখ্যা বৃদ্ধিৰ হাৰ (০.৩)ৰ ফলত চীনৰ জনসংখ্যা দ্ৰুত হ্ৰাস পাবলৈ ধৰিছে। জনসংখ্যা এইদৰে হ্ৰাস পোৱাৰ ফলত কৰ্মক্ষম যুৱক-যুৱতীৰ সংখ্যা অৰ্থাৎ মানৱ সম্পদ হ্ৰাস পাইছে। ইয়াৰ বিপৰীতে জ্যেষ্ঠ নাগৰিকৰ সংখ্যা বৃদ্ধি পাইছে যিসকলে ভৱিষ্যতে অৰ্থনৈতিক বিকাশ তথা উৎপাদনৰ ক্ষেত্ৰত কোনো ভূমিকা ল'ব নোৱাৰে। পশ্চিমীয়া অথবা ইউৰোপীয় দেশবিলাকৰ দৰেই যুৱ প্ৰজন্মৰ লোকৰ সংখ্যা চীনতো হ্ৰাস পাইছে। ভাৰতত সন্তান জন্মৰ হাৰ হ্ৰাস পাইছে আৰু ইয়াৰ ফলত দেশৰ জনসংখ্যাও হ্ৰাস পাব যদিও চীনৰ জনসংখ্যা হ্ৰাস ভাৰততকৈ যথেষ্ট বেছি পৰিমাণে হ'বলৈ ধৰিছে। যুৱ প্ৰজন্মৰ সংখ্যা হ্ৰাসে চীনৰ চৰকাৰক উদ্বিগ্ন কৰিছে। পশ্চিমীয়া দেশবোৰত যুৱ প্ৰজন্মৰ সংখ্যা হ্ৰাস পাইছে যদিও এছিয়া, দক্ষিণ আমেৰিকা আদিৰ দেশবিলাকৰ পৰা কৰ্মক্ষম, দক্ষতাসম্পন্ন যুৱক-যুৱতীয়ে সেই দেশবোৰলৈ গৈ যুৱ প্ৰজন্মৰ লোকৰ অভাৱ পূৰণ কৰিছে; কিন্তু চীনে তেনে পৰিৱেশ নিবিচাৰে। আন দেশৰ যুৱক-যুৱতীয়ে চীনৰ উদ্যোগ-প্ৰতিষ্ঠান চলোৱাৰ কথা চীনৰ চৰকাৰে কেতিয়াও ভাবিব নোৱাৰে। চীনৰ স্বৈৰাচাৰী আৰু অস্বচ্ছ শাসন ব্যৱস্থাত থাকি আন গণতান্ত্ৰিক দেশৰ যুৱক-যুৱতীয়ে কাম কৰিবও নিবিচাৰে। সেয়ে চীনৰ চৰকাৰে এটা বা দুটা সন্তানৰ পৰিৱৰ্তে তিনিটা সন্তান জন্ম দিবলৈ দেশৰ নাগৰিকসকলক আহ্বান জনাইছে। তিনিটা সন্তান জন্মৰ বাবে চৰকাৰে বিভিন্ন উদগনিমূলক সা-সুবিধাও আগবঢ়াইছে; কিন্তু অৰ্থনৈতিক অৱস্থা, সন্তানৰ ভৰণ-পোষণ, লালন পালনৰ দায়িত্বৰ পৰা মুক্ত হৈ আৰু কাম কৰি আত্মনিৰ্ভৰশীল বা স্বাধীন জীৱন বিচৰাৰ বাবে সন্তান বৃদ্ধি নিবিচাৰে চীনা মহিলাসকলে। এইবিলাক কাৰণতে দেশখনত সন্তান জন্মৰ হাৰ উদ্বেগজনকভাৱে হ্ৰাস পাইছে আৰু হ্ৰাস পাইছে জনসংখ্যা। যিহেতু ভাৰতৰ মহিলাৰ সন্তান জন্ম বা উৰ্বৰতাৰ হাৰ ২.০ কিন্তু ইয়াৰ বিপৰীতে চীনৰ মহিলাৰ উৰ্বৰতাৰ হাৰ ১.৩, সেয়ে স্বাভাৱিকতে ভাৰতে জনসংখ্যাৰ ক্ষেত্ৰত সোনকালে চীনক অতিক্ৰম কৰিবলৈ সক্ষম হ'ব। ভাৰতৰ জনসংখ্যা বৃদ্ধি নাপালেও ভাৰতৰ প্ৰতি মহিলাৰ সন্তান জন্মৰ হাৰ দুই আৰু চীনৰ মহিলাৰ ১.৩ হোৱাৰ বাবেই চীনক ভাৰতে চেৰ পেলাব বুলি ক'ব পাৰি; কিন্তু এই ঘটনাৰ বাবে চীনৰ মহিলাসকলেই প্ৰধানকৈ দায়ী হ'ব। উল্লেখ্য যে চীনে এসময়ত মাত্ৰ এটা সন্তান বাধ্যতামূলক কৰি ইয়াৰ স্বৈৰতান্ত্ৰিক চৰিত্ৰ দাঙি ধৰিছিল; কিন্তু এইবাৰ তিনিটা সন্তান জন্ম দিব লাগিব বুলি বা তিনিটা সন্তান বাধ্যতামূলক বুলি নিৰ্দেশ দিয়া নাই। সন্তান জন্মৰ ক্ষেত্ৰত মহিলাৰ সিদ্ধান্তক সন্মান জনোৱা হৈছে। আনহাতে, ভাৰতে দুটা সন্তানৰ সুখী পৰিয়াল আঁচনি লৈ আহিছে। ইয়াৰ ফলত ভাৰতত মানৱ সম্পদৰ অভাৱ হোৱাৰ সম্ভাৱনা নাই।

# জাতীয়তাবাদৰ সুখ-দুখ

## জাতি গঠনেই হৈছে জাতীয়তাবাদৰ প্ৰধান কৰ্তব্য

### আত্মজিজ্ঞাসা



কানাডাৰ পৰা মুস্তাফিজুৰ ৰহমান

জাতীয়তাবাদ দুই ধৰণৰ। এটা আগ্ৰাসী দখলকাৰী। আনটো আত্মৰক্ষাকাৰী প্ৰতিৰোধমূলক। হিটলাৰ, মুছোলিনীৰ তাণ্ডৱ আগ্ৰাসী জাতীয়তাবাদৰ দৃষ্টান্ত।

কাৰ বাবে প্ৰয়োজন জাতীয়তাবাদৰ? প্ৰয়োজন যেনেকৈ আক্ৰমণকাৰীৰ, তেনেকৈ আক্ৰান্তৰ। দুয়ো পক্ষৰ; কিন্তু দুয়োটা একেই নহয়। দুই ধৰণৰ। এটা প্ৰতিক্ৰিয়াশীল, আনটো প্ৰগতিশীল। প্ৰতিক্ৰিয়াশীল জাতীয়তাবাদ বহু অন্যায়ৰ জনক। প্ৰতিক্ৰিয়াশীল জাতীয়তাবাদে সৃষ্টি কৰে সংকীৰ্ণতাৰ। সংকীৰ্ণতাৰ বিষ-বাষ্পই বহুখিনি পংগু কৰে মানুহৰ মন মানসিকতাক। যাৰ প্ৰভাৱত মানুহ হয় উগ্ৰ। হয় আক্ৰমণকাৰী। তেজেৰে ৰাঙলী হয় মাটি। ক্ষত-বিক্ষত হয় মানুহ। যন্ত্ৰণা যায় বাঢ়ি। মানুহৰ হাঁহি মানুহেই নিয়ে কাঢ়ি। প্ৰতিক্ৰিয়াশীল জাতীয়তাবাদে জাতিৰ নামত উত্তেজিত কৰি ৰাখে মানুহক। কয় জাতীয় স্বাৰ্থৰ কথা। আচলতে কিন্তু প্ৰতিষ্ঠা কৰে সিহঁতৰ স্বাৰ্থ, যিহঁত নেতা। ঘৃণনীয় এই জাতীয়তাবাদ। খুব বিপজ্জনক। হিটলাৰ- মুছোলিনীৰ জাতীয়তাবাদ প্ৰতিক্ৰিয়াশীল জাতীয়তাবাদ।

সুভাষ চন্দ্ৰ বসুৰ জাতীয়তাবাদ আছিল প্ৰগতিশীল জাতীয়তাবাদ। দৃঢ়ভাৱে তেওঁ থিয় দিছিল সাম্ৰাজ্যবাদ আৰু সামন্তবাদৰ বিৰুদ্ধে। তেওঁ আছিল অসাম্প্ৰদায়িক আৰু বৈষম্যহীন জাতীয়তাবাদৰ পক্ষে। সাম্ৰাজ্যবাদৰ আগ্ৰাসনৰ মুখত সুভাষ চন্দ্ৰ বসুৱে আচলতে বিচাৰিছিল জাতি গঠন কৰিবলৈ। জাতি গঠনেই হৈছে জাতীয়তাবাদৰ প্ৰধান কৰ্তব্য।

হোমাৰৰ মহাকাব্যত আছে ট্ৰয়ৰ যুদ্ধৰ কাহিনী। সেয়া এক জাতীয়তাবাদী যুদ্ধ। ট্ৰয় ধ্বংস কৰি স্বদেশলৈ উভতি আহিছিল অডিচিয়ুস। তেওঁ দেশপ্ৰেমিক।

**দুই**

জাতীয়তাবাদৰ শত্ৰু আছেনে?

আছে। জাতীয়তাবাদৰ শত্ৰু তিনিজন। সেই শত্ৰু তিনিজন হ'ল— সম্প্ৰদায়, শ্ৰেণী আৰু ৰাষ্ট্ৰ। শত্ৰুবোৰ তৎপৰ। সম্প্ৰদায় শ্ৰেণী আৰু ৰাষ্ট্ৰই বিৰোধিতা কৰে জাতি গঠনত। থিয় দিয়ে প্ৰতিপক্ষ হৈ।

জাতীয়তাবাদৰ মিত্ৰ কোন?

জাতীয়তাবাদৰ মিত্ৰ মাত্ৰ এজন। মিত্ৰ হৈছে সমগ্ৰ জনগণ যদি তেওঁলোক মিত্ৰ হয় পৰস্পৰৰ। আৰু কোনো মিত্ৰৰ প্ৰয়োজন নাই।

**তিনি**

গণতন্ত্ৰৰ চৰ্চ যেনেকৈ অধিকাৰ আৰু সুযোগৰ সাম্য আৰু জীৱনৰ সাৰ্বিক মান উন্নয়ন, তেনেকৈ জাতীয়তাবাদৰো সেই একেই চৰ্চ। প্ৰয়োজন সেই আদৰ্শৰ, যিয়ে ঐক্যবদ্ধ কৰিব পাৰে সমগ্ৰ জাতিক। ৰাজনীতিত ধৰ্ম আহিছে। আহিছে মৌলবাদ। নিঃশেষ হোৱা নাই সাম্প্ৰদায়িকতা। ইহঁত জাতীয়তাবাদৰ মিত্ৰ নহয়।

ক্ষমতাত আছে যিহঁত তেওঁলোকে নিজকে জাতীয়তাবাদী বুলি ক'লেও যথাৰ্থ অৰ্থত জাতীয়তাবাদী নহয়। তেওঁলোকে জনগণৰ স্বাৰ্থ নেদেখে। দেখে ব্যক্তিৰ স্বাৰ্থ। দলৰ স্বাৰ্থ। শ্ৰেণীৰ স্বাৰ্থ। যি পৰিমাণে দেখিছে, সেই পৰিমাণে জাতীয়তাবাদী চৰিত্ৰ আৰু অৱস্থানৰ পৰা হৈছে বিচ্যুত। তেওঁলোক যে জনগণৰ মিত্ৰ নহয়, তাৰ জ্বলন্ত প্ৰমাণ নদীবান্ধ।

প্ৰগতিশীল জাতীয়তাবাদ স্থায়ী হয় তেতিয়া, যেতিয়া সি ভিত্তি পায় এটা ব্যৱস্থাৰ। এক কৰ্মস্ৰোতৰ। পুঁজিবাদী ব্যৱস্থা আছে। সমাজতান্ত্ৰিক ব্যৱস্থা আছে। জাতীয়তাবাদী ব্যৱস্থা বুলি কোনো সামাজিক ব্যৱস্থা নাই।

অসমেই পৃথিৱীৰ একমাত্ৰ দেশ, য'ত আছে ২৬টা জনগোষ্ঠীয় সংগঠন।

কোনোবাই যেতিয়া দেশক পাহৰি যায়, তেতিয়া সি আৰু মানুহ হৈ নাথাকে। পৰিণত হয় ইতৰ প্ৰাণীত।

**চাৰি**

যিমানেই দিন পাৰ হৈ গৈছে, পৃথিৱীৰ বুকুৰ পৰা হেৰাই যাবলৈ ধৰিছে অথবা ম্ৰিয়মান হৈ পৰিছে গণতান্ত্ৰিক শাসন ব্যৱস্থা। পৃথিৱীত এনে বহু দেশ আছে, যিবোৰ দেশৰ শাসকবৰ্গই দেশখনক গণতান্ত্ৰিক দেশ বুলি উপস্থাপন কৰিব বিচাৰে; কিন্তু বাস্তৱতা হ'ল গণতন্ত্ৰৰ আৱৰণত সেইবোৰ দেশত চলিছে কৰ্তৃত্ববাদ। কিছু দেশ আছে, যি দেশৰ শাসক গোষ্ঠীয়ে গণতান্ত্ৰিক শাসন ব্যৱস্থাক বাতিল কৰিবলৈ লজ্জাবোধ কৰা নাই। বিশ্বায়তন বৰ্তমান পৰ্যায়ত পৃথিৱীৰ দেশে দেশে প্ৰতিষ্ঠিত হৈছে নানা ধৰণৰ থিংক টেংক। মানৱ জাতিৰ বিভিন্ন সমস্যা লৈ গৱেষণা চলিছে।

একবিংশ শতাব্দীৰ এই সময়ত পৃথিৱীৰ বহু দেশতেই গণতন্ত্ৰ ক্ষয়িষ্ণু হৈ পৰিছে। যোৱা ২২ নৱেম্বৰত 'ইনষ্টিটিউট ফৰ ডেম'ক্ৰেচী এণ্ড ইলেক্ট'ৰেল এছিছটেন্স-এ এখন ৰিপ'ৰ্ট প্ৰকাশ কৰিছে। এই ৰিপ'ৰ্টৰ শিৰোনাম হ'ল 'গ্ল'বেল ষ্টেট অৱ ডেম'ক্ৰেচি ২০২১।' এই প্ৰতিবেদনত বিশ্ব জনমতক সচেতন কৰিবৰ বাবে কোৱা হৈছে যে পৃথিৱীৰ বিশাল সংখ্যক দেশ কৰ্তৃত্ববাদৰ নিয়ন্ত্ৰণাধীন হৈ গৈছে। ইতিপূৰ্বে আৰু কেতিয়াও ইমান বিৰাট সংখ্যক প্ৰতিষ্ঠিত গণতন্ত্ৰক ভাবুকিৰ মুখত পৰা দেখা যোৱা নাই।

ছুইডেনৰ ষ্টকহোম ভিত্তিক আন্তঃচৰকাৰ সংস্থাটোৰ প্ৰতিবেদনত কৈছে— জনতুষ্টিবাদী ৰাজনীতি, সমালোচকক বাক ৰহিত কৰিবৰ বাবে কৰ'না মহামাৰীক ঢাল হিচাপে ব্যৱহাৰ কৰা হৈছে। ইয়াৰ বাবে আনৰ গণতন্ত্ৰ বিৰোধী আচৰণক নকল কৰাৰ প্ৰৱণতা আৰু সামাজিক বিভক্তিকৰণত ব্যৱহৃত বিভ্ৰান্তিমূলক তথ্য প্ৰচাৰেই দায়ী। বিগত কে'বা বছৰ ধৰি ইউৰোপৰ বহু দেশতেই জনতুষ্টিবাদী ৰাজনীতিৰ প্ৰচাৰ শক্তিশালী হৈ পৰিছে। এইবোৰ দেশৰ ঐতিহ্যবাহী গণতান্ত্ৰিক ৰাজনৈতিক দলবোৰে জনতুষ্টিবাদী ৰাজনীতিৰ আক্ৰমণৰ ফলত আত্মৰক্ষামূলক ৰাজনীতিৰ চৰ্চা কৰিবলৈ বাধ্য হৈছে। জনতুষ্টিবাদী দলবোৰে কম সময়ৰ ভিতৰতে যি শক্তি সঞ্চয় কৰিছে, সেয়া স্বাভাৱিকতে ভয়ংকৰ। আন দেশৰ পৰা অহা অভিবাসীবোৰেই স্থানীয়বোৰৰ বেকাৰত্বৰ বাবে দায়ী এনে বিভ্ৰান্তিকৰ প্ৰচাৰ চলোৱাই জনতুষ্টিবাদীৰ ৰাজনীতি। ইয়াৰ স'তে যুক্ত হৈছে বৰ্ণবাদী ঘৃণাৰ ৰাজনীতি।

অপপ্ৰচাৰ আৰু জাতিগত বিদ্বেষ প্ৰত্যাহ্বানৰ মুখত নপৰিলে ভৱিষ্যতে হিটলাৰ-মুছোলিনীৰ পুনৰুত্থানৰ ঝুকি সৃষ্টি কৰিব পাৰে।

প্ৰতিবেদনৰ তথ্য অনুযায়ী পৃথিৱীৰ ৭০ শতাংশ মানুহ এনে দেশত বাস কৰিছে, য'ত গণতান্ত্ৰিক শাসন ব্যৱস্থা নাই, অথবা গণতান্ত্ৰিক ব্যৱস্থাৰ অধঃপতন ঘটিছে।

পথৰ ভিক্ষাৰী এজন আৰু এজন ৰাজপুত— মানুহ হিচাপে, নাগৰিক হিচাপে দুজনৰেই সমান মৰ্যাদা। তাৰ নামেই গণতন্ত্ৰ। ক্ষমতাৰ স'তে যুক্ত সুবিধাভোগী শ্ৰেণীটোৱে তেওঁলোকৰ সুবিধাৰ বাবে এই সত্য গোপন কৰে।

মানুহৰ অধিকাৰ আৰু স্বাধীনতা অবিহনে যি শান্তি, সেই শান্তি কবৰৰ শান্তি। মানুহৰ অধিকাৰ আৰু স্বাধীনতা অবিহনে যি স্বস্তি, সেই স্বস্তি দাসত্বৰ স্বস্তি।

**পাঁচ**

কমিউনিজম—
তোমাৰ আছে দুটা গৰু
চৰকাৰৰ তাতেই চকু
দুয়োটা গৰু চৰকাৰে নিয়ে
তোমাক অলপ গাখীৰ দিয়ে।
ফেচিজম—
তোমাৰ দুটা গৰু আছে
কাঢ়ি নিয়ে চৰকাৰে
দুয়োটা গৰুৰ গাখীৰখিনি
তোমাৰ ওচৰতে কৰে বিক্ৰী।
ছ'চিয়েলিজম—
তোমাৰ আছে দুটা গৰু
চৰকাৰৰ তাতেই চকু
তাৰেই এটা ধৰি আনি
ওচৰ চুবুৰীয়াক দিয়ে দান কৰি।
নাজীজম—
তোমাৰ দুটা গৰু আছে
বাজেয়াপ্ত কৰে চৰকাৰে
তাৰ পাছত তোমাক ধৰি
হত্যা কৰে গুলি মাৰি।
বুৰ'ক্ৰেচি—
তোমাৰ দুটা গৰু আছে
তাৰে এটাক ধৰি মাৰে
আনটো গৰুৰ গাখীৰ খীৰাই
নৰ্দমাত দিয়ে পেলায়।
ৰাজতন্ত্ৰ—
বিশ্বাসে সৃষ্টি কৰে
অনুগত প্ৰজা
অবিশ্বাসে সৃষ্টি কৰে
বিশ্বাসঘাতকতা।

**ছয়**

আমি সচৰাচৰ স্থূল সংজ্ঞাবদ্ধতাত আৱদ্ধ থাকিবলৈ ভাল পাওঁ। যেনে— ধৰ্মীয় পৰিচয়। বহুতৰ বাবে আকৌ প্ৰজাতিভিত্তিক, গোত্ৰভিত্তিক পৰিচয়টোৱেই সবাতোকৈ গুৰুত্বপূৰ্ণ। আমি একো গঢ়িবলৈ শিকা নাই। শিকিছো কেৱল ভাঙিবলৈ। সৃষ্টিৰ সলনি ধ্বংস। জ্বলাও! পোৰো। ধ্বংস কৰো। মাৰ-পিট কৰো নিজৰ মাজতে।

এজন মানুহে মিছা কথা ক'লে যাৰ ফলত অনিমেষ ভূঞাৰ দৰে পৰোপকাৰী যুৱক এজন মৃত্যুমুখত পৰিল। পাছত মিছা কথা কোৱা মদাহীজনৰ পুত্ৰৰো মৃত্যু হ'ল পুলিচৰ গাড়ীৰ চেপাত। এটা মিছা কথা দুটা মৃত্যু।

যোৰহাটৰ মাজমজিয়াত ঘটা ঘটনাৰ বাবে পুলিচৰ অকৰ্মণ্যতাৰ ধিক্কাৰ দি ৰাজপথত দিয়া হ'ল আৰক্ষী মুৰ্দাবাদ ধ্বনি। পাছত সোপাটিলা আৰক্ষীৰ হাতৰ পৰা পলোৱাৰ ফলত এজন অপৰাধীৰ মৃত্যুত দিয়া হ'ল অসম আৰক্ষী জিন্দাবাদ। কোনে জানে ক'লা ল'ৰাৰ মুখৰ পৰা আৰক্ষীৰ স'তে তাৰ মিতিৰালিৰ কথা ওলাই পৰাৰ ভয়তেই কিজানি আৰক্ষীয়ে সজালে দুৰ্ঘটনাৰ নাটক।

**কোনে জানে ক'লা ল'ৰাৰ মুখৰ পৰা আৰক্ষীৰ স'তে তাৰ মিতিৰালিৰ কথা ওলাই পৰাৰ ভয়তেই কিজানি আৰক্ষীয়ে সজালে দুৰ্ঘটনাৰ নাটক**

**সাত**

জাতীয়তাবাদী নেতা। চকুত টোপনি নাই। ৰাতি শুব নোৱাৰে। শুলেই ভাব হয় পালেঙৰ তলত বাংলাদেশী। এদিন নহয়, দুদিন নহয়। প্ৰতিদিন। ডাক্তৰৰ ওচৰলৈ গ'ল। ডাক্তৰে ক'লে— মাৰাত্মক ৰোগ। বহু কিছু পৰীক্ষা কৰিব লাগিব। ডাক্তৰৰ কথা মতে তেজ-প্ৰস্ৰাৱ-পায়খানা পৰীক্ষা কৰা হ'ল। এম আৰ আই, ছ'ন'গ্ৰাফী, আল্ট্ৰা ছাউণ্ড কৰিলে। সকলো কিছু পৰীক্ষা কৰি ডাক্তৰে ক'লে— আপোনাৰ শাৰীৰিক কোনো অসুখ নাই। এই ৰোগ মানসিক। জাতীয়তাবাদী নেতা গ'ল মানসিক ৰোগৰ চিকিৎসকৰ কাষলৈ। হেজাৰ হেজাৰ টকা গ'ল। নাই, ভাল নহ'ল। এদিন পত্নীয়ে পতিৰ ৰোগৰ কথা গম পাই এজন কাঠমিস্ত্ৰিক মাতি আনিলে। মাত্ৰ এশ টকাত প্ৰখ্যাত ডাক্তৰে ভাল কৰিব নোৱৰা জাতীয়তাবাদী নেতাৰ ৰোগ কাঠমিস্ত্ৰিয়ে ভাল কৰি দিলে।

পাঠকৰ নিশ্চয় জানিবৰ মন গৈছে— এশ টকাত কাঠমিস্ত্ৰিয়ে কেনেকৈ ৰোগ ভাল কৰিলে। এশ টকা হাজিৰা লৈ কাঠমিস্ত্ৰিয়ে কৰতেৰে পালেঙৰ খুড়াকেইটা কাটি দিলে। কাঠমিস্ত্ৰিটো আছিল বাংলাদেশী!

*ফোন ঃ ০০১৪০৩২৭০১৮১৭*

# গাঁৱত পাতিলে আমাৰ ন-খোৱাৰ বৰভোজ তাওত থাকিল ন-কইনা হৈ আঁকোৰগোঁজ

মনোজ কুমাৰ ভট্টাচাৰ্য

— মাই আপোনাক বৰ বেয়া পাইছো জানে?

— কিয়? মই কিবা দোষণীয় কাম কৰিলো নেকি?

— নহ'লে এনেয়ে আপোনাক কিয় বেয়া পাব? মোৰ কথাত গুৰুত্ব নিদিয়ে নাই, মাৰ কথাততো অকণমান গুৰুত্ব দিব লাগে।

— তেনে কথা নক'বা দেই। মই কোনদিনা তোমাৰ কথাত গুৰুত্ব নিদিয়াকৈ আছোহে? আৰু মাৰ কথা মই শিলৰ ৰেখা বুলি গণ্য কৰো জানা।

— মাই আমাক মাতি মাতি ভাগৰি গ'ল বুজিছে। আপুনি দেখোন এবাৰো যোৱাৰ নামেই নলয়।

— পেটৰ চিন্তা এটা আছে নহয়? ভ্ৰাম্যমাণ থিয়েটাৰত অভিনয় কৰা আৰু সাংবাদিকৰ চাকৰি কৰা একেই কথা। যাওঁ বুলিও ক'লৈকে যাব নোৱাৰো, চাওঁ বুলিও আনফালে চাব নোৱাৰো।

— তেনেহ'লে চাকৰিয়েই কৰি থাকক। মিতিৰ, আপোন লোকৰ ঘৰলৈ নগ'লে, খা-খবৰ নল'লে আপুনি যে এদিন এলাগী হৈ পৰিব সেই কথা ভাবি চাইছেনে?

— তুমি বৰ আঁকৰীহে। চাকৰিটো মূল কথা, তাৰ পাছতহে ফুৰা-চকা। কৰ্ম আগত, ধৰ্ম পাছত বুজিছা?

— মা-দেউতাই ৰাসত আমাক মাতিলে। আপোনাৰ কাৰণেই যোৱা নহ'ল। আমাৰ তাত ভাওনা পাতিলে, তাতো মাতিলে। নগ'লো। ছুটী নাপাওঁ বুলি আপুনি যিমানেই নকওক, সকলোৱে আপোনাক লুটি বাগৰ মৰা বুলিয়েই ক'ব।

— হেৰা, চৰকাৰী চাকৰিয়ালৰ কথা বেলেগ। বন্ধৰ উপৰি বন্ধ। আমি অসম বন্ধ, ভাৰত বন্ধ আনকি সান্ধ্য আইনৰ মাজতো যে কাম কৰিব লাগে সেই কথা তেওঁলোকে ভাবি চায়নে?

— শুনক, দেউতা অৱসৰ লোৱাৰ পাছৰে পৰা একেবাৰে অকলশৰীয়া হৈ পৰিছে। দুদিনমানৰ বাবেও আমাক কাষত পালে তেওঁ কিমান আনন্দিত হ'ব সেই কথা এবাৰ ভাবি চাওকচোন? সেই বাবেই তেওঁলোকে দিনটোত মোলৈ ক'মেও ১০বাৰ ফোন কৰে।

— মই নুবুজা নহয়, বুজো। কিন্তু কি কৰিম কোৱা? উপায় নাই। বাঘৰ পিঠিত উঠা চাকৰি আমাৰ। সাৱধান নহ'লেই বিপদ। গতিকে জানিও নাজানো, বুজিও নুবুজো এনে অৱস্থা মোৰ।

— বাদ দিয়ক এইবোৰ। আপোনাৰ লেশ নোহোৱা সমস্যা কোনদিনা শেষ হ'ব ভগৱানেহে জানে। এইটো ডিচেম্বৰ মাহ হয় নে নহয়?

— অ।

— বছৰটো শেষ হ'বলৈ কেইদিন আছেনো? নতুন বছৰ আহিবৰ হ'লেই।

— হয় দিয়া। সময়বোৰ কেনেকৈ যে পাৰ হৈ যায় ধৰিবই নোৱাৰি। চকুৰ পচাৰতে মাহবোৰ বাগৰি কেতিয়া নতুন বছৰক আদৰি লয় গমেই নাপাওঁ। চোৱাচোন, আমাৰ কথাকেই ভাবা।

— কি কথা?

— অনাহাৰে, উজাগৰে থাকি হোমৰ জুইক সাক্ষী কৰি মই তোমাক সিদিনা সুখে-দুখে, শয়নে-সপোনে, ৰাতিয়ে-দিনে আজীৱন চিৰলগৰী হৈ থাকিম বুলি অংগীকাৰ কৰি আনিছিলোহে। দুদিনমান পাছতে বিবাহ বাৰ্ষিকীৰ পৰিকল্পনা কৰিবৰ হ'লেই দেখোন।

— সেইটোতো হয়েই। পিছে মই কি ক'ব খুজিছো জানে?

— কোৱা?

— বছৰটো শেষ হ'বৰ হ'লেই। গতিকে আপুনি পাবলগীয়া ছুটীখিনি একেবাৰে লৈ লওঁক। ১০দিনমান আমাৰ ঘৰত থাকি আহিব পাৰিম।

— তুমি বৰ সজ কথাকেই কৈছা। চাওঁ দিয়া।

— মিতিৰৰ ঘৰলৈও যাব লাগে, চা-চিনাকিও হ'ব লাগে। উজনিৰ মানুহ বৰ অতিথি পৰায়ণ বুজিছে। গ'লে গম পাব নহয়। কিমান মৰম, কিমান চেনেহ।

— সঁচাকৈ বেয়া কথা হৈছেহে। যাব লাগিব দিয়া। নহ'লে সম্পৰ্ক ৰক্ষা হ'ব কেনেকৈ। হয়নে?

— ওলাব। দেউতাই আপোনাৰ পৰা পৰামৰ্শ এটাও বিচাৰি আছে। একেবাৰে চাই-চিতি ঠিক-ঠাক কৰি দি আহিব পাৰিব।

— তুমি থাকোতে দেউতাই মোৰ পৰা পৰামৰ্শ বিচাৰিছে? সঁচা কথাটো দেউতাই নাজানে হ'বলা, মই যে তোমাৰ আঙুলিৰ ঠাঁৰত নচা অতি পত্নী ভক্ত পতি?

— সেইবোৰ এৰকচোন। আচল কথাটো হ'ল আমাৰ ঘৰৰ সন্মুখৰ মাটিখিনিত দেউতাই বিল্ডিং এটা বনাব খুজিছে। তাৰে আলোচনা কৰিবলৈ আপোনাক মাতিছে।

— ভাল কৈছা দিয়া। মইনো কোন কূটাহে? খুঁটা এটাৰ জোখ নজনা লোক মই। মোৰ লগত এই বিষয়ে আলোচনা কৰিলে হ'ব কি কোৱাচোন? ক বুলিব নজনাজনে ৰত্নাৱলী পঢ়া যেন নহ'ব?

— আপুনি আজিয়েই ছুটীৰ কথাটো অফিচত জনাব। অহা দেওবাৰে আমি যাম বুলি মাক কৈ দিওঁ।

— এহ্ পাহৰিয়েই আছিলো ৰ'বা। এই দেওবাৰে আমাৰ গাঁৱলৈ যাব লাগিব। ন-খোৱা উৎসৱ আছে।

— কি ?

— আমাৰ গাঁৱত সমূহীয়াভাৱে ন-খোৱা উৎসৱৰ বিৰাট আয়োজন হয় বুজিছা? যিয়ে য'তে নাথাকক সকলোৱে আহি মিলিত হ'বই। আটায়ে লগে-ভাগে নতুন চাউলেৰে ভোজ-ভাত খায়। দেখিবা নহয় কিমান ফূৰ্তি হয় তাত?

— দেখিবা মানে?

— মাছে-মঙহে, নাচে-গানে, খাদ্য-বাদ্যৰে মন মতলীয়া কৰা উছাহ-উদ্দীপনাৰ পাৰ ভাগি যায় বুজিছা? জিভাৰ আগৰ নহয়, অন্তৰৰ সঁচা মৰম-চেনেহ আমাৰ তাত পাবা তুমি?



— আপোনাক কিমান বুজনি দিয়াৰ পাছতো উজনিলৈ নিব নোৱাৰিলো। এতিয়া মই গাঁৱলৈ যাব লাগে?

— হেৰা নামনিলৈ যাবলৈ তুমি কিয় আমনি পোৱা কোৱাচোন?

— আমনি কিয় নাপাম? শহুৰৰ ঘৰৰ লগত আপুনি কি সম্পৰ্ক ৰাখিছেহে? হোৱাই-নোহোৱাই এজন জোঁৱাই হ'লেই হ'লনে?

— সম্পৰ্কৰ কথা মোক নিশিকাবা। জানো মই। শাহু-বোৱাৰী হ'ল তেল আৰু পানী, শাহু-জোঁৱাই তিল আৰু ঘানী। বাৰু, এতিয়া এইবোৰ এৰা, দেওবাৰে ন-খোৱালৈ যাবলৈ সাজু হোৱা।

— শুনক, আপুনি যদি শহুৰৰ ঘৰলৈ নাযায়, মই কিয় শহুৰৰ ঘৰলৈ যামহে? কি কথা কয় আপুনি?

— হা??

*ফোন ঃ ৯১০১৭৭৪৮৬৮*

# মানুহ সাধাৰণ কিন্তু কাম মহৎ



ৰিজু হাজৰিকা

**এদিন** এজন ৰজাই চিকাৰ কৰিবলৈ যাওঁতে এজন ভেৰা ৰখীয়া ল'ৰাই সুন্দৰ বাঁহী বজাই থকা দেখা পালে। তাৰ বাঁহীৰ সুৰে ৰজাক মুগ্ধ কৰিলে। ৰজা তাৰ ওচৰলৈ গৈ তাক তেওঁৰ ৰাজ অট্টালিকালৈ লৈ গ'ল। ৰজাই তাৰ প্ৰতিভা দেখা পাই কিছুদিন পাছত তাক ৰজাঘৰৰ কোষাধ্যক্ষ হিচাপে চাকৰি দিলে। সি অতি পাৰদৰ্শিতাৰে তাৰ কৰ্তব্য কৰি থাকিল।

কিছুদিন পাছত ৰজাৰ মৃত্যু হ'ল। তাৰ পাছত ৰজাৰ সৰু পুত্ৰজন ৰজা হ'ল। এই নতুন ৰজায়ো তাক বিশ্বাসত ল'লে। কাৰণ সি ৰাজকোষৰ ওপৰত বেছ চকু ৰাখিছে; কিন্তু ৰজাৰ কিছুমান ঈৰ্ষা পৰায়ণ চোৰাংচোৱাই এদিন ৰজাক জনালে যে মহাৰাজ আমাৰ এই নতুন কোষাধ্যক্ষজনে আমাৰ ৰাজকোষৰ পৰা ধন চুৰি কৰি তাৰ কোঠাৰ ৰুমত ৰাখিছে। সি ৰুমটোত সদায় তলা মাৰি থয়। আমি ভাবিছো সি নিশ্চয় ধন চুৰি কৰি তাতে ৰাখিছে।

তেতিয়া নতুন ৰজাই কোষাধ্যক্ষৰ ঘৰ তালাচী কৰিলে; কিন্তু ৰজা আচৰিত হ'ল যে তেওঁৰ ঘৰটো সাধাৰণ মানুহৰ দৰেই। একো বিশেষত্ব নাই। তেওঁ তাতেই এটা ডাঙৰ তলা মাৰি থৈছে। ৰজাই কোষাধ্যক্ষজনক সুধিলে— তোমাৰ এই ৰুমটোত কি বস্তু ৰাখিছা যে ইয়াত তুমি এটা বোম তলা লগাই থৈছা? তেতিয়া কোষাধ্যক্ষই ক'লে— মহাৰাজ, ইয়াত মই যি বস্তু ৰাখিছো সেয়া মোৰ কাৰণে ডাঙৰ সম্পদ। মোৰ সেয়া ব্যক্তিগত সম্পদ; কিন্তু তেওঁ কথাখিনি অলপ দ্বিধা-সংকোচ কৰি ক'লে।

তেতিয়া ৰজাৰ সন্দেহ আৰু বেছি দৃঢ় হ'ল। লগে লগে তেওঁক তলাটো খুলিবলৈ আদেশ দিলে। কোষাধ্যক্ষই অনিচ্ছা সত্ত্বেও তলাটো খুলিলে। তেওঁৰ লাজো লাগিছিল তাত ৰখা বস্তুবোৰ দেখুৱাবলৈ।

তাতে তেওঁ ৰাখিছিল— এটা বাঁহৰ বাঁহী, এখন মোনা, এডাল লাঠি, ভেৰা ৰখীয়াৰ এযোৰ পোছাক আৰু এখন ফটা-ছিটা কম্বল। ৰজাই আচৰিত হৈ সুধিলে— এইখিনিয়েই নেকি তোমাৰ ব্যক্তিগত সম্পত্তি? বাকী সকলোবোৰ চোৰাংচোৱা, পাৰিষদো আচৰিত হ'ল, লাজতে মূৰ দোঁৱালে।

তেতিয়া ভেৰাৰখীয়াই ক'লে— হয় মহাৰাজ, এইখিনিয়েই মোৰ মূল্যৱান সম্পত্তি। আপোনাৰ দেউতাকে যেতিয়া মোক লগ পাই এই ৰাজ অট্টালিকালৈ লৈ আহিছিল তেতিয়া এই সম্পদখিনি মই লগত লৈ আহিছিলো। আৰু ইয়াক সযতনে এই ৰুমটোত ৰাখি থৈছো। ভেৰাৰখীয়াই গৰ্ব কৰি এই কথাখিনি ব্যক্ত কৰিছিল, উপস্থিত সকলোবোৰে, আনকি ৰজায়ো তলমূৰ কৰি থাকিল। চোৰাংচোৱাহঁতো তাৰ পৰা লাহে লাহে পলাল। সিহঁতে বেছি লাজ পালে। সন্দেহত চোৰাংচোৱাগিৰি নচলে। প্ৰকৃত তথ্য নেদেখাকৈ চোৰাংচোৱাগিৰি নচলে। ৰজাৰ চোৰাংচোৱাৰ ওপৰত খং উঠিছিল।

এই ঘটনাৰ পাছত আৰু এটা ডাঙৰ ঘটনা ঘটিল। সেইটো হ'ল— ইয়াৰ পাছত কোনেও এই ভেৰাৰখীয়াজনক ৰাজ্যত দেখা নাপালে, তেওঁ সংগোপনে এই ৰাজ্য এৰি গুচি গ'ল।

ইয়াৰ ফলত কি হ'ল? ৰাজ্যই এটা ডাঙৰ সম্পদ হেৰুৱালে।

ইয়াকে কয়— সৰু মানুহৰ মহৎ কাম। সেই কাৰণে কোনো সৰু মানুহকে হেয়জ্ঞান কৰিব নালাগে।

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ৫ ডিচেম্বৰ দেওবাৰ, ২০২১ পৃষ্ঠা ৫

# গণনিগ্ৰহ

## কেতিয়া অন্ত পৰিব ?



**অনিমেষ**, ঝংকাৰ, অভি-নীল, ৰিতুপৰ্ণ, সনাতন, সাধু মহাৰাজ ইত্যাদি নামবোৰ উচ্চাৰিত হ'লে মানুহ হোৱাৰ পৰিচয় দিবলৈ লাজ লাগে মোৰ। প্ৰতিটো নামে চিৎকাৰ কৰে, চকুৰ আগত ভাহি উঠে নৃশংস-বৰ্বৰ এজাক মানুহ আৰু নিষ্পাপ কৰুণ এখন মুখ আৰু এটি পৰিয়ালৰ জ্বলন্ত হৃদয়। কোনো অপৰাধ নোহোৱাকৈ হঠাৎ অহা মৃত্যুবোৰ বৰ কষ্টদায়ক। প্ৰতিগৰাকী মাতৃৰ দৰে ময়ো কামনা কৰো আৰু কোনো মাতৃৰ বুকু উদং নহওক আৰু মোৰ সন্তানে যাতে এনে বৰ্বৰোচিত কামৰ ভাগীদাৰ নহওক। পৃথিৱীত এনে ঘটনা যাতে আৰু সংঘটিত নহওক; কিন্তু আশ্চৰ্যজনকভাৱে খুব সঘনাই সংঘটিত হয় এই ঘটনাবোৰ।

এন ফ্ৰাংকৰ ডায়েৰী কিতাপখন যিসকলে পঢ়িছে তেওঁলোকৰ চকুত হয়তো ভাহি উঠে গেছ চেম্বাৰ, শাৰী পতাই কৰা গুলিবৰ্ষণ আদি নৃশংস ঘটনাবোৰ। হয়, জাৰ্মানিত ঘটা এই ঘটনাৱোৰেই প্ৰথম গণনিগ্ৰহৰ উদাহৰণ। ইতিহাসৰ পাতত ৰৈ যোৱা এই ঘটনাবোৰ সভ্য সমাজে ধিক্কাৰ দিছিল। সেইখন সমাজতে আজি এইবোৰ সাধাৰণ ঘটনা।

গণ নিগ্ৰহৰ ঘটনাবোৰত দেখা যায় বহুতবোৰ মানুহ একেলগে একে সময়তে একেটা চিন্তা বা ভাবধাৰাৰে পৰিচালিত হয়। কথাটো যথেষ্ট আশ্চৰ্যজনক নহয়নে বাৰু? গণনিগ্ৰহৰ ঘটনাবোৰ কিছুমান থিয়ৰী বা সূত্ৰৰ দ্বাৰা বাখ্যা কৰা হয়। Dr Wendy James এজন বিখ্যাত psychologist। তেওঁ তিনিটা সূত্ৰৰ দ্বাৰা গণনিগ্ৰহৰ ব্যাখ্যা আগবঢ়াইছে।

প্ৰথমটো হ'ল contagion theory. অসমীয়া প্ৰতিশব্দ হ'ব সংক্ৰামক। বহুখিনি মানুহে একেলগে যেতিয়া দুজনমান মানুহৰ কথা এশ শতাংশই বিশ্বাস কৰি লয় বা ক'ব পাৰি সন্মোহিত হৈ যায় তেতিয়া তেওঁলোকে সেই নিৰ্দেশবোৰ আখৰে আখৰে পালন কৰে। তেওঁলোকৰ নিজস্ব বিচাৰ-বিবেচনাৰ তেতিয়া কোনো মূল্য নাথাকে। তেওঁলোকে হয়তো সুস্থ অৱস্থাত তেনেধৰণৰ কোনো কাম নকৰিলে হয় কিন্তু সেই পৰিস্থিতিত বিনাদ্বিধাই কৰি পেলাইছে। সচৰাচৰ দেখা যায় সৰু ল'ৰা এটাক এজন বা দুজন মানুহে সন্দেহ কৰিলে চোৰ কৰা বুলি। লগে লগে ৰং চাবলৈ গোট খোৱা মানুহবোৰৰ মাজৰ কোনোবা এজন বিকৃত মানসিকতাৰ মানুহে প্ৰস্তাৱ দিলে ইয়াক এৰি দিলে সি আকৌ চুৰি কৰিব। গতিকে তাক ভালদৰে শিক্ষা দিব লাগে। এজনে মাৰ-পিট আৰম্ভ কৰাৰ লগে লগে বাকীবোৰেও হাত উজান দিয়ে। এনেদৰেই সংঘটিত হয় মৰ্মান্তিক ঘটনাবোৰ।

**ডাঃ মানসী দত্ত**

দ্বিতীয় সূত্ৰ convergence theory. অৰ্থাৎ একে মানসিকতাৰ বহুতবোৰ মানুহ যদি একেলগে ওলাই আহে। কিছুমান মানুহে অন্য এজন ব্যক্তিক আঘাত দি বা অত্যাচাৰ কৰি মানসিক তৃপ্তি পায়। এনেকুৱা বহুতবোৰ মানুহ যেতিয়া একেলগ হয় তেতিয়াও এই ঘটনাবোৰ হয়। এজন মানুহে ক'লেই হ'ল বাকীকেইজন মানুহে তেওঁক গুৰু মানি আগবাঢ়ি আহে আৰু নিজৰ আসুৰিক ইচ্ছাবোৰ পূৰণ কৰি তৃপ্তি পায়।

তৃতীয় সুত্ৰটো হ'ল Emergent Norm Theory. এই সূত্ৰই এক নম্বৰ আৰু দুই নম্বৰ সূত্ৰক একেলগে ব্যাখ্যা কৰে। একে ধৰণৰ মানসিকতাৰ বহুখিনি মানুহে যেতিয়া একেলগে একে পৰিস্থিতিত তেওঁলোকে কৰি ভালপোৱা ধৰণৰ কাম পায় তেতিয়া এই ঘটনাবোৰ ঘটে।

দেখা যায় এই ঘটনাবোৰৰ অপৰাধীবোৰে বহুত সময়ত শাস্তি নাপায় বা পালেও খুব কম হয়। আইনৰ সুৰুঙাৰে বাচি যায়। সেইবাবে চাগে এইবোৰ ঘটনা সঘনাই ঘটি থাকে আৰু বহুতো পৰিয়ালে বুকুত বেদনাৰ জুই লৈ জীয়াই আছে। য'ত শাস্তিৰ ভয় নাই তাত পাশৱিক অত্যাচাৰৰ তৃপ্তি লভাত ক'ত বাধা?

গণনিগ্ৰহৰ ঘটনাবোৰ সূক্ষ্মভাৱে বিশ্লেষণ কৰিলে বহুতকেইটা কথা ওলাই পৰে। প্ৰতিজন মানুহৰ ব্যক্তিত্ব ভাল আৰু বেয়াৰ সংমিশ্ৰণত গঢ় লৈ উঠে। প্ৰতিজন ব্যক্তিৰ ভিতৰত থাকে ধ্বংসকাৰী শক্তি। যি শক্তিক ভাল গুণবোৰে নিয়ন্ত্ৰিত কৰি ৰাখে পৰিৱেশ, সংস্কাৰ, শিক্ষা আদিয়েই এইবোৰত প্ৰভাৱ পেলায় । সৰুৰে পৰা সন্তানক এই সকলোবোৰ ঘটনা দেখুৱাই বিশদভাৱে আলোচনা কৰি তাৰ বেয়া দিশটো দেখুৱাই দিব লাগে। বেছিভাগ মানুহেই পৰচৰ্চা কৰি ভাল পায়। বেলেগৰ বেয়া শুনি বা কল্পনা কৰি ভাল পায়। কথা কওঁতে আন এজনক অপমান কৰি ভালপায় ইত্যাদি ইত্যাদি। এইবোৰেই আমাৰ মাজৰ ধ্বংসকাৰী শক্তি। এই শক্তিবোৰক নিয়ন্ত্ৰিত কৰি ৰখাটো খুবেই দৰকাৰী । নহ'লে হয়তো আমাৰ মাজৰ পৰা হেৰাই যাব আৰু বহুত বোৰ অনিমেষ, নীল-অভি, সনাতন,ৰিতুপৰ্ণ।

এই ঘটনাবোৰৰ দোষীক খুব সোনকালে বিচাৰি লৈ এনেকুৱা দৃষ্টান্তমুলক শাস্তি দিব লাগে যাতে ভৱিষ্যতে এনে কাম কৰিবলৈ কাৰোৰে সাহস নহয়। *ফোন ঃ৯৪৩৫৬৪০৭৩৯*

---

*আজি ৯১সংখ্যক জন্মদিন উপলক্ষে*

**সাহিত্য সৃষ্টিৰ ক্ষেত্ৰতো ৰত্ন ওজা পিছ পৰি থকা নাছিল। বিশেষকৈ সাংস্কৃতিক বিষয়, শিশুসকলৰ বাবে লিখা সকলোবোৰ লেখনি পাঠকৰ ববে মনোগ্ৰাহী। তেওঁৰ লেখাসমূহত সূক্ষ্ম বিশ্লেষণত সদায় গুৰুত্ব আৰোপ কৰিছিল। অসমীয়া ভাষা-সাহিত্যলৈ তেওঁ যি বৰঙণি আগবঢ়াই গৈছে তাৰ বাবে চিৰদিন স্মৰণীয় হৈ ৰ'ব**

# এগৰাকী নিৰহংকাৰী ব্যক্তি আছিল ৰত্ন ওজা

**অসমত** বাটৰ নাটৰ বাটকটীয়া ৰত্ন ওজাৰ আজি ৯১সংখ্যক জন্মদিন। অসমৰ কলা-সংস্কৃতিৰ ক্ষেত্ৰখনত দীৰ্ঘদিন ধৰি সেৱা তথা অৱদান আগবঢ়াই আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে গুচি যোৱা ৰত্ন ওজাৰ অসমবাসীলৈ যি অৱদান আছে— তাৰ আজিও উপযুক্তভাৱে মূল্যায়ন হোৱা নাই। অসম চুক্তি অনুসৰি পাঞ্জাবাৰীত নিৰ্মিত কলাক্ষেত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত ওজাই আগভাগ লোৱাৰ কথা সকলোৰে জ্ঞাত। নিঃস্বাৰ্থভাৱে তেওঁ কলাক্ষেত্ৰ নিৰ্মাণৰ স'তে জড়িত আছিল। তদুপৰি বাটৰ নাট আদিৰ জৰিয়তেও যে সমাজ সংস্কাৰ কৰিব পাৰি, তাৰেই নিদৰ্শন দাঙি ধৰিছিল ওজাই। সমাজৰ প্ৰতিটো স্তৰতে ঘটি থকা সৰু সৰু কথা বা বিষয়সমূহ জনসাধাৰণৰ মাজত উপস্থাপন কৰিবলৈ তেওঁ অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে বাটৰ নাট জনপ্ৰিয় কৰিছিল। কুসংস্কাৰ, অন্ধবিশ্বাস, নিচা সেৱনৰ পৰিণতি কিমান ভয়াৱহ হ'ব পাৰে আৰু পাৰিবাৰিক সংঘাত প্ৰতিৰোধ কৰিবলৈ প্ৰচলন কৰা বাটৰ নাটক আজি সমাজৰ প্ৰতিটো স্তৰৰ লোকে গ্ৰহণ কৰিছে।

ৰত্ন ওজা আছিল তেনেই সহজ-সৰল ব্যক্তি। সমাজৰ সকলো শ্ৰেণীৰ লোকৰ স'তে তেওঁ সহজেই মিলি যাব পাৰিছিল। হয়তো সেইবাবেই তেওঁ সকলোৰে মাজত সহজেই খোপনি পুতিবলৈ সক্ষম হৈছিল। কোনোবা এগৰাকী ব্যক্তিয়ে যদি এবাৰ ৰত্ন ওজাক লগ পায়, তেওঁ চিৰজীৱন মনত ৰাখিছিল। ক'ৰবাত লগ পালেই প্ৰথমতে ৰত্ন ওজায়েই আগ বাঢ়ি যায়। কোনোবাই যদি কিবা কথা সুধি পৰামৰ্শ বিচাৰিছিল তেওঁ নিৰাশ কৰা নাছিল। বৰং সকলোকে ওজাই মৰণেৰেহে বুজাই দিছিল। এয়া আছিল তেওঁৰ ব্যক্তিত্বৰ অন্যতম চানেকি। এইখিনিতে উল্লেখ কৰিব লাগিব যে সমাজত সেইসকল ব্যক্তিয়েহে সকলোৰে পৰা মৰম, শ্ৰদ্ধা পায়। কোনোৰে নিজকে শ্ৰদ্ধা কৰিবলৈ আনক বাধ্য কৰাব নোৱাৰে। শ্ৰদ্ধা, ভক্তি আদি বিষয় অন্তৰৰ পৰা সৃষ্টি হোৱা বিষয়। সেয়া ওজাই অন্তৰেৰে উপলব্ধি কৰিব পাৰিছিল। সাহিত্যৰ পৰা আৰম্ভ কৰি সাংস্কৃতিক ক্ষেত্ৰৰ উপৰি আন ক্ষেত্ৰতো তেওঁ যথেষ্ট অৱদান আগ বঢ়াই যোৱা ব্যক্তিজনে যদিও আজি আমাৰ মাজত নাই, তথাপি তেওঁৰ সৃষ্টিৰাজিয়ে সকলোৰে মাজত সজীৱ কৰি ৰাখিছে। অসমৰ বিভিন্ন ঠাইলৈ গৈ ৰত্ন ওজাই মানুহৰ মন বুজিবলৈ চেষ্টা কৰিছিল। অতি ভিতৰুৱা অঞ্চললৈকে গৈ বিভিন্ন ক্ষেত্ৰত আলোচনা কৰিছিল। সেইবাবে মৃত্যুৰ পাছতো ওজাৰ নাম সকলোৰে মনত সজীৱ হৈ আছে। আটাইতকৈ ডাঙৰ কথাটো হ'ল— কেতিয়াও কাকো খং কৰা নাছিল। সদায় মুখত হাঁহিটো বিৰিঙি আছিল। হাঁহিমুখেৰেই সকলোকে সম্ভাষণ জনোৱা ওজাৰ যদি কাৰোবাৰ কামৰ ওপৰত খঙো উঠিছিল তেওঁ নিজৰ খংটো দ'মাই ৰাখিহে কথোপকথন হৈছিল। আনজনে গমেই নাপাই যে ওজাই তেওঁৰ ওপৰত



খৰ্গহস্ত হৈছে। সাধাৰণতে সমাজত এনেধৰণৰ লোকৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা বিধৰ। সমাজত এনে ব্যক্তিত্বসম্পন্ন লোকৰ খুবেই প্ৰয়োজন।

**গোপাল জালান**

ৰত্ন ওজাই নিয়মানুবৰ্তিতা ৰক্ষাৰ ওপৰত সদায় গুৰুত্ব প্ৰদান কৰিছিল। তেওঁ সদায় সময়ৰ কাম সময়মতে কৰিবলৈ চেষ্টা কৰিছিল। কাৰোবাক যদি কিবা কাম কৰিবলৈ দিব বুলি কৈছিল, সেয়া সময়মতে সম্পাদন কৰাটো আছিল ওজাৰ কামৰ নিদৰ্শন। মিছা কথাৰ আশ্ৰয় লোৱাসকলৰ পৰা সদায় সাত খোজ আঁতৰত থকা ওজাক যদি কোনোবাই কামৰ ক্ষেত্ৰত ফাঁকি দিছিল, তেতিয়া তেওঁৰ স'তে দ্বিতীয়বাৰ কাম কৰাৰ আগ্ৰহ প্ৰকাশ কৰা নাছিল।

তদুপৰি তেনে লোকক ওজাই কেতিয়াও তেওঁৰ কামৰ মাজত সোমাবলৈ প্ৰশ্ৰয় দিয়া নাছিল। যদিও তেওঁ কাকো খং কৰা নাছিল, তথাপি সময়মতে কাৰ্য সম্পাদনৰ ক্ষেত্ৰত কোনোবাই গাফিলতি কৰিলে কঠোৰ নোহোৱাকৈ নাছিল।

যিকোনো কামত সন্মুখৰ পৰা নেতৃত্ব দিব পৰা গুণ আছিল ৰত্ন ওজাৰ। সেইবাবে তেওঁৰ নেতৃত্বত কাম কৰাত কাৰো আপত্তি নাছিল। যদি কেতিয়াবা কোনো অনুষ্ঠান বা কামৰ বাবে নেতৃত্ব লোৱা নামটো ৰত্ন ওজা বুলি প্ৰস্তাৱ উত্থাপন কৰে, তেনেহ'লে কোনোবাই ইয়াৰ বিৰোধ কৰা মনত নপৰে। তেওঁৰ মতে বিভিন্ন সামাজিক, সংস্কৃতিক কামত বহু ঠাইলৈ গৈছো। একেলগে কাম কৰিছিলো। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল ৰত্ন ওজাই যিকোনো কামৰ সুপৰিকল্পনা কৰিব পাৰিছিল। যিকোনো কামৰ পৰিকল্পনা ৰচনা কৰাৰ পূৰ্বে ওজাই প্ৰায়ভাগ লোকৰ স'তে বিষয়সমূহ খৰচি মাৰি আলোচনা কৰিছিল।

বক্তা হিচাপে ৰত্ন ওজা আছিল সকলোৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু। যিকোনো সাংস্কৃতিক, সামাজিক বিষয়ত তেওঁ সাৱলীলভাৱে বক্তৃতা দিব পাৰিছিল। তেওঁৰ বক্তৃতা আদিত কেতিয়াও পক্ষপাতিত্বমূলক মনোভাব প্ৰকাশ পোৱা নাছিল। তেনে মানসিকতা নথাৰ বাবে যিকোনো সভা-সমিতিত তেওঁৰ ভাষণ শ্ৰোতা ৰাইজে বৰ মনোযোগেৰে শুনিছিল। তদুপৰি তেওঁ যিকোনো বিষয় খৰচি মাৰি অধ্যয়ন কৰিছিল। কোনোবাই যদি নতুন বিষয় তেওঁৰ আগত কয় সেয়া অতি মনোযোগেৰে শুনিছিল। তদুপৰি কিতাপ আদি দিলেও অতি আগ্ৰহেৰে পঢ়িছিল। গতিকে এনে এজন গুণসম্পন্ন লোকক আমি যদি অতি সোনকালে পাহৰি যাওঁ, তেনেহ'লে তেওঁৰ প্ৰতি অকৃতজ্ঞতাহে প্ৰকাশ কৰা হ'ব।

অসমীয়া জাতি-মাটি-ভেটিৰ হৈ সততে মাত মাতি অহা ওজাদেৱলৈ সততে মনত পৰে। অসম আৰু অসমীয়াৰ স্বাভিমানত কোনোবা অপশক্তি বা দুষ্কৃতিকাৰীয়ে কুঠাৰঘাত কৰিব খুজিলে নৰিয়া দেহাৰেও ওলাই আহিছিল। অসম আৰু অসমীয়াত্ব তেওঁৰ সিৰাই সিৰাই প্ৰবাহিত হৈ থকাৰ কথা তেওঁৰ ৰচনাৱলী অধ্যয়ন কৰিলেই আজিৰ প্ৰজন্মই জানিব পাৰিব। অসম প্ৰকাশন পৰিষদে তেওঁৰ ৰচনাৱলী প্ৰকাশ কৰিছে। দীৰ্ঘদিন সুধাকণ্ঠৰ সংগী হৈ থকাৰ ফলতো তেওঁৰ সৃষ্টিকৰ্মত ভূপেন হাজৰিকাৰ প্ৰভাৱ পৰিছিল। ব্যক্তি-জীৱনতো সেয়েহে হয়তো সাধাৰণ মানুহৰ আপোন হৈ পৰিছিল।

সাহিত্য সৃষ্টিৰ ক্ষেত্ৰতো তেওঁ পিছ পৰি থকা নাছিল। বিশেষকৈ সাংস্কৃতিক বিষয়, শিশুসকলৰ বাবে লিখা সকলোবোৰ লেখনি পাঠকৰ ববে মনোগ্ৰাহী। তেওঁৰ লেখাসমূহত সূক্ষ্ম বিশ্লেষণত সদায় গুৰুত্ব আৰোপ কৰিছিল। অসমীয়া ভাষা-সাহিত্যলৈ তেওঁ যি বৰঙণি আগবঢ়াই গৈছে তাৰ বাবে চিৰদিন স্মৰণীয় হৈ ৰ'ব।

ফোন ঃ ৯৪৩৫১-০৩৯৭৭

---

আজি আমাৰ প্ৰায়বোৰ শৈশৱৰ সোণসেৰীয়া গাথাবোৰ সোঁৱৰণীৰ বুকুত জাহ যাবলৈ ধৰিছে। জুহালত বহি জুইৰ উত্তাপত বিভিন্ন দেহৰ বিষ উপশম ঘটোৱাবোৰ। হাঁহি আনন্দবোৰ বিয়পি পৰিছিল এখন হৃদয়ৰ পৰা আন এখনলৈ। ঘূৰি আহক যেন সুখৰ দিনবোৰ, জ্বলি থাকক হেঁপাহৰ জুইকুৰা, শুৱনি হওক অসমীয়াৰ জুহাল

# শীতৰ জুহালৰ আনন্দৰ উত্তাপ

**জুহাল** আমাৰ অসম আৰু অসমীয়াৰ এক অভিন্ন সম্পৰ্ক। যি শীতৰ ঠেঁটুৰৈ লগা জাৰত আনি দিয়ে উমাল উত্তাপ। গ্ৰাম্য জীৱনত বিশেষকৈ জুহালৰ অতি মহত্ত্ব আছে যাক আমি কোনো মূল্যৰ বিনিয়ত ক্ৰয় কৰি সেই নিভাঁজ আনন্দৰ ভাগ বিচাৰি নাপাওঁ। পুহমহীয়া জাৰত শুই উঠিয়ে জুইকুৰা ধৰা হয় ,যিহেতু তাৰ পৰা আৰম্ভ হৈ দৈনন্দিন জীৱনৰ অসমাপ্ত কৰ্মৰ তালিকাখন। পুৱাই এচৰু গৰম পানীৰে জুহালৰ তিনিঠেঙীয়া জাকিৰ ওপৰত তুলি দিয়া হয় যাতে ঘৰৰ সৰু বৰ সকলোৱে পুহৰ বৰফসদৃশ পানীখিনিৰ পৰা বিৰত থাকি গা-মুখ ধুব পাৰে। তাৰ লগে লগে কলীয়া ফিকা চাহৰ কেটেলিটোৰে শুৱনি কৰেহি সেই জুহালৰ আসন। কোনোবা আকৌ বাহিৰৰ ইটো সিটো কাম সামৰি এপাকত দৌৰ মাৰি আহি পুনৰ জুহালত আহি অৰ্ধচেতন হাত দুখন জুইৰ তাপেৰে সেকি চেতনা ঘূৰাই আনে। জুহালৰ ওচৰত বহিলে নালাগে উমাল কাপোৰ, প্ৰকৃতিপ্ৰদত্ত নিভাঁজ উমেৰে উমাল কৰি সমগ্ৰ দেহত নিলগাই শীতৰ জঠৰতা। চহা জীৱনৰ হেঁপাহৰ চাহকাপ, অমৃতসম জলপানৰ বাতিটো সকলো জুহালৰ আখলৰ সৃষ্টি।



শৈশৱৰ জুহালৰ আনন্দবোৰ আজিও বিচাৰি চাওঁ, ক'ত হেৰাল সেই আপুৰুগীয়া ৰঙীণ জুহাল। বৈদ্যুতিন মাধ্যমৰ প্ৰসাৰতাত লুপ্ত হৈ পৰিব নেকি আমাৰ পৰম্পৰা আৰু নিজৰ সংস্কৃতিৰ বৰপেৰা। এদিন হয়তো সাধুকথাৰ দৰে ক'ব লাগিব আমাৰ নতুন প্ৰজন্মক। সেই জুহালৰ ওচৰত বহি ধোঁৱা ভজা, চিৰা-মুৰীৰ সোৱাদ লৈ সহোদৰৰ স'তে খোৱা কামোৰা কৰা নিষ্পাপ ধেমালিবোৰ। আইৰ পুৰি দিয়া গুটি আলুৰ স'তে কণ বেঙেনাৰ পিটিকা খাই স্কুললৈ যোৱাৰ অকৃত্ৰিম সোৱাদ সম্ভাৰৰ কথা।

আজিও জিভাৰ মূৰত লাগি আছে তথাপি নাপাওঁ সেই নিভাঁজ আনন্দ। জুহালৰ সেই ৰঙীণ জুইকুৰাৰ পৰশত ৰঙীণ হৈ পৰে সকলোৰে মন গহন।

জুহালত সকলো একেলগে বহিয়ে গোটেই ঘৰৰ দিনটোৰ কাৰ্যক্ৰমণিকা প্ৰস্তুত হয়।

আজিও ৰিঙিয়াই সেই শৈশৱৰ শীতৰ আনন্দবোৰ, বিশেষকৈ পুহত সকলো বিদ্যালয়ৰ বাৰ্ষিক পৰীক্ষাবোৰ অন্ত পৰিছিল, পৰীক্ষাৰ শেষৰ দিনৰ পৰা আমাক কোনে পায় অবাধ গতিত বিচৰণ কৰো এই পথাৰ, এই বগৰী গছৰ তল, এই নদীৰ পাৰ মুঠৰ ওপৰত আমি মুক্ত বিহংগ। পথাৰৰ ধান দাই দাৱনীৰ চকুৰ আঁৰত থাকি যোৱা লেছেৰি বুটলি মোনা এখনত ভৰাই যাওঁ বগৰী বুটলিবলৈ, কাঁইটৰ আঁচোৰ খাই সন্ধিয়া যেতিয়া ঘৰত সোমাওঁ আয়ে লৈ আহে জুহালত তপতাই থোৱা এবাল্টি পানী। নৰাণীয়ে কটা অংশত চেকচেকনি সহিব নোৱাৰি গগন ফলা চিঞৰ শুনি ভৰি ধুৱাই জুহালত বহাই লৈ আইৰ হাতৰ তলুৱাত এচলু খাঁটি সৰিয়হৰ তেল সানি জুইত নিজৰ হাতখন তপতাই হাতে ভৰিয়ে ঘঁহি দিয়ে। কেতিয়াবা বাৰুকৈয়ে অনুভৱ কৰো ঘৰুৱা স্বাস্থ্যৰ আপুৰুগীয়া যতনবোৰ।

**দেৱীনা পামেগাম পেগু**

বৰ্তমান নেদেখো অতি দুৰ্লভ হ'ল সেই নিবিড় মুহূৰ্ত য'ত ককা-আইতাই জুহালত বহি পোৱা মাংস, মাছ খৰিকাত দি, বইল সৰিয়হৰ শাকত গুৰি জলকীয়া সানি অতি তৃপ্তিৰে আপঙৰ বাট তুলি গাল ৰাঙলী কৰা দিনবোৰ। সকলো আধুনিকতাৰ কবলত হেৰাই যাব ধৰিছে এটি এটি মহামিলনৰ মধুৰ মুহূৰ্তবোৰ ।

আজি আমাৰ প্ৰায়বোৰ শৈশৱৰ সোণসেৰীয়া গাথাবোৰ সোঁৱৰণীৰ বুকুত জাহ যাবলৈ ধৰিছে। জুহালত বহি জুইৰ উত্তাপত বিভিন্ন দেহৰ বিষ উপশম ঘটোৱাবোৰ। হাঁহি আনন্দবোৰ বিয়পি পৰিছিল এখন হৃদয়ৰ পৰা আন এখনলৈ। ঘূৰি আহক যেন সুখৰ দিনবোৰ, জ্বলি থাকক হেঁপাহৰ জুইকুৰা, শুৱনি হওক অসমীয়াৰ জুহাল। ভোগৰ দিনবোৰ জুহালত বহি উপভোগ কৰক প্ৰতিদিনে আপোন মানুহৰ স'তে হাঁহি-আনন্দৰ ন সম্ভাৰেৰে চিৰদিন চিৰকাল। বিলীন হওক জুহালৰ জুইৰ উত্তাপৰ স'তে দেহ-মনৰ জঠৰতা, উপশম হওক সকলো বিষৰ উপসৰ্গ। কঢ়িয়াই আনক নতুন দিনৰ ন উদ্যম। *ফোন ঃ ৯৮৬৪১৬৮৮৬২*

---

**জাতীয় অভিধান-জাতীয় ইতিহাসৰ যৌথমঞ্চ**

## শৰৎ চন্দ্ৰ পাটৰ আমছিৰ 'তেউমাংথা'ত পুনৰ ৰজনজনালে ফুলগুৰিৰ ধেৱাৰ বিদ্ৰোহী আৱাজে !

# আন্দামানৰ পৰা আহি পালে বাহু কৈৱৰ্ত, চাংবৰ লালুং! আহি আছে লক্ষণসিং সেনাপতি, ৰবৰ লালুং, বনমালী কৈৱৰ্তৰ দল !

1861 চনৰ ফুলগুৰিৰ ধেৱাৰ কৃষক বিদ্ৰোহৰ সম্পৰ্কে ৰচিত শৰৎ চন্দ্ৰ পাটৰ আমছিৰ 'তেউমাংথা' উপন্যাসত এনেকৈ পঢ়িবলৈ পালোঁ ঃ

"...'ঙা'... এইটো ঙা, ঙা,...পৰালি!

জ্যনাই আনন্দতে কিৰিলি পাৰি জপিয়াই উঠিল।

লখটে তৎক্ষণাত পানীত জাপ দিলে। কলমটিয়া-কলমটিৰে পানীমেতেকা তল-ওপৰ কৰি থকা ঙা টো দুই হাতে গপা মাৰি ধৰিলে।

ৰ'বা, ৰ'বা, ময়ো গৈছোঁ!

জ্যনাই ভয়ে ভয়ে এবুকু পানীত নামিল। 'ঙা' পৰালিকিজানে ফিচাৰ ফালে ভালদৰে সাৱটি ধৰিলে।

কিলিং কপিলী নদীৰ পৰিত্যক্ত অংশ চ্যনাই বিল।

ৰজাৰ হুকুমত ক'বা ৰাজ্যৰ প্ৰজাগণে অলপ আগতে চ্যনাই বিলত মাছ ধৰি ঘৰমুৱা হৈছিল। তাৰ কিছু সময়ৰ পিছত মুক্ত পখিলাৰ দৰে দুটি শিশুৱে বিলৰ পাৰত খেলি আছিল। হঠাৎ এটা বৰালি মাছ দেখি মাছ ধৰাৰ হেঁপাহত বিলৰ পানীত নামি পৰিল। এবুকু পানী-বোকাৰ পৰা হেপু-তেপু কৰি শিশু দুটিয়ে মাছটো বিলৰ পাৰত, মেতেকাৰ দমত উঠালে।

অক্লান্ত শ্ৰম, ভাগৰ পৰিহাৰ কৰি সৰগ পুৰি অনাবিল বিমল আনন্দত দুয়ো কিৰিলি পাৰি হাঁহিলে। হাঁহিৰ খিলখিলনিত চ্যনাই বিলৰ পানী খলকনিৰে ঢৌ খেলি গ'ল। দুয়োৰে চাৰি চকুত অনন্ত, অপ্ৰকাশ্য এক সৰগী প্ৰেমৰ আভা ভাঁহি উঠিল। ক'ত আছে, কি কৰি আছে সকলো পাহৰি চ্যনাই বিলৰ পাৰত শিশু দুটিয়ে দুয়ো দুয়োৰে চকুলৈ চাই ৰ'ল।

কপিলী কিলিং নদীৰ দক্ষিণ-পশ্চিম দিশ।

পাহাৰীয়া দঙৰ জলধাৰ, গছ-বননিৰে পৰিবৃত আৰু পুষ্প-কাননৰে পৰিশোভিত মনোৰম ঠাই। মালয় ফৈদৰ ৰাজ পৰিয়ালৰ পাৰিবাৰিক সংঘাত হোৱাত বন্দোৰা ৰাজ্য পৰিত্যাগ কৰি প্ৰজাগণৰ সমন্বিতে ক'বা নামৰ মনোৰম ঠাইত ৰাজ্য স্থাপন কৰিলে।

ৰাজ কাৰ্যত সঘনে অমংগল, অঘটন ঘটিবলৈ ধৰে।

দলৈয়ে মঙল চায়।

ৰাজ্যত অমংগল হৈছে। ৰাজমৈত্ৰীৰ মঙ্গলাচৰণ সভাৰ প্ৰয়োজন বুলি ঘোষণা কৰিলে। ক'বা ৰজাই ৰাজমৈত্ৰীৰ সভা আহ্বান কৰিলে। প্ৰজাৰ মঙ্গলাৰ্থে ক'বা ৰাজ্যত ৰাজমৈত্ৰী মহাসভা। জয়ন্তা, খৈৰাম, নেলী, খলা, চহৰী আদি ৰাজ্যৰ ৰজাবৰ্গ ৰাজমৈত্ৰী সভাত উপস্থিত। ৰাজমৈত্ৰী মঙ্গলাচৰণ সভাৰ মঙ্গলাচৰণে ৰজা-প্ৰজাগণক ধন্য কৰিলে।

ক'বা ৰাজ্যৰ তমাচি পিছু!

পাহাৰ ভৈয়াম সম্প্ৰীতিৰ পিছু!

ৰাজকীয় পিছু! পিছুৰ পৰম্পৰা, ৰীতি-নীতি, তেউ পূজাৰ, তেউশাল, জংখংশালি আদি সকলো থান-থলি চাফ-চিকুনেৰে পৰিপাটি কৰি, আটক ধুনীয়াকৈ সজাই-পৰাই তুলিবলৈ হাদাৰি দলৈ সকলো ব্যস্ত। বিলত মাছ ধৰিবলৈ মাছ ধৰা সঁজুলি-জাল, পল', জাকৈ, খালৈ, জুলুকি আদি তৈয়াৰ কৰাত মুনিসকল ব্যস্ত। খৰলা,

**দ° দেৱব্ৰত শৰ্মা**

পোৱাৰীসকলে পিছুৰ বাবে প্ৰয়োজনীয় নতুন কাপোৰ পিছুৰ আদৰণীয় কামছাত ফুলৰ চানেকি বাচি তাঁতশালত বুই উলিওৱাত ব্যস্ত। অন্যান্য সকলে নিজৰ ঘৰখন নতুন পৰিবেশেৰে ধুনীয়াকৈ সজোৱা, খেতিৰ উৎপাদিত সম্বলেৰে নানা তৰহৰ খাদ্য প্ৰস্তুত আৰু সংগ্ৰহ কৰাত প্ৰজাগণ সদাব্যস্ত।..."

এনেকৈয়ে লেখকে তিৱা উচ্চাৰণেৰে সৰলীকৃত অসমীয়া বানানেৰে, তিৱাপ্ৰতিৱামিজ ব্যৱহাৰেৰে ফুলগুৰিৰ ধেৱাৰ নায়ক লক্ষণ সিং সেনাপতিৰ শৈশৱৰ বৰ্ণনা পাগত তুলিছে। তিৱা জনজীৱনৰ ৰেহৰূপ ফুটি উঠা বৰ্ণনা লেখকে এনেকৈ আগবঢ়াইছে ঃ

"...জুহালৰ জুইত গাহৰি মাংসৰ চুঙা, শাৰি শাৰিকৈ গাহৰি মাংসৰ কাঠিসমূহ পকা আঙঠাৰ সিকত আছে। দুয়ো জুহালত বহি চিকাৰত হৰিণ দুটা কেনেকৈ জপিয়াই জাল পাৰ হৈ চঙৰ পৰা পলাল আদি কথাবোৰ আলোচি আছে। চুমাগ্ৰাৰ টাৰণটো লৈ মৈৰাৰ মাকে দুয়োৰে কাষত খামলি এখনতে বহিল।

জুইৰ সেক লৈ টাৰণৰ পৰা দুয়োৰে চুঙাত চুমাগ্ৰা ঢালি দিছে। সিকত দিয়া গাহৰি মাংসৰ কাঠি দুয়ো দুডাল লৈ খোৱা-পিয়াৰ লগতে চিকাৰত গাহৰিটোৱে লখটসিঙৰ চুৰিয়াখন কেনেকৈ কামুৰি ফালিছিল, মৈৰাই মাংথাৰে প্ৰচণ্ড প্ৰহাৰ নকৰা হ'লে পিন্ধনৰ চুৰিয়াখনকে গাৰ পৰা খুলি নিলে হয়- চুৰিয়াখন খুলি যোৱা হ'লে কি ৰূপে দেখা দিলে হয়... তাকে কৈ কৈ দুয়ো ঢেক-ঢেকাই হাঁহিলে। চুমাগ্ৰা এঢুক পাণ কৰি মৈৰাৰ মাকে সিহঁতৰ কথা-বচনত ভাগ ল'লে।..."

ফুলগুৰিৰ ধেৱাত কৈৱৰ্তসকলৰো যে যোগদান আছিল, সেই কথা এনেকৈ পাওঁ ঃ

"...নদীৰ কাষত বসবাস কৰা নদীয়ালসকলৰ মেলতো ইংৰাজৰ অত্যাচাৰ, অনাচাৰ, বয়-বস্তুৰ চৰা দামৰ বিষয়ে আলোচনা হয়। পোহাৰিসকলৰ পোহাৰি মেলত ইংৰাজৰ কু-শাসনৰ বিষয়ে আলোচনা হয়। মুদৈ, সাউদসকলেও নদীৰ ঘাটত হাটে-বাবে নৈমত্তিক ব্যৱহাৰ্য বয়-বস্তুৰ চৰা দামৰ বিষয়ে ৰায়তৰ লগত মত বিনিময় কৰিলে।..."

লক্ষণসিং সেনাপতিৰ বল-বিক্ৰমৰ প্ৰকাশ চাওক ঃ

"...মেলৰ ৰায়-কৌশল আৰু শক্তি প্ৰদৰ্শনৰ আঁত ধৰি টোপাকুঞ্জি ৰজাই জপিয়াই কাকিনি তামোল গছৰ থুৰি পাত ঢালৰ চাতত চিঙি দেখুৱালে। মেলত



উপস্থিত থকা প্ৰতি ৰাজ্যৰ ৰণুৱাই এজন এজনকৈ বল শক্তি আৰু ৰণ কৌশল প্ৰদৰ্শন কৰি দেখুৱালে। পাঁচোৰজীয়া, টোপাকুঞ্জি ৰাজ্যৰ ৰজাৰ সেনাপতি, কটহগুৰি গাঁৱৰ কুলাচিং সেনাপতিৰ পৰিয়ালৰ লখটসিঙে ৰণ কৌশল আৰু বল শক্তি প্ৰদৰ্শন কৰিবলৈ আগবাঢ়িল। ফা মহাতেউ প্ৰদত্ত সাত হাত দীঘল মাংথা আৰু ৰাজপ্ৰদত্ত লাংখুই হাতৰ পৰা অৰ্ধনমিত কৰি ৰাজমৈত্ৰীক ভক্তিৰে সেৱা আগবঢ়ালে। পূবমুৱা হৈ ইষ্ট দেৱতা চাৰিভাই চাৰিকৰাক হাতযোৰ কৰি স্তুতি প্ৰাৰ্থনা কৰিলে। হাতত মাংথা লৈ ঘূৰোৱাই গা বচাবলৈ এনেধৰণে কৌশল দেখুৱালে যাতে খাংৰা, যাঁঠি, কাৰফাই মাৰিলেও গাত বিন্ধাব নোৱাৰে। জপিয়াই লাংখুইৰে দবোৱা তামোল গছৰ আগথুৰ চিঙিলে। পেলাই থোৱা সাত তৰপ ভীম কলগছ লাংখুইৰে একে ঘাপত দুচেও কৰি শক্তি প্ৰদৰ্শন কৰি দেখুৱালে।

এনে বল শক্তি আৰু কৌশলপূৰ্ণ প্ৰদৰ্শন দেখি চ্যনাই বিলৰ উৎসৱ উদযাপক গোভা ৰজাই থিয় হৈ উদাত্ত কণ্ঠে ৰায় দিলে- 'লখট লালুঙক তেৱাৰ সেনাপতিৰ দায়িত্ব অৰ্পণ কৰা হওক।' লগে লগে ৰজাৰ ৰাজ বিষয়া, ৰণুৱা, প্ৰজাবৰ্গই হৰ্ষধ্বনিৰে ৰায় প্ৰদান কৰিলে। লখটসিং লালুঙৰ নাম তেৱাৰ সেনাপতি লক্ষণসিং লালুং হ'ল।..."

**ফুলগুৰি ধেৱা আৰু লক্ষণসিং সেনাপতিৰ নেতৃত্ব**

"...স্বদেশক ভালপোৱা অন্যান্য জাতি-জনগোষ্ঠীৰ সংগ্ৰামী জনতাই স্বতঃস্ফূৰ্তভাৱে আহি ফুলগুৰিৰ তিনিজোপা বৰ আহঁত গছৰ তলত সমবেত হ'ল। আঁহতৰ তলত তিনিজুম হৈ স্কনচ চাহাব অহালৈ বাট চাই ৰ'ল। প্ৰতিজন সংগ্ৰামী ৰণুৱাৰ হাতত একোডালকৈ মাংথা আছে। তেৱাৰ প্ৰয়োজনীয় আহিলাসমূহ গোপন স্থানত ৰাখিলে।

কৌশলী, অত্যাচাৰী স্কনচ চাহাব নাহিল। জিলাৰ নৱনিযুক্ত লেফটেনেন্ট চিংগাৰ চাহাবে লগত জেল-দাৰোগাৰ পল্টন, মহৰি, চিপাহী, বৰকান্দাজ সহিতে হাতীত উঠি বহু পলমকৈ ফুলগুৰিত উপস্থিত হয়।

পহনা শুনাটো দূৰৈৰ কথা, সংগ্ৰামী জনতাৰ হাতে হাতে মাংথা লৈ জুম বান্ধি থকা দেখি চিংগাৰ চাহাবৰ ভীষণ খং উঠিল। চিপাহী বৰকান্দাজসকলক ৰায়তৰ হাতৰ পৰা মাংথাবোৰ কাঢ়িবলৈ হুকুম দিলে আৰু নিজেও মাংথাবোৰ কাঢ়িবলৈ আৰম্ভ কৰিলে। ৰায়তে অপমান লজ্জাবোধ কৰি খঙত জ্বলি উঠিল। লক্ষণে মাংথাৰ চিংগাৰ চাহাবৰ মূৰত প্ৰচণ্ড আঘাত সোধোৱাৰ লগে লগে চাংবৰ, মৈৰাসিং আদিসকলেও চিংগাৰ চাহাবক টঙনিয়াবলৈ আৰম্ভ কৰিলে। চিংগাৰ চাহাব মাটিত ঢলি পৰিল আৰু চাংবৰ সহিতে ক্ষুব্ধ জনতাই তেওঁক টানি চোঁচৰাই নি কলং নদীত পেলাই দিলে। লগৰ চিপাহী, বৰকান্দাজসকল ভয়তে ঘোঁৰাত উঠি নগাঁৱলৈ পলাই গ'ল। ক্ষুব্ধ জনতাৰ ৰণচণ্ডী মূৰ্তি।..."

**ফাঁচিৰ কাঠত লক্ষণসিং; আন্দামানত বাহু-চাংবৰ**

"...অসমৰ আকাশ-বতাহ গুমা হৈ পৰিল। ন্যায়-সত্যৰ পথেৰে স্বদেশক ভাল পোৱা জাতিসত্বাবোধ, সচেতক বীৰ যোদ্ধা ফুলগুৰি তেৱাৰ সেনাপতি লক্ষণসিং লালুং সমন্বিতে তিনিজনক নগাঁৱৰ জেলতে সশ্ৰম কাৰাদণ্ডেৰে দণ্ডিত কৰি ফাঁচিকাঠত ওলমালে। কৌশলী যোদ্ধা চাংবৰ লালুং, বাহু কৈৱৰ্ত, বনমালী লালুং আদি আঠজনক বগা বঙালে অতি কৌশলেৰে চাকনৈয়াত সৰাপাতবোৰ পাকঘূৰণি খাই উৰি উৰি সিঁচৰতি হৈ পৰাৰ দৰে স্বদেশক ভাল পোৱা জাতিসত্বাবোধক সিঁচৰতি কৰি সুদূৰ আন্দামান দ্বীপৰ কালকুতৰিলৈ দ্বীপান্তৰিত কৰিলে।..."

**আন্দামানৰ পৰা ঘূৰি আহিল চাংবৰ!**

"...ভা..বু..লী..ৰ ঘৰ কোনটো বা!

পদূলি মূৰত নাৰিকল গছৰ তলত বহি থকা পকামূৰা বুঢ়াজনক চাংবৰে সুধিলে।

ভাবুলী..ভাবুলী..? কোন তই? কাৰ ঘৰ বিচাৰিছ?

ভাবুলীৰ ঘৰ.. মই চাংবৰ।

চাংবৰ! কোন চাংবৰ। এপলক মৌনতাৰে ভাবি..

অ.. যুদ্ধলৈ গৈ মৰা আমাৰ গাঁৱৰ চাংবৰ লালুং.. তই?

অ.. ম..মই... চাংবৰ লালুং, ফুলগুৰি তেৱালৈ যোৱা চাংবৰ লালুং।

চাংবৰ লালুং..। ম.. মই.. জেংবৰ...চাংবৰ মই জেংবৰ, তই তেতিয়াহ'লে মৰা নাই চাংবৰ।

নাই... নাই... মৰা জেংবৰ... মই জীয়াই আছোঁ।

দুয়ো দুয়োকে সাৱটি ধৰিলে।..."

ঘূৰি আহিল বাহু কৈৱৰ্তও। আমি লিখিছিলোঁ কেৱল চাংবৰেই অহা নাছিল ঃ

**"৫২ বছৰ পাচত বাহুৰ পুনৰ আৱিৰ্ভাৱ!**

পৰিও নপৰা মৰিও নমৰা অসমীয়া কৃষকৰ বিদ্ৰোহী-ঐতিহ্যৰ পুনৰ প্ৰমাণ দি, সেই শতিকাৰে 1806 চনত মাত্ৰ সামৰনি পৰা ঐতিহাসিক মোৱামৰীয়া বিদ্ৰোহৰ মেজাজক প্ৰবলভাৱে পুনৰুজ্জীৱিত কৰি 1861 চনৰ পৰা সুদীৰ্ঘ 52 বছৰ পাচত আন্দামানৰ পৰা অসমলৈ বংগোপসাগৰ বৈতৰণী পাৰ হৈ পুনৰ ঘূৰি আহিল বাহু কৈৱৰ্ত। ঘটনাৰ বিৱৰনি অনুসৰি ঃ

'বাহুৱে মাতৃভূমিক অতিকৈ ভাল পাইছিল কাৰণেই হ'বলা 1913 চনত প্ৰথম মহাসমৰৰ আগে আগে, ফুলগুৰি বিদ্ৰোহৰ প্ৰায় 52 বছৰৰ পিচত তেওঁ আন্দামানৰ পৰা আহি পুনৰ নগাঁও পোৱাত মানুহ অতি আচৰিত হৈছিল। সেই সময়ত 'এমদেন' নামৰ জাৰ্মান জাহাজ এখনে অন্যান্য বহুত সমৰ্থবান আন্দামানত দ্বীপান্তৰী হৈ থকা ভাৰতীয় লোকেৰে সৈতে বাহু কৈৱৰ্তকো ভাৰতভূমিত এৰি দি যায়হি। জাৰ্মানসকলে প্ৰথম মহাসমৰৰ আগে আগে সমগ্ৰ পৃথিৱী জয় কৰিবৰ কাৰণে যি ফন্দী পাতিছিল তাৰ ফলস্বৰূপেই দ্বীপান্তৰী হৈ শোকে ক্ষোভ আন্দামানত থকা ভাৰতীয়সকলক মুক্তি দিবৰ অভিপ্ৰায়ে সমৰ্থবান বন্দীসকলৰ এক ডাঙৰ অংশ বংগোপসাগৰ পাৰ কৰি ভাৰতলৈ পঠাই দিছিল। বাহুও সৌভাগ্যবশতঃ তেওঁলোকৰ মাজতে আহি নগাঁও পাইছিলহি। তেওঁক তেতিয়াই হৃষ্টপুষ্ট আৰু ৰঙিয়াল দেখা গৈছিল। তেওঁ আহিহে কলীয়াপানীৰ বিষয়ে প্ৰথমতে নগএগ্ৰা ৰাইজক সবিশেষ কয়হি। বাহুৱে দেউবালি গাঁৱৰ পৈত্ৰিক ভেটিতে বসবাস কৰি পুনৰ বিয়াও কৰায়। তেওঁ 1923û24 চনত প্ৰায় 90 বছৰ বয়সত মৃত্যু হয়।' (**ফুলগুৰিৰ ধেৱা**, পৃ. 74–75)

'*দলিত জনৰ বিস্মৃত ইতিহাস কৃষক-বিদ্ৰোহী নায়ক বাহুবলী কৈৱৰ্তক সুঁৱৰি*, **দৈনিক জনমভূমি**, 24û10û2006'

সেয়েহে কৈছোঁ ফুলগুৰি ধেৱাৰ নায়ক-নায়িকাসকল সদলবলে আহি আছে।

লেখক **অসমীয়া জাতীয় অভিধান** তথা জাতীয় ইতিহাসৰ মুখ্য সম্পাদক

ফোন ঃ 9435351255

ৰাজ্যত নিতৌ বৃদ্ধি পাইছে অপৰাধজনিত ঘটনা। এই অপৰাধসমূহ নিয়ন্ত্ৰণত অসম আৰক্ষী ব্যৰ্থ হোৱাৰ অভিযোগ সঘনাই উত্থাপিত হৈছে। আৰক্ষীৰ জিম্মাৰ পৰাই পলায়ন কৰিবলৈ সক্ষম হয় দুৰ্ধৰ্ষ অভিযুক্ত। বহুসময়ত এনেদৰে পলায়ন কৰা অভিযুক্তক গুলীয়াই হতাহত কৰি সফলতাৰ কৃতিত্ব ল'বলৈ তৎপৰ হয় আৰক্ষী। এই সমস্ত প্ৰেক্ষাপটত প্ৰকৃতাৰ্থত আৰক্ষী সফল নে বিফল? এই সম্পৰ্কীয় বিভিন্নজনৰ মতামতৰে আজিৰ এই প্ৰতিবেদন।

*শিতান যুগুতাইছে— চেমিম চুলতানা আহমেদ। সহযোগিতাত—নয়ন কুমাৰ শৰ্মা, অৰূপ কলিতা।*

# আৰক্ষী সফল নে ব্যৰ্থ?

## অভি-নীল, ঝংকাৰ, অনিমেষ, বীৰুবালা, ফেক এনকাউন্টাৰ ইত্যাদি



■ **ৰাজীৱ গোঁহাই**, অধিবক্তা

**আজি** কিছুদিন আগতে যোৰহাটৰ ৰাজপথত আৰক্ষী থানাৰ পৰা নাতিদূৰৈত অনিমেষ ভূঞা নামৰ এজন ডেকা ল'ৰাক কোনো বিশেষ কাৰণ নোহোৱাকৈ প্ৰায় ৫০জন মান উন্মত্ত নৰৰূপী অসুৰে মৰিয়াই মৰিয়াই হত্যা কৰে। এক হৃদয় বিদাৰক দৃশ্য। দৃশ্যবোৰ দেখিলে, ৰাজপথ ৰাঙলী কৰা ছবিয়ে যিকোনো দানবৰো হয়তো পাষাণ হৃদয় গলাই তুলিব। সাংস্কৃতিক নগৰী খ্যাত যোৰহাটত যোৱা তিনি বছৰত তিনিটাকৈ এনেধৰণৰ গণহত্যা বা ঘটনা সংঘটিত হৈছে। প্ৰথমে ডাঃ দেবেন দত্ত, দ্বিতীয়তে, দেবাশীষ গগৈ আৰু কিছুদিন আগতে অনিমেষ ভূঞা। অনুৰূপভাৱে অভি-নীল হত্যাকাণ্ড, ঝংকাৰ হত্যা কাণ্ডৰ ছবি আমাৰ চকুৰ আগৰ পৰা যোৱা নাই আজিও। সভ্য সমাজক কলুষিত কৰা এনেবোৰ ঘটনাই আমাক ভাবিবলৈ বাধ্য কৰায় আমি সঁচাকৈ জীৱশ্ৰেষ্ঠ নে? অসমত এনে গণহত্যা বা ঘটনা নতুন নহয়। গোৱালপাৰা জিলাত পূৰ্বে ডাইনী হত্যাৰ নামত বহুতো মহিলাক হত্যা কিম্বা চিৰজীৱনলৈ ঘৃণীয়া কৰাৰ উদাহৰণ আমাৰ নখ দৰ্পণত। বৰ্তমানলৈকে অসমত সৰু-বৰ হিচাপে ১৯৬টা ডাইনী হত্যাজনিত গোচৰ পঞ্জীয়ন হৈ আছে। ইয়াৰ বিৰুদ্ধে বীৰুবালা ৰাভাই প্ৰায় একক প্ৰচেষ্টাৰে ডাইনী হত্যা ৰোধ কৰিবলৈ চেষ্টা কৰি সামাজিকভাবে সজাগতা সৃষ্টি কৰি আহিছে আৰু বহু ক্ষেত্ৰত সফলতা লাভ কৰিছে।

গণ উন্মাদনাজনিত হত্যা প্ৰথমে অষ্টাদশ শতিকাৰ ৮০ৰ দশকত ছাৰ্লছ লিন্স আৰু তেওঁৰ ভায়েকে এফ্ৰ' আমেৰিকান লোকক হত্যা কৰিবলৈ আৰম্ভ কৰিছিল। তাৰ পৰাই শব্দটো আহিছে। বৰ্তমানৰ সময়ত গণ উন্মাদনাজনিত ঘটনাই এক ভয়াৱহ ৰূপ লৈছে। আইন নিজে হাতত তুলি লোৱাটো এক সাধাৰণ ঘটনা হৈ পৰিছে। ফলত দেশৰ সংবিধান, ন্যায় ব্যৱস্থা আদিৰ প্ৰতি ভাবুকি হৈ পৰিছে। তাৰ সুযোগ লৈ আৰক্ষী নামি পৰিছে। অপৰাধীক গ্ৰেপ্তাৰ কৰি ন্যায় ব্যৱস্থাৰ বাবে আদালতলৈ বাট নাচায় আৰক্ষীৰ জিম্মাত এনকাউন্টাৰ কৰা প্ৰৱণতা। যি সংখ্যা বহু ওপৰত। আনহাতে, সাধাৰণ জনতায়ো এনেধৰণৰ জিম্মাত হোৱা হত্যাক সমৰ্থন কৰা বাবে বহু ক্ষেত্ৰত মিছা এনকাউন্টাৰত নিৰ্দোষী লোকৰ মৃত্যুও সাধাৰণ ঘটনা হৈ পৰে। ভাৰতবৰ্ষৰ উচ্চতম ন্যায়ালয়ে পূৰ্বেও আৰক্ষীৰ জিম্মাত হোৱা এনেধৰণৰ হত্যাৰ বিৰুদ্ধে সতৰ্ক বাৰ্তা প্ৰেৰণ কৰি উল্লেখ কৰিছে যে এনে হত্যা আইন বিৰুদ্ধ আৰু আৰক্ষী বিষয়াজনৰ বিৰুদ্ধে হত্যাজনিত গোচৰ পঞ্জীয়ন কৰিব লাগে বুলি উল্লেখ কৰিছে। হত্যাৰ বিৰুদ্ধে হত্যা কোনো কাৰণতে সভ্য সমাজৰ বাবে গ্ৰহণযোগ্য নহয়। আইন ব্যৱস্থাক সন্মান কৰাৰ বাবে সকলোৰে উচিত পদক্ষেপ লোৱাটো কাম্য।

শেষত উল্লেখ কৰো যে সভ্যতা এখন দেশৰ মাপকাঠি তেতিয়াহে, যেতিয়া সকলোৱে প্ৰতি মুহূৰ্তত মানুহৰ মগজুৰ ভিতৰত কিলবিলাই থকা আসুৰিক কোষবোৰক দমন কৰিব পাৰিম। বিজ্ঞান বা শিক্ষাৰ জয় যাত্ৰাই দেশৰ সভ্যতাৰ মাপকাঠি নহয়। ওচামা বিন লাডেন অভিযান্ত্ৰিক স্নাতক আছিল; কিন্তু বিশ্বত্ৰাশ সন্ত্ৰাসবাদী বুলিহে সকলোৱে চিনি পায়।



## হত্যাৰ বদলি হত্যা সমাজলৈ অশুভ সংকেত

■ **অমল সেনগুপ্তা**, সমাজকৰ্মী



হত্যাৰ বিপৰীতে হত্যা কোনো কাৰণতে এখন সমাজৰ বাবে শুভ বাৰ্তা নহয়। এই ধৰণৰ আদিম যুগীয় বৰ্বৰতা ঘূৰি আহিলে সমাজত শান্তিপ্ৰিয় মানুহ তিষ্ঠি থকাই কঠিন হ'ব। কিন্তু সম্প্ৰতি আমাৰ ৰাজ্যত এনে ঘটনা বা দুৰ্ঘটনা সঘনাই সংঘটিত হ'বলৈ লৈছে। এয়া সমাজৰ বাবে বৰ ভয়াৱহ ইংগিত। কিছুদিনৰ পৰা হত্যা আৰু প্ৰতিহিংসা পৰায়ণতা বৃদ্ধিৰ কাৰণ বিশ্লেষণৰ অতি প্ৰয়োজন। মাদক দ্ৰব্যৰ প্ৰচলন যিমানেই বাঢ়িছে সিমানেই মানুহৰ হিতাহিত জ্ঞানো হ্ৰাস পাইছে। সুৰা-গাঞ্জাই তাৎক্ষণিক উত্তেজনা বৃদ্ধি কৰিব পাৰে। ড্ৰাগছৰ প্ৰতিক্ৰিয়া সুদূৰপ্ৰসাৰী। এনে লোকৰ হিতাহিত জ্ঞান প্ৰায় নোহোৱাৰ দৰেই। তদুপৰি হতাশাই মানুহক এনে নকৰিবলগীয়া কাম কৰিবলৈ বাধ্য কৰে। যিকোনো বিষয়ত হতাশাগ্ৰস্ততা এখন সমাজৰ বাবে মাৰাত্মক ব্যাধি হ'ব পাৰে। তদুপৰি, হীনমন্যতাৰ পৰিণতিও এনেধৰণৰ অসহিষ্ণুতাৰ কাৰণ হ'ব পাৰে। এনেবোৰ মানসিকভাৱে হোৱা ঋণাত্মক প্ৰভাৱ কৰ্তাই ক'ব নোৱাৰাকৈয়ে তেওঁৰ নিয়ন্ত্ৰক হৈ উঠিব পাৰে। যোৰহাটৰ অমানৱীয় ঘটনাটোৰ আগত অসমত এনেধৰণৰ ভয়ংকৰ ঘটনা বহুকেইটা ঘটিছে। কিছুদিন মানুহে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে আৰু তাৰ পাছত সকলো শেষ। হত্যাকাৰীৰ শাস্তিৰ দাবীত আন্দোলন হৈছে। কিন্তু কথাটো হৈছে বাতৰিৰ শিৰোনামা দখল কৰা হত্যাকাণ্ডবোৰৰ লগত জড়িতসকলৰ কিমানজনে এতিয়ালৈকে শাস্তি ভোগ কৰিছে। কাৰোবাৰ মৃত্যুত মানুহে আনন্দ উপভোগ কৰাৰ দৰে ঘটনাই কিন্তু আইনৰে পৰাজয় সূচায়। আইনৰ গণ্ডীৰ বাহিৰৰ হত্যা যি ধৰণেই নহওক আৰু যিয়েই নকৰক সেয়া যদি পূজ্য হ'বলৈ হয় তেতিয়াহলে আমাৰ দেশে, আমাৰ ৰাজ্যই স্বকীয়তা হেৰুৱাবলৈ গৈ আছে। আচলতে ক্ষমতাহীন সৰ্বসাধাৰণৰ মনত থকা ক্ষোভৰ বহিৰ্প্ৰকাশ এনেধৰণৰ প্ৰতিহিংসাৰে হয়। এই অৱস্থা যিমান শীঘ্ৰে নিৰ্মূল কৰিব পাৰি সিমানেই সমাজখনৰ বাবে মংগল। নহ'লে অনাগত দিনবোৰ অতি ভয়ংকৰ আৰু অৰাজক হৈ উঠিব। তেজৰ বদলি তেজ নতুবা হত্যাৰ বিপৰীতে প্ৰতিহত্যাই বহু নিৰীহৰ প্ৰাণ কাঢ়ি নিব।

## আৰক্ষীৰ আত্মসমালোচনাৰ প্ৰয়োজন হৈছে

■ **ডাঃ জ্যোতিপ্ৰসাদ কলিতা**

যোৰহাট চহৰত দিন-দুপৰতে আৰক্ষীৰ সন্মুখতে এজন পাহোৱাল ডেকাক এদল উন্মাদ লোকে মৰিয়াই মৰিয়াই হত্যা কৰাৰ পাছতো আৰক্ষীয়ে অসহায়ভাৱে চাই কৰিবলগীয়া হ'ল। আৰক্ষীয়ে ক্ষিপ্ৰগতিত ব্যৱস্থা গ্ৰহণ কৰিলে নিশ্চয় এনে নাৰকীয় ঘটনা সংঘটিত হ'বলৈ নাপালেহেঁতেন।



**অপৰাধ** আৰু অপৰাধীক নিয়ন্ত্ৰণ কৰাত আৰক্ষী সফল হোৱা বুলি ক'ব নোৱাৰি। কাৰণ আৰক্ষীয়ে অপৰাধীক নিয়ন্ত্ৰণ কৰা বুলি দাবী কৰি থকাৰ সময়তে ৰাজ্যখনত নিতৌ সংঘটিত হৈ আছে অপৰাধজনিত ঘটনা। যোৰহাট চহৰত দিন-দুপৰতে আৰক্ষীৰ সন্মুখতে এজন পাহোৱাল ডেকাক এদল উন্মাদ লোকে মৰিয়াই মৰিয়াই হত্যা কৰাৰ পাছতো আৰক্ষীয়ে অসহায়ভাৱে চাই কৰিবলগীয়া হ'ল। আৰক্ষীয়ে ক্ষিপ্ৰগতিত ব্যৱস্থা গ্ৰহণ কৰিলে নিশ্চয় এনে নাৰকীয় ঘটনা সংঘটিত হ'বলৈ নাপালেহেঁতেন। আৰক্ষীয়ে উপযুক্ত পদক্ষেপ আৰু ক্ষিপ্ৰ কাৰ্যব্যৱস্থা গ্ৰহণ কৰিলে অপৰাধীৰ সংখ্যা হ্ৰাস পালেহেঁতেন। আটাইতকৈ চিন্তনীয় বিষয় হৈ পৰিছে যে আৰক্ষীয়ে কঠোৰ নিৰাপত্তাৰ মাজত অপৰাধী অথবা অভিযুক্তক বিভিন্ন স্থানলৈ নিয়াৰ সময়ত পলায়নৰ চেষ্টা চলোৱাটোৱে আৰক্ষীৰ দক্ষতাৰ ওপৰত মানুহৰ সন্দেহ উপজিছে। হেণ্ডকাফ থকা অথবা আৰক্ষীৰ বেষ্টনীত থকা অভিযুক্ত এজনে কেনেকৈ পলায়নৰ চেষ্টা চলাব পাৰে? তাৰ মানে আৰক্ষীয়ে নিজ কৰ্তব্য ভালদৰে সম্পাদন কৰা নাই অথবা গাফিলতি কৰিছে। অভিযুক্ত অথবা অপৰাধীয়ে দৌৰিবলৈ পলায়ন কৰাৰ নাটকখন এতিয়া সকলোৱে বুজি পোৱা হৈছে। আৰক্ষীয়ে অপৰাধ প্ৰতিৰোধৰ বাবে কঠোৰ হওক তাত কাৰো আপত্তি নাই। পিছে কঠোৰ পদক্ষেপ গ্ৰহণৰ পাছতো অপৰাধীৰ সংখ্যা বৃদ্ধি পোৱাটোহে উদ্বেগজনক বিষয়।

আৰক্ষীক যিহেতু যিকোনো পৰিস্থিতিৰ স'তে মোকাবিলা কৰিব পৰাকৈ প্ৰশিক্ষণ দিয়া হয়, সেয়েহে আৰক্ষীৰ সন্মুখতে মানুহক হত্যা কৰাৰ পাছতো কিয় কৌশলেৰে বাধা দিব নোৱাৰে। আৰক্ষীৰ সংখ্যা কম বুলি কৈ দায়িত্ব সামৰিলেই সমস্যাৰ সমাধান নহয়। ইয়াৰ বাবে লাগিব উপযুক্ত পৰিকল্পনা-আত্মসমালোচনা। অবিহনে আৰক্ষীয়ে কেতিয়াও সম্পূৰ্ণৰূপে সফল হ'ব নোৱাৰে। সমান্তৰালভাৱে আৰক্ষীক ৰাইজৰ স'তে সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক বাধা কৰিব লাগিব।

অপৰাধীয়ে এতিয়া আৰক্ষীৰ মাজৰ পৰাই পলায়নৰ চেষ্টা চলাওতে গুলিচালনা কৰি আৰক্ষীয়ে পুনৰ গ্ৰেপ্তাৰ কৰি বাঃ বাঃ লৈছে। সন্মান জনোৱা হৈছে। অপৰাধ আৰু অপৰাধীৰ বিৰুদ্ধে সদায় সতৰ্ক হৈ থকাটো আৰক্ষীৰ দায়িত্ব। উন্মাদ জনতাক এমুঠিমান আৰক্ষীয়ে কেনেদৰে নিয়ন্ত্ৰণ কৰিব পাৰে সেই বিষয়ে প্ৰশিক্ষণ দিয়াৰ নিশ্চয় প্ৰয়োজন হৈছে। নহ'লে আৰক্ষীৰ ওপৰত ৰাইজৰ বিশ্বাস হেৰাই যাব। প্ৰকৃততে আৰক্ষীক আধুনিকীকৰণ কৰা হৈছে নে নাই তাৰ আলোচনাৰ প্ৰয়োজন আছে। ট্ৰেফিকৰ খাকী বৰণৰ পোছাকযোৰৰ ৰং সলনি কৰিলেই স্মাৰ্ট আৰক্ষী বুলি ক'ব নোৱাৰি। শেহতীয়া ঘটনাৰাজিয়ে আৰক্ষীৰ কৰ্মদক্ষতাৰ ওপৰত ৰাইজক সন্দিহান কৰিছে। কেৱল গুলি আৰু লাঠিৰে অপৰাধ নিয়ন্ত্ৰণ কৰাটো সম্ভৱ নহ'ব যদিহে জনসাধাৰণক বিশ্বাসত নলয়। এই ক্ষেত্ৰত ৰাইজৰো দায়িত্ব আছে। অপৰাধীৰ কাৰ্য কেৱল ম'বাইলত ৰেকৰ্ডিং কৰি সামাজিক মাধ্যমত আপলোড কৰিলেই দায়িত্ব শেষ নহয়।

## সঁচা অৰ্থত সমাজৰ সংস্কাৰৰ প্ৰয়োজন হৈছে

■ **প্ৰণামিকা গগৈ**, গৃহিণী



**যোৰহাটৰ** মাজমজিয়াত এদল দুৰ্বৃত্তৰ হাতত প্ৰাণ হেৰুওৱা অনিমেষ ভূঞাৰ মৃত্যুক সহ্য কৰিবলৈ প্ৰত্যেকগৰাকী মাতৃৰ কিমান কষ্ট হৈছে সেইটো শব্দৰে প্ৰকাশ কৰা সম্ভৱ নহয়। প্ৰচুৰ সম্ভাৱনাময় এজন চফল ডেকা, এক তেজাল যৌৱন এই পৃথিৱীৰ পৰা নিজৰ কোনো দোষ নথকাকৈ আঁতৰি গ'ল। কথাটো মনলৈ আহিলেই বুকুত প্ৰচণ্ড বিষ অনুভৱ হয়। এখন শিক্ষিত চহৰৰ, সদা ব্যস্ত এটা ৰাজপথত, এজাক পশু জঁপিয়াই পৰিল নিৰীহ যুৱক তিনিজনৰ ওপৰত। য'ত ট্ৰেফিক পুলিচো আছিল, সচেতন নাগৰিকো আছিল। কিহৰ বাবে, কিয়, কেনেকৈ ইমান নৃশংস হ'ব পাৰে কিছুমান মানুহ নামধাৰী জীৱ? সভ্য সমাজখনৰ, ব্যস্ত মানুহবিলাকৰ মাজৰ পৰা কোনো এজনো আগবাঢ়ি নাহিল মৃত্যুমুখী যুৱকজনক ৰক্ষা কৰিবলৈ। আমাৰ সমাজখন দিনে দিনে বহুত বেছি স্বাৰ্থপৰ, অসহিষ্ণু আৰু প্ৰতিশোধপৰায়ণ হৈ পৰিছে নেকি? কিয় দায়িত্বজ্ঞানহীন, বিবেচনাহীন কোনোবাই মদ খোৱাৰ ফলশ্ৰুতিত কোনোবা মাতৃৰ বুকু শুদা হৈছে? কিয় উচিত, অনুচিত বিচাৰ কৰাৰ ক্ষমতা মানুহৰ নাইকিয়া হৈ গৈ আছে?

ন্যায় পাবনে অনিমেষে? নে অভি-নীল, ঝংকাৰৰ লগত হোৱাৰ দৰেই এটা উচিত বিচাৰলৈ বাট চাই চাই মানুহৰ চকু বিষাব। আমাৰ ন্যায় ব্যৱস্থাই এনেকুৱা যে এটা এটা বিচাৰ বছৰ বছৰ ধৰি চলি থাকে। তথাপিও দোষীয়ে শাস্তি পাব বুলি বিশ্বাস কৰি বহি থাকিব নোৱাৰি। কাৰণ প্ৰমাণৰ অভাৱত দোষী সাৰি যোৱাৰো সম্ভাৱনা থাকে।

অনিমেষ হত্যাৰ মূল অভিযুক্ত ক'লা ল'ৰাৰ মৃত্যুত জনতাৰ স্থিতিয়ে ভয়াৱহ সময়ৰ ইংগিত বহন কৰিছে। অনিমেষৰ মৃত্যুত সমগ্ৰ ৰাজ্যবাসীয়ে চকুলো টোকাৰ দুদিন পাছত হোৱা ক'লা ল'ৰাৰ মৃত্যুত জনতাই ফটকা ফুটাই আনন্দ উদ্‌যাপন কৰিলে। কিহৰ বাবে এই আনন্দ উল্লাস? নিশ্চয়কৈ এয়া আইন ব্যৱস্থাৰ ওপৰত জনতাৰ আস্থা নাইকিয়া হৈ যোৱা ক্ষোভৰেই উদ্‌গীৰণ। আমাৰ ন্যায়িক বিচাৰ প্ৰক্ৰিয়াৰ লেহেমীয়া গতি, যথোপযুক্ত প্ৰমাণৰ অভাৱতেই বহু দাগী অপৰাধী মুকলিকৈ ঘূৰি ফুৰিবলৈ পায়।

অথচ অন্যায়ৰ বলি হোৱা অনিমেষ, অভি-নীলহতঁৰ অসহায় অভিভাৱকসকলে বছৰৰ পাছত বছৰ ধৰি কাছাৰীলৈ তাঁত-বাটি কৰোতেই যায়।

এটা কথা ঠিক যে নিৰপৰাধজনে কোনো কাৰণতেই শাস্তি ভোগ কৰিবলগীয়া হ'ব নালাগে। কিন্তু সেই পদ্ধতিৰে চলোৱা বিচাৰ প্ৰক্ৰিয়াই ইমান বছৰ অতিক্ৰম কৰি যায়গৈ যে এটা সময়ত সেই ন্যায় বা বিচাৰৰ প্ৰয়োজনীয়তাও নাথাকে। হয়তো এনেবোৰ কাৰণতে জনতাই এতিয়া এনকাউন্টাৰক সমৰ্থন কৰিবলৈ বাধ্য হৈছে। যিহেতু আইনে অপৰাধীক শাস্তি প্ৰদান কৰালৈ বছৰ বছৰ ধৰি অপেক্ষা কৰিব লাগে, তাতকৈ যেনেকৈয়ে নহওক অপৰাধী নিপাত হওক। সেয়া লাগে দুৰ্ঘটনায়েই হওক নাইবা এনকাউন্টাৰেই হওক; কিন্তু কাৰোবাৰ মৃত্যু যেতিয়া কাৰোবাৰ আনন্দৰ কাৰণ হয় সেই আনন্দ কিমান ভয়াৱহ সেয়া ভাবিবলৈও ভয় লগা কথা।

এনেকুৱা এখন সমাজ লাগেনে আমাক য'ত আমি মৃত্যুৰ বিনিময়ত মৃত্যুক সমৰ্থন জনোৱাৰ পৰিৱেশৰ সৃষ্টি হৈছে। নিঃসন্দেহে ক'লা ল'ৰাৰ মৃত্যুত অনিমেষৰ আত্মাই ক'ৰবাত অকণমান হ'লেও শান্তি পাইছে। কিন্তু সেই অনিমেষৰ মাতৃয়েও কৈছে যে নিশ্চয় ক'লা ল'ৰাৰ মাকেও আজি হিয়া ঢাকুৰি কান্দিছে কাৰণ তেওঁ এগৰাকী মাতৃ। আমাৰ প্ৰচলিত সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন হোৱাটো বৰ্তমান সময়ত আটাইতকৈ প্ৰয়োজনীয় কথা হৈ পৰিছে। সমাজখনৰ সংস্কাৰৰ অতি আৱশ্যক হৈছে সঁচা অৰ্থত। ন'হলে ভৱিষ্যতলৈ হয়তো আৰু কিমান অনিমেষ, অভি-নীল অকালতে নাইকিয়া হৈ যাব তাৰ ঠিকনা নাই।

## নিৰপৰাধী লোকে শাস্তি পোৱাটো গ্ৰহণযোগ্য নহয়

■ **নিভা দেৱী**, অধ্যাপিকা



**সমাজৰ** ৰক্ষক হিচাপে আৰক্ষীসকলৰ অৱদান অনস্বীকাৰ্য। আইনক প্ৰাধান্যতা প্ৰদান কৰি অপৰাধীক চিনাক্ত কৰি অসম আৰক্ষীয়ে অহৰ্নিশে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। কিন্তু তৎসত্ত্বেও জনসাধাৰণৰ মাজত কিছুমান প্ৰশ্নৰ অৱতাৰণা হয় বিশেষকৈ তেতিয়া যেতিয়া এজন অপৰাধী আৰক্ষীৰ জিম্মাৰ পৰা পলাই যাবলৈ সক্ষম হয়। বৰ্তমান অসমত এনে ঘটনা বৃদ্ধি পাব ধৰিছে।

এজন অপৰাধীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ পাছত বা আৰক্ষীৰ জিম্মাত থকা সময়ত পলাই যাব নোৱাৰাকৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে আৰক্ষী দায়বদ্ধ। তেনে স্থলত অপৰাধী পলাবলৈ সুৰুঙা পাব কেনেকৈ?

এজন ধৃত অপৰাধী প্ৰকৃততে অপৰাধী হয় নে নহয় সেয়া বিচাৰ্য বিষয় হ'ল মহামান্য আদালতৰ। কিন্তু আদালতত সুবিচাৰ পোৱাৰ পূৰ্বে যদি পলায়ন কৰা বাবে মৃত্যুমুখত পৰে তেতিয়া জনসাধাৰণৰ মাজত সন্দেহৰ সৃষ্টি হয়।

অপৰাধীয়ে কঠোৰৰ পৰা কঠোৰতম শাস্তি পোৱাটো আমাৰ কাম্য। অপৰাধীক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিব লাগে যাতে ভৱিষ্যতে অপৰাধ ৰোধ কৰিব পৰা যায়। কিন্তু কোনো নিৰপৰাধী লোকেও শাস্তি পোৱাটো একেবাৰে গ্ৰহণযোগ্য নহয়। যদি কেতিয়াবা কোনো নিৰপৰাধী লোকক অপৰাধী বুলি গ্ৰেপ্তাৰ কৰোতে এনে ঘটনা সংঘটিত হয় তেতিয়া কি হ'ব? তেতিয়া মানৱ অধিকাৰৰ প্ৰাসংগিকতা নিঃশেষ নহ'বনে? আইন আদালতৰ প্ৰকৃত মৰ্যাদা ম্লান নপৰিবনে?

সেয়েহে এখন অপৰাধমুক্ত অসম গঢ়িবলৈ হ'লে আৰক্ষীয়ে কঠোৰ ব্যৱস্থা লব লাগিব। অপৰাধী যাতে পলায়ন কৰিব নোৱাৰে তাৰ নিশ্চিত ব্যৱস্থা ল'ব লাগিব। প্ৰয়োজনত আৰক্ষীৰ বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগিব। গৃহমন্ত্ৰীৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আৰক্ষী প্ৰশাসনৰ আধুনিকীকৰণ তথা নিৰ্মূলৰ কাৰণে যি প্ৰচেষ্টা অব্যাহত আছে সেয়া নিশ্চিতভাৱে আশাব্যঞ্জক। আৰক্ষী প্ৰশাসনে মুখ্যমন্ত্ৰীৰ এই প্ৰচেষ্টাৰ প্ৰতি সঁহাৰি জনাই ব্যৱস্থা গ্ৰহণ কৰিলে জনসাধাৰণৰ আৰক্ষীৰ প্ৰতি থকা সন্দেহৰ ভাব আঁতৰ হ'ব। লগতে অসম অপৰাধমুক্ত হ'ব।

## চৰকাৰৰ ব্যৰ্থতা ঢাকিবলৈ ব্যৱহাৰ কৰিছে আৰক্ষীক

■ **হৰিহৰ ডেকা**, সমাজকৰ্মী

সমাজত অপৰাধীক নিৰ্মূল কৰিবলৈ আৰক্ষীয়ে সদায় একেটা কৌশল কাৰ্যকৰী নকৰে। কিয়নো অপৰাধীয়ে আৰক্ষীৰ এনে কৌশলৰ বিৰুদ্ধে জ্ঞাত হ'লে নিজৰ অপৰাধজনিত কাৰ্য সম্পাদন কৰাৰ পদ্ধতিও সলনি কৰে।



**আৰক্ষীয়ে** অপৰাধ আৰু অপৰাধীৰ বিৰুদ্ধে বিভিন্ন কৌশলেৰে অভিযান চলায়। সমাজত অপৰাধীক নিৰ্মূল কৰিবলৈ আৰক্ষীয়ে সদায় একেটা কৌশল কাৰ্যকৰী নকৰে। কিয়নো অপৰাধীয়ে আৰক্ষীৰ এনে কৌশলৰ বিৰুদ্ধে জ্ঞাত হ'লে নিজৰ অপৰাধজনিত কাৰ্য সম্পাদন কৰাৰ পদ্ধতিও সলনি কৰে। শেহতীয়াভাৱে আৰক্ষীয়ে অপৰাধীৰ বিৰুদ্ধে যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া সফলতা নে বিফলতা স্পষ্টকৈ কোৱাটো কঠিন। কিন্তু চৰকাৰে যে বিভিন্ন ক্ষেত্ৰত হোৱা ব্যৰ্থতা ঢাকিবলৈ আৰক্ষীক ব্যৱহাৰ কৰিছে সেয়া ৰাইজে বুজি নোপোৱাকৈ থকা নাই। কিয়নো আজি চৰকাৰে বিভিন্ন ক্ষেত্ৰত সফলতা অৰ্জন কৰা বুলি দাবী কৰিলেও বাস্তৱ ক্ষেত্ৰত ইয়াৰ এখন বিপৰীত ছবি দেখা যায়। বিভিন্ন আঁচনি ৰূপায়ণ কৰিলেও মানুহৰ আৰ্থিক অৱস্থা ইমানে বেয়া হৈছে যে কিছুমানে অপৰাধ জগতত খোজ পেলাবলৈও দ্বিধাবোধ কৰা নাই। কাম কৰাৰ ইচ্ছা থাকিলে তথা উপযুক্ত হোৱা সত্বেও ক'তো সংস্থাপন নোপোৱা বাবে বহুতে সহজ উপায়েৰে ধন ঘটাৰ বাবে খোজ পেলাইছে অপৰাধ জগতত। সেইবাবে সমাজত যিমানে আৰক্ষীয়ে অপৰাধীৰ বিৰুদ্ধে অভিযান চলাইছে সিমানে অপৰাধমূলক কাৰ্য সংঘটিত হৈয়ে আছে। গতিকে মূল বিষয়ৰ পৰা চৰকাৰে জনসাধাৰণৰ দৃষ্টি আঁতৰ কৰি ৰাখিবলৈ আৰক্ষীক ব্যৱহাৰ কৰা যেন অনুভৱ হয়। এটা কথা ঠিক যে আৰক্ষীৰ সন্মুখত যোৰহাট কাণ্ডৰ দৰে ঘটনা সংঘটিত হোৱাটোৱে আৰক্ষীৰ ৰণকৌশলত যে ত্ৰুটি আছে সেয়া পৰোক্ষভাৱে প্ৰমাণ কৰিছে। পূৰ্বৰ তুলনাত অপৰাধজনিত ঘটনা অভাৱনীয়ভাৱে বৃদ্ধি পাইছে। সেইবাবে অপৰাধীক মষিমূৰ কৰিবলৈ আৰক্ষীয়ে এনে কিছু কাৰ্য সম্পাদন কৰিছে যাৰ দ্বাৰা অপৰাধীসকল ভীতিগ্ৰস্ত হয়। অপৰাধীয়ে অপৰাধ জগতৰ পৰা আঁতৰি আহিবলৈ বাধ্য হয়। কিন্তু বিগত সময়ছোৱাত আৰক্ষীয়ে লোৱা পদক্ষেপ চৰকাৰৰ ব্যৰ্থতা ঢাকিবলৈ চেষ্টা কৰা বুলি ৰাইজৰ মাজত চৰ্চা নোহোৱাকৈও থকা নাই। হয়তো বহুতে চৰকাৰৰ বিৰুদ্ধে মাত মাতিবলৈ সাহস নকৰে। কাৰণ চৰকাৰৰ বিৰুদ্ধে মাত মাতিবলৈ গ'লেই আৰক্ষীৰ লক্ষ্য হ'ব পাৰে বুলি ভয় কৰে। আৰক্ষীয়ে ৰাইজক বিশ্বাসত লৈ আগবাঢ়ি গ'লেহে অপৰাধীৰ সংখ্যা হ্ৰাস পাব। নহ'লে অসমৰ ভৱিষ্যৎ যে অন্ধকাৰ সেয়া নিশ্চিত।

## আইনৰ প্ৰতি আস্থাৰ পৰিৱেশ সৃষ্টিৰ সময়

■ **প্ৰাঞ্জল প্ৰতিম বৰা**, যুৱ লিখক



**অসমৰ** এগৰাকী থলুৱা যুৱকক যোৰহাটৰ মাজমজিয়াত অমানৱীয়ভাৱে হত্যা কৰাৰ ঘটনাক আমি একমুখে গৰিহণা দিছো। প্ৰশ্ন হয়, জীৱশ্ৰেষ্ঠ খ্যাত মানৱৰ মাজত অভাৱ ঘটিছে নেকি মানৱীয় গুণসমূহৰ। এনেধৰণৰ ঘটনাসমূহে মানৱক সমগ্ৰ জীৱকুলৰ মাজত বাৰম্বাৰ লজ্জানত কৰি অহা পৰিলক্ষিত হৈছে। একেদৰে, উক্ত হত্যাকাণ্ডটোৰ স'তে জড়িত এজন অপৰাধী আৰক্ষীৰ বাহনৰ পৰা জঁপিয়াই পলাব খুজি নিহত হ'বলগীয়া ঘটনাও উদ্বেগজনক। হত্যাকাৰীক উচিত শাস্তি প্ৰদান কৰিব আইন, আদালতে। ন্যায়িক ব্যৱস্থাৰ প্ৰতি আমাৰ দৃঢ় আস্থা আৰু বিশ্বাস আছে আৰু থকাতো স্বাভাৱিক। কিন্তু তাৰ মাজতে এনে ঘটনা সংঘটিত হৈছে। আইনৰ প্ৰতি সৰ্বস্তৰৰ লোকৰ আস্থা ঘূৰাই অনাৰ বাবে এতিয়া দায়িত্বশীল সকলোপক্ষই হাতে-কামে লাগিব লাগে।


অসমত এনেধৰণৰ ঘটনা যাতে পুনৰাবৃত্তি হ'ব নোৱাৰে তাৰ বাবে সমাজৰ প্ৰতিজন লোক, দল-সংগঠনে লক্ষ্য ৰখা উচিত। এচাম পাষণ্ডৰ বাবে নিজৰ অঞ্চলটো যাতে বদনামৰ ভাগী হ'ব নোৱাৰে তাৰ বাবে সকলোৱে সৎ প্ৰয়াস কৰাৰ সময় সমাগত। সমাজত শিপাই পৰা মাদক দ্ৰব্যৰ লগতে ৰাগিয়াল বস্তুৰ ব্যৱহাৰ হ্ৰাস কৰিবৰ বাবে আৰক্ষী, প্ৰশাসন, সচেতন লোক তৎপৰ হোৱাতো খুবেই জৰুৰী। যোৰহাটৰ ঘটনাটোৰ সূত্ৰপাতৰ কাৰণ যদি চোৱা যায় সেয়া কিন্তু সুৰা। সুৰা আৰু ৰাগিয়াল দ্ৰব্যই আমাৰ সমাজক কোন দিশে লৈ গৈছে এয়া তাৰেই এক ভয়ংকৰ উদাহৰণ।



## অপৰাধক সকলোৱে অপৰাধ বুলি ক'ব লাগিব

■ **পবিত্ৰ আগৰৱালা**, বেচৰকাৰী কৰ্মচাৰী

লঘুৰ পৰা গুৰু দণ্ড কোনো দোষীক দিয়াৰ অধিকাৰ কেৱল আইনৰহে আছে। এনে অৱস্থাত যেতিয়া আইনৰ সুৰুঙাৰে অপৰাধী সাৰি যায় আৰু আইন থকাৰ পাছতো আবেদনকাৰীয়ে ন্যায় লাভ নকৰে বুলি সাধাৰণ মানুহে অনুভৱ কৰিবলৈ লয় তেতিয়াই এখন সমাজলৈ বিপদ বৃদ্ধি হ'ব পাৰে।



**এখন** দেশৰ আভ্যন্তৰীণ শৃংখলা অটুট ৰাখিবলৈ সকলোতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হৈছে আইন ব্যৱস্থা। লঘুৰ পৰা গুৰু দণ্ড কোনো দোষীক দিয়াৰ অধিকাৰ কেৱল আইনৰহে আছে। এনে অৱস্থাত যেতিয়া আইনৰ সুৰুঙাৰে অপৰাধী সাৰি যায় আৰু আইন থকাৰ পাছতো আবেদনকাৰীয়ে ন্যায় লাভ নকৰে বুলি সাধাৰণ মানুহে অনুভৱ কৰিবলৈ লয় তেতিয়াই এখন সমাজত বিপদ বৃদ্ধি হ'ব পাৰে। আইনৰ নিজৰ হাত নাথাকে যে সকলো অপৰাধীক আইনে ধৰি আনি যথাবিহিত শাস্তি বিহিব। আইনক সৱল কৰিবলৈ, ৰক্ষা কৰিবলৈ সেয়ে আৰক্ষী আছে, চৰকাৰ আৰু প্ৰশাসন আছে। কিন্তু ইয়াৰ পাছতো আমাৰ দেশ আৰু ৰাজ্যত আইনবিৰুদ্ধ বিভিন্ন ঘটনা ঘটিয়েই আছে। দিনে দিনে ইয়াৰ সংখ্যাও বাঢ়িছে। কথাটো হ'ল আইনৰ শাসন মানিব পৰাকৈ আমাৰ ৰাইজো সজাগ-সচেতন হ'ব লাগিব। কিন্তু আইনৰ ৰক্ষাৰ ক্ষেত্ৰত থকা বিধিগত কাৰকসমূহক যেতিয়া ক্ষমতাৰে নিয়ন্ত্ৰণ কৰাৰ চেষ্টা কৰা হয় তেতিয়াই ন্যায়ৰ পথত হেঙাৰ সৃষ্টি হয়। সৎ ব্যক্তিক, দেশৰ প্ৰতি বিশেষ অৱদান থকা ব্যক্তিকো হত্যা কৰা হত্যাকাৰীক শুদ্ধ বুলি প্ৰতিপন্ন কৰিবলৈ যেতিয়া অপচেষ্টা চলে তেতিয়াই বুজিব লাগিব যে সমাজত কেৰোণ বৰ গভীৰলৈ বিয়পোৱা হৈছে। আমি হত্যাক আইনগত শাস্তিৰ বাহিৰে যদি সমৰ্থন কৰো তেতিয়া সন্ত্ৰাসবাদৰ বিৰুদ্ধে কেনেকৈ মাতিম, সামাজিক সন্ত্ৰাস কিন্তু বৰ ভয়াৱহ বিষয়। ই একোখন সমাজ বা দেশকে দুৰ্বল কৰি পেলাব পাৰে। এনে সামাজিক সন্ত্ৰাসৰ ভিতৰতে গণ প্ৰহাৰত মৃত্যু নতুবা হত্যাকাৰীক হত্যা আদি সকলো বিষয়েই পৰে। আইনগতভাৱে কঠোৰতম শাস্তিৰ ব্যৱস্থা আমাৰ দেশত আছে। কিন্তু জনসংখ্যা অনুযায়ী আইনী ব্যৱস্থাটো পৰ্যাপ্ত নহয়। দৰিদ্ৰৰ বাবে আইনী সাহায্য আচলতে সুলভ হোৱা প্ৰয়োজন। অপৰাধক দল, সংগঠন, ব্যক্তিগত পৰ্যায়ত পৃথক দৃষ্টিৰে চোৱাটোও পৰিত্যাগ কৰিব লাগিব। অন্যথা অপৰাধীৰ পক্ষতো বহু মানুহ থাকিব নাইবা অপৰাধীক শুদ্ধ বুলিও প্ৰতিষ্ঠা কৰাৰ প্ৰৱণতা থাকিব। এনেবোৰ আইনৰ বাহিৰত হোৱা ঘটনাই যদি মানুহক সন্তুষ্টি দিয়ে তেতিয়াহ'লে প্ৰতিটো ক্ষেত্ৰত আইন আৰু আইনৰ ৰক্ষকসকলৰে পৰাজয় হ'ব। সময় থাকোঁতেই এই ক্ষেত্ৰত সমুচিত মাৰ্গ নিৰ্ধাৰণৰ প্ৰয়োজন। এতিয়া অসমত যিবোৰ ঘটনা ঘটিবলৈ লৈছে সেয়া সমাজৰ বাবে কোনোপধ্যেই গ্ৰহণযোগ্য নহয়।






# জেৰেঙা পথাৰৰ সাহিত্য কাননত ভূমি

*তিনি পৃষ্ঠাৰ পৰা* দিনে-ৰাতিয়ে মাটিৰ ব্যৱসায়ীয়ে অবৈধভাৱে ভূমি খনন কৰি বৃহৎ বৃহৎ পুখুৰী সদৃশ গাঁত সৃষ্টি কৰাৰ গুৰুতৰ অভিযোগ উঠিছে। আনহাতে, এই সন্দৰ্ভত জিলা বন বিভাগক বহু ৰাইজে মৌখিকভাৱে অভিযোগ কৰি আহিছে যদিও বিভাগটোৱে তাৎক্ষণিকভাৱে অবৈধভাৱে ভূমিখননৰ লগত জড়িত ব্যক্তিসকলক মাটি নিয়াৰ কাৰ্য বন্ধ কৰিবলৈ আহে। অৱশ্যে চক্ৰটোৰ কোনো এগৰাকীৰ বিৰুদ্ধে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাৰহে আন এক অভিযোগ উত্থাপন হৈছে। উক্ত চক্ৰটোৱে সময় সুবিধা চাই কেৱল দুই-তিনিদিনৰ বাবেহে অবৈধভাৱে মাটিৰ খনন কাৰ্য বন্ধ ৰাখে। বহু অভিযোগ, প্ৰতি অভিযোগ উঠাৰ পাছতো মাটি খনন কৰা চক্ৰটোৱে অহৰহ অবৈধ ভূমি খনন কাৰ্য চলাই নি সাহিত্য কানন ক্ষেত্ৰৰ অধিকাংশ ভূমি বৃহৎ বৃহৎ পুখুৰী সদৃশ গাঁতলৈ ৰূপান্তৰ কৰা কাৰ্যত ক্ষুন্ন হৈ পৰিছে শিৱসাগৰ জিলা সাহিত্য সভা। জিলা সাহিত্য সভাৰ সম্পাদক সন্তোষ দত্তই আজি এটি সঁজাতী দলসহ জিলা উপায়ুক্ত মেঘ নিধি দাহালক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰত শিৱসাগৰ জিলা সাহিত্য সভাই সাহিত্য কানন ক্ষেত্ৰত অবৈধভাৱে চলি থকা ভূমি খনন কাৰ্য বন্ধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়। ইফালে, শিৱসাগৰ জিলা সাহিত্য সভাই ইয়াৰ প্ৰতিলিপি ৰাজহ মন্ত্ৰী যোগেন মহন, সাংসদ তপন কুমাৰ গগৈ আৰু শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈলৈও প্ৰেৰণ কৰিছে। উল্লেখ্য যে ভূমিখনন ক্ষেত্ৰত অসম চৰকাৰে ঘোষণা কৰা নতুন নিয়মৰ গইনা লৈ এতিয়া শিৱসাগৰ নগৰৰ লগতে দাঁতি কাষৰীয়া অঞ্চলত একাংশ ভূ-মাফিয়াৰ দপ্‌দপ্‌নি বৃদ্ধি পোৱাৰ ফলত ইতিমধ্যে চৰকাৰক বুজন পৰিমাণৰ ৰাজহ প্ৰদান কৰা বৈধ মাটিৰ ঠিকাদাৰসকলে মূৰে-কপালে হাত দিব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে। জেৰেঙাৰ উপৰি ৰূপহী পথাৰ, পহুগড়, মগৰাহাট, বেতবাৰী, মিঠাপুখুৰী, ৰজাবাৰী, সুন্দৰপুৰ, কোঁৱৰপুৰ আদি বিভিন্ন অঞ্চলত এনে অবৈধ চক্ৰই ব্যক্তিগত তথা চৰকাৰী মাটি খান্দি তহিলং কৰিছে। সেইদৰে সুন্দৰপুৰৰ সমীপৰ নিৰ্মীয়মাণ প্ৰথম সংৰক্ষিত আৰক্ষী বাহিনীৰ কাৰ্যালয়ৰ সমীপত একাংশ দুষ্ট চক্ৰই ডিমৌ পথাৰৰ চৰকাৰী গ্ৰেজিং ভূমি খন্দাতো অভিযোগ উত্থাপিত হৈছে।

# বঙাইগাঁৱত সাহিত্য কামতাৰত্ন

*তিনি পৃষ্ঠাৰ পৰা* কৰিছে । বড়ো, কছাৰী, গাৰো, কাৰ্বি, ডিমাছাত কৰিছে। এই কথাই প্ৰমাণ কৰে যে তেওঁ কেৱল আত্মকেন্দ্ৰিক মনেৰে নিজৰ জাতিৰ কথা, নিজৰ গোষ্ঠীৰ কথা ভবা নাছিল। সেয়ে এই বিশাল মনৰ গৰাকী, ভিন্নসুৰী দৰ্শনৰ গৰাকী অম্বিকাচৰণ চৌধুৰীৰ নামটো চিৰকাল জীয়াই ৰাখিবলৈ আৰু বিশ্বৰ বুকুত জিলিকাই ৰাখিবলৈ নতুন পুৰুষে চেষ্টা কৰিব লাগিব । কাৰণ অম্বিকাচৰণ চৌধুৰী হ'ল অসমৰ লেখত ল'বলগীয়া এমুঠিমান মাত্ৰ বুৰঞ্জীবিদৰ ভিতৰত নিতান্ত এজন। সেয়ে অন্যান্য বুৰঞ্জীবিদসকলৰ স'তে অম্বিকাচৰণ চৌধুৰীৰ নামটোও আমি সমানে ল'ব পাৰিব লাগে বুলি কয়। আনহাতে, স্মৃতিচাৰণ সভাত সাহিত্যিক তথা অখিল ভাৰতীয় সাহিত্য পৰিষদৰ ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক কমিটীৰ সংৰক্ষক ড° দেবেন চন্দ্ৰ দাসে (সুদামা)ই কয় যে অম্বিকাচৰণ চৌধুৰীয়ে অসমীয়া ভাষা আৰু কোচ ৰাজবংশীসকলৰ সকলো দিশ অধ্যয়ন কৰি এই জনগোষ্ঠীটোক আগবঢ়াই নিবলৈ সংকল্প গ্ৰহণ কৰিছিল। অধ্যয়ন কৰি তেওঁ অনুভৱ কৰিছিল যে অসমৰ ভাষা সাহিত্য, সংস্কৃতিৰ মূল কেন্দ্ৰস্থল কোচ বিহাৰ আছিল আৰু যি আজি পশ্চিমবংগৰ অন্তৰ্গত আৰু সেই সময়ত কোচ ৰজা নৰনাৰায়ণ-চিলাৰায়ে শাসন কৰিছিল। এই কথাই তেওঁৰ অন্তৰত দুখ দিছিল। তেওঁ লগতে কয় যে কামতাৰত্নই বিভিন্ন ঠাইত ভ্ৰমী যাযাবৰী জীৱন যাপন কৰি কোচ ৰাজবংশীসকলৰ ইতিহাসৰ সম্বল যোগাৰ কৰি হাতত কলম তুলি, বিভিন্ন ঠাইত ভাষণ দি জাতিটোৰ সকলো দিশৰ অনগ্ৰসৰতা আঁতৰাবলৈ প্ৰচেষ্টা চলাইছিল। সেয়ে তেওঁৰ আদৰ্শ আৰু অৱদানক জাতিটোৱে সদায় জীয়াই ৰাখিব লাগিব । তেওঁ অম্বিকাচৰণ চৌধুৰীৰ নামত অসম চৰকাৰক এটা বঁটা প্ৰৱৰ্তন কৰিবলৈকো আহ্বান জনায়। এই স্মৃতিচাৰণ সভাতেই 'কমতাৰত্ন' স্মৰণিকাখনৰ একাদশ সংখ্যা উন্মোচন কৰা হয়। স্মৰণিকাখন উন্মোচন কৰে বঙাইগাঁও কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা ৰেণুকা দাসে। সভাত শিক্ষাবিদ গোপেশ্বৰ তালুকদাৰ, লেখক ভূপেন্দ্ৰ চন্দ্ৰ দাস, অধিবক্তা জ্যোতিষ শৰ্মা, হৰমোহন মেধি, জিলা পৰিষদৰ প্ৰাক্তন সভানেত্ৰী লীনা সিংহ আদিয়েও বক্তব্য ৰাখে। স্মৃতিচাৰণ সভাতেই বঙাইগাঁও শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ পৰা হাইস্কুল শিক্ষান্ত পৰিক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা তিনিগৰাকী কৃতী ছাত্ৰ-ছাত্ৰী ক্ৰমে বিকাশ হালদাৰ, ডেভিদ দাস আৰু মনমিতা নাথক কামতা সাহিত্যৰত্ন অম্বিকাচৰণ চৌধুৰী সোঁৱৰণী বঁটা প্ৰদান কৰা হয় । বঁটাসমূহত পৰিয়ালৰ সদস্য আৰু বিদ্যালয়ৰ শিক্ষকে শিক্ষাৰ্থী কেইগৰাকীৰ অনুপস্থিতিত গ্ৰহণ কৰে । উল্লেখ্য যে স্মৃতি দিৱসৰ কাৰ্যসূচী অনুসৰি, পুৱা কামতা সাহিত্যৰত্ন অম্বিকাচৰণ চৌধুৰীৰ সমাধিস্থলত বন্তি প্ৰজ্বলন আৰু প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি অনুষ্ঠানৰ মুকলি কৰে সহধৰ্মিনী কুলদা চৌধুৰীয়ে আৰু ভাগৱত পাঠ কৰে সুনীতি বালা ৰায়ে। ইয়াৰ পাছতে অনুষ্ঠিত হয় স্মৃতিচাৰণ সভা। স্মৃতিচাৰণ সভাৰ আৰম্ভণিতে উদ্বোধনী সংগীত পৰিৱেশন কৰে হেৰম্ব অধিকাৰীয়ে। সন্ধিয়া সমাধিস্থলত বন্তি প্ৰজ্বলন কৰা হ'ব । বন্তি প্ৰজ্বলন অনুষ্ঠানত বঙাইগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অজিত কুমাৰ দাস, বঙাইগাঁও জিলা সাহিত্য সভাৰ সম্পাদক বিনোদ কুমাৰ বৰ্মন, অম্বিকা চৰণ চৌধুৰীৰ দুহিতা, বঙাইগাঁও মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা ড° ৰূপাঞ্জলী দেৱী, অভয়েশ্বৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী মহাবিদ্যালয়ৰ বিষয় শিক্ষয়িত্ৰী মঞ্জুপ্ৰভা বৰুৱাৰ লগতে পৰিয়ালৰ সদস্য ডাঃ বিদ্যুৎ বিকাশ চৌধুৰী, প্ৰদ্যুৎ প্ৰকাশ চৌধুৰী, জয়ন্ত প্ৰতীম দাস, নৱনীতা চৌধুৰী, সুস্মিতা চৌধুৰী, নমিতা চৌধুৰী আৰু নমিতা সিংহ আদিয়ে বন্তি প্ৰজ্বলন কৰে। পুৱা অম্বিকাচৰণ চৌধুৰীৰ সমাধিৰ প্ৰতিচ্ছৱিত বন্তি প্ৰজ্বলন কৰে সহধৰ্মিণী কুলদা চৌধুৰীয়ে। ভাগৱত পাঠ, কৰে সুনিতী বালা ৰায়ে । কে এ চিৰ মূখ্য কাৰ্যবাহী সদস্য গোকুল বৰ্মণে কামতাৰত্ন অম্বিকাচৰণ চৌধুৰীৰ প্ৰতিচ্ছৱিত মাল্যাৰ্পণ কৰে। উল্লেখ্য যে স্মৃতি দিৱসৰ অনুষ্ঠানত কে এ চিৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মণে, কাৰ্যবাহী পাৰিষদ অতুল ৰায়, সদস্য ত্ৰৈলোক্য ৰায়ে কামতাৰত্নলৈ শ্ৰদ্ধাঞ্জলি জনায় ।

**তামাৰহাট/দোতমাৰ অগ্ৰদূত বাৰ্তা ঃ** ভূমিপুত্ৰ কোচ ৰাজবংশী জনগোষ্ঠীৰ বৃহৎ জাতীয় সংগঠন কোচ ৰাজবংশী সাহিত্য সভাৰ উদ্যোগত আজি কোকৰাঝাৰ জিলাৰ শক্তি আশ্ৰমত দিনজোৰা কাৰ্যসূচীৰে কামতাৰত্ন অম্বিকাচৰণ চৌধুৰীৰ দশম সংখ্যক স্মৃতি দিৱস উদ্‌যাপন কৰা হয় । স্মৃতি দিৱসৰ লগত সংগতি ৰাখি কোচ ৰাজবংশী সাহিত্য সভাৰ উপ-সভাপতি নিৰ্মল চন্দ্ৰ ভকতৰ পৰিচালনাত ৰাজবংশী ভাষাৰ কবি, সাহিত্যিক আৰু শিল্পীসকলক কোচ ৰাজবংশী জনগোষ্ঠীৰ জাতীয় গামোচা আৰু বঁটাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। পাছত কোচ ৰাজবংশী সাহিত্য সভাৰ সভাৰ সভাপতি ড০ দ্বিজেন্দ্ৰ নাথ ভকতৰ সভাপতিত্বত আৰম্ভ হয় কমতাৰত্ন অম্বিকাচৰণ চৌধুৰীৰ স্মৃতিচাৰণ সভা। উক্ত সভাতে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড০ পৰমানন্দ ৰাজবংশীয়ে কোচ ৰাজবংশী সাহিত্য সভাৰ ৱেব ছাইট উন্মোচন কৰাৰ লগতে 'কোচ ৰাজবংশীৰ ইতিহাস' গ্ৰন্থখন উন্মোচন কৰে। ড০ ৰাজবংশীয়ে কয় যে আজিৰ দিনটো অতি গুৰুত্বপূৰ্ণ দিন । ১০ বছৰ আগত আজিৰ দিনটোতে কোচ ৰাজবংশী জনগোষ্ঠীৰ পিতামহ তথা বুৰঞ্জীবিদ কামতাৰত্ন অম্বিকাচৰণ চৌধুৰীৰ মৃত্য হৈছিল। লগতে ড০ ৰাজবংশীয়ে কয় যে কোচ ৰাজবংশী জনগোষ্ঠীৰ মাজত যিমান সংগঠনৰ জন্ম হ'ব সিমানে জনগোষ্ঠীটোৰ শক্তি নাইকিয়া হৈ যাব। জনগোষ্ঠীটোৰ মাজত থকা সংগঠনবোৰ এক গোট নহ'লে জনগোষ্ঠীটো ৰাজনৈতিক, শৈক্ষিক আৰু আৰ্থ-সামাজিক দিশত পিছপৰি থকাৰ লগতে সাহিত্য, ভাষা, আৰু কলা-কৃষ্টি ৰক্ষা কৰিব নোৱাৰিব। স্মৃতিচাৰণ সভাত খিলঞ্জীয়া জনগোষ্ঠীয় সাহিত্য সভাৰ সম্পাদক প্ৰধান কামলাকান্ত মুছাহাৰীয়ে স্বৰচিত পাঁচখন মুল্যবান গ্ৰন্থ কোচ ৰাজবংশী সাহিত্য সভাত প্ৰদান কৰি কয় যে কামতাৰত্ন অম্বিকাচৰণ চৌধুৰীয়ে লেখা মেলাৰ জৰিয়তে কোচ ৰাজবংশী জনগোষ্ঠীটোৰ হকে বহুত কাম কৰি থৈ গৈছে। বাকী থকা কামবিলাক জনগোষ্ঠীটোৰ নৱ প্ৰজন্মই কৰিব লাগিব। তেতিয়াহে প্ৰয়াত অম্বিকাচৰণ চৌধুৰীৰ আত্মাই শান্তি লাভ কৰিব। সভাত নৱ গঠিত কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী পাৰিষদ গকুল বৰ্মণে কয় যে কামতাৰত্ন অম্বিকাচৰণ চৌধুৰীয়ে তেঁওৰ মূল্যবান লেখাৰ জৰিয়তে কোচ ৰাজবংশী জনগোষ্ঠীটোক বিশ্বৰ মাজত চিনাকি কৰাই দিছে। ইয়াৰ উপৰি কোচ ৰাজবংশী জনগোষ্ঠীৰ ভাষা-সাহিত্য, কলা-কৃষ্টিৰ উন্নতি সাধন আৰু ৰাজবংশী ভাষাত পাঠ্যপুথি প্ৰনয়ন কৰাৰ ক্ষেত্ৰত কোচ ৰাজবংশী সাহিত্য সভাৰ গুৰু দায়িত্ব আছে বুলি উল্লেখ কৰে কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মণে। সভাত কমতাৰত্ন অম্বিকাচৰণ চৌধুৰীৰ জীৱনীৰ ওপৰত আলোকপাত কৰে সভাৰ মুখ্য বক্তা বলদেৱ ৰায়ৰ লগতে বিশিষ্ট ব্যক্তিসকলে। উক্ত স্মৃতিচাৰণ সভাতে কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মণ, মুখ্য কাৰ্যবাহী পাৰিষদ গকুল বৰ্মণৰ লগতে অন্যান্য কাৰ্যবাহী পাৰিষদ আৰু সাধাৰণ পাৰিষদসকলক কোচ ৰাজবংশী সাহিত্য সভাৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উক্ত সভাতে কেইগৰাকীমান বিশিষ্ট লেখকে ৰাজবংশী ভাষাত ৰচনা কৰা সাতখন কিতাপ উন্মোচন কৰা হয়। কাৰ্যসূচী মতে, আজি ৰাতিপূৱা কোচ ৰাজবংশী সাহিত্য সভাৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ মুকলি কৰে সাহিত্য সভাৰ সভাপতি ড০ দ্বিজেন্দ্ৰ নাথ ভকত আৰু কমতাৰত্ন অম্বিকাচৰণ চৌধুৰীৰ প্ৰতিচ্ছৱিত মাল্যদান কৰে সাহিত্য সভাৰ সাধাৰণ সম্পাদক কমল কুমাৰ বৰ্মণে।

# আইনৰ ৰক্ষকেই ভক্ষক হোৱাত এক

*তিনি পৃষ্ঠাৰ পৰা* একাধিক গুৰুতৰ অভিযোগ। সম্প্ৰতি পত্নী আৰু সন্তানৰ পৰা আঁতৰত থকা অধিবক্তাজনে তেওঁক একাধিকবাৰ আত্মহত্যা কৰিবলৈ প্ৰৰোচিত কৰাৰ লগতে শিশু পুত্ৰক শিক্ষাৰ পৰা বঞ্চিত কৰাৰ অভিযোগ উত্থাপন কৰে। লগতে নানা ধৰণৰ শাৰীৰিক-মানসিক নিৰ্যাতন চলাই অবৈধ সম্পৰ্কত জড়িত স্বামীয়ে বিবাহ বিচ্ছেদৰ বাবেও হেঁচা প্ৰয়োগ কৰি অহাৰ অভিযোগ উত্থাপন কৰিছে অসহায় মহিলাগৰাকীয়ে। এই ঘটনা সদৰী হোৱাৰ পাছতে সম্প্ৰতি সমগ্ৰ কোকৰাঝাৰ চহৰতে বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

ভুক্তভোগী কৰুণা নাৰ্জাৰীয়ে আজি সংবাদ মাধ্যমৰ আগত সম্প্ৰতি গোসাঁইগাঁও আদালতত ওকালতি কৰা অধিবক্তা স্বামী অশোক নাৰ্জাৰীৰ বিৰুদ্ধে কেতবোৰ গুৰুতৰ অভিযোগ উত্থাপন কৰে। কোকৰাঝাৰ চহৰৰ নাৰাবাৰীৰ নিবাসী অধিবক্তা নাৰ্জাৰীয়ে ২০১০ত প্ৰেমৰ সম্পৰ্কৰ সূত্ৰে জিলাখনৰ পৰ্বতঝোৰাৰ হাড়ঝোৰা নিবাসী ধ্ৰৱজেন্দ্ৰ নাথ ব্ৰহ্মৰ কন্যা কৰুণাৰ স'তে বিবাহপাশত আবদ্ধ হৈছিল। ২০১৪ত তেওঁলোকৰ এটি পুত্ৰ সন্তানৰ জন্ম হয়। পাছলৈ অধিবক্তাজনে সামান্য কথাতে পত্নীৰ স'তে কাজিয়াত লিপ্ত হ'বলৈ আৰম্ভ কৰে। স্বামীৰ নানা অত্যাচাৰ-নিৰ্যাতন নীৰৱে সহ্য কৰি সংসাৰখন বৰ্তাই ৰখাৰ চেষ্টা কৰিছিল যদিও ২০১৮ৰ পৰা মহিলাগৰাকী নাৰকীয় নিৰ্যাতনৰ সন্মুখীন হ'বলগীয়া হয়। নিজে অধিবক্তা হোৱাৰ বাবে তেওঁক কোনেও একো কৰিব বুলি স্বামীয়ে সততে দম্ভালি মৰাৰ কথাও ভুক্তভোগী মহিলাগৰাকীয়ে সদৰী কৰে। মহিলাগৰাকীয়ে লগতে জনায় যে শহুৰেক সামদাৰ নাৰ্জাৰী, ননদ ফৈছালী আৰু ননদৰ স্বামী মঞ্জিল মুছাহাৰীয়েও তেওঁক বিভিন্ন সময়ত নানা অজুহাত উলিয়াই শাৰীৰিক-মানসিক নিৰ্যাতন চলাইছিল। উল্লেখ্য যে অধিবক্তা নাৰ্জাৰীৰ এনে অত্যাচাৰৰ সন্মুখীন হৈ মহিলাগৰাকীয়ে একাধিকবাৰ গাঁৱত ৰাইজমেল আহ্বান কৰিছিল। ৰাইজৰ লগতে বড়ো সমাজ তথা নানা দল-সংগঠনেও নাৰ্জাৰী দম্পতীৰ সংসাৰৰ আউল ভাঙিবলৈ চেষ্টা কৰিছিল যদিও নাৰ্জাৰীয়ে নিজকে আইনজ্ঞ বুলি দম্ভালি মাৰি কাৰো কথাতে গুৰুত্ব দিয়া নাছিল। ভুক্তভোগী মহিলাগৰাকীয়ে আজি সংবাদ মাধ্যমৰ আগত কান্দি কান্দি কয় যে স্বামীয়ে নানা ধৰণৰ শাৰীৰিক-মানসিক অত্যাচাৰ কৰাতে ক্ষান্ত নাথাকি বহুবাৰ নিজৰ খাদ্যত অতিৰিক্ত নিমখ দিবলৈ আৰু বিভিন্ন বয়-বস্তু দলিয়াই স্বামীক আহত কৰিবলৈ প্ৰৰোচিত কৰিছিল, যাতে তেওঁ সহজে পত্নীক বলিয়া বুলি আদালতত প্ৰমাণিত কৰিব পাৰে। বিবাহ বিচ্ছেদৰ বাবেই এনেকৈ তেওঁক বলিয়া সজোৱাৰ অপচেষ্টা স্বামীয়ে কৰি আহিছে বুলিও তেওঁ কয়। মহিলাগৰাকীয়ে লগতে সদৰী কৰে যে স্বামীয়ে একাধিকবাৰ ঘৰৰ দুৱাৰ বন্ধ কৰি তেওঁক চিপ লৈ আত্মহত্যা কৰিবলৈকো হেঁচা প্ৰয়োগ কৰিছিল। বহুবাৰ অতি নিৰ্দয়ভাৱে প্ৰহাৰ কৰি মুমূৰ্ষু অৱস্থাত বিছনাত পেলাই থৈছিল বুলিও ভুক্তভোগী মহিলাগৰাকীয়ে অভিযোগ কৰে। মহিলাগৰাকীয়ে লগতে কয় যে একমাত্ৰ সন্তানৰ মুখলৈ চায়েই তেওঁ সকলোবোৰ অত্যাচাৰ নীৰৱে সহ্য কৰি আহিছিল। স্বামীৰ স্বভাৱ এদিন ভাল হ'ব বুলি মহিলাগৰাকীয়ে আশা কৰিছিল যদিও ইয়াৰ বিপৰীতে অধিবক্তাজনে পত্নী-পুত্ৰক এৰি বেলেগ ঠাইত থাকিবলৈ লয়। ফলত খৰচ বহন কৰিব নোৱৰাৰ বাবে কোকৰাঝাৰ চাংগ্ৰিলা নামৰ ইংৰাজী মাধ্যমৰ ব্যক্তিগত বিদ্যালয়খনত পঢ়ি থকা শিশু পুত্ৰৰ পঢ়া-শুনাও সম্প্ৰতি বন্ধ হোৱা বুলি তেওঁ সদৰী কৰে। স্বামীৰ অবৰ্তমানত সন্তানৰ লগতে পৰিয়ালৰ আনসকলৰ পেটৰ ক্ষুধা নিবাৰণৰ বাবে মহিলাগৰাকীয়ে ২০১৯ৰ পৰা ঘৰতে আশ্ৰয় লৈ থকা পেহী শাহুৰেকৰ স'তে চহৰৰ বিভিন্ন প্ৰান্তত শাক-পাচলি বিক্ৰী কৰি আহিছে বুলিও তেওঁ জনায়।

ভুক্তভোগী মহিলাগৰাকীয়ে লগতে কয় যে পূৰ্বৰে পৰা বিভিন্ন নাৰীৰ স'তে অবৈধ সম্পৰ্ক ৰক্ষা কৰি অহা তেওঁৰ স্বামীয়ে বিবাহ বিচ্ছেদৰ বাবেই বিভিন্ন ধৰণে অত্যাচাৰ চলাই আছে। ইয়াৰ কাৰণ এগৰাকী সতীৰ্থ অধিবক্তাৰ স'তে গঢ়ি উঠা স্বামীৰ অবৈধ সম্পৰ্ক বুলিও মহিলাগৰাকীয়ে অভিযোগ কৰে। তেওঁ কয় যে বিবাহ বিচ্ছেদ হ'লেই স্বামীয়ে সতীৰ্থ অধিবক্তাগৰাকীৰ স'তে বিবাহপাশত আবদ্ধ হ'ব। ভুক্তভোগী মহিলাগৰাকীয়ে স্বামীৰ অত্যাচাৰৰ সন্দৰ্ভত আৰক্ষী আৰু অন্যান্য অধিবক্তাৰ পৰাও কোনো ধৰণৰ সহযোগ লাভ নকৰা বুলিও সংবাদ মাধ্যমৰ আগত অভিযোগ কৰে। তেওঁ কয় যে স্বামী আৰু স্বামীগৃহৰ লোকৰ অত্যাচাৰত জৰ্জৰিত হৈ ২০১৮ৰ ১২ জুন আৰু ২০২০ৰ ২০ ফেব্ৰুৱাৰীত দুবাৰকৈ কোকৰাঝাৰ সদৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰি ন্যায় বিচাৰিছিল। অথচ স্বামী অধিবক্তা হোৱাৰ বাবেই তেওঁক আৰক্ষীয়ে কোনো ধৰণে সাহায্য নকৰিলে। আনকি অভিযুক্ত স্বামীৰ পক্ষ লৈ আন অধিবক্তাসকলেও তেওঁক ন্যায় প্ৰদানৰ বাবে আগবাঢ়ি অহা নাই বুলিও ভুক্তভোগী মহিলাগৰাকীয়ে ক্ষোভ প্ৰকাশ কৰে। ইয়াৰ বাবেই শিশু পুত্ৰৰ ভৱিষ্যতৰ কথা ভাবি অৱশেষত সংবাদ মাধ্যমৰ কাষ চপা বুলি অসহায় মহিলাগৰাকীয়ে জানিবলৈ দিয়ে। মহিলাগৰাকীয়ে লগতে কয় যে শাক-পাচলি বিক্ৰী কৰি তেওঁ নিজৰ পুত্ৰৰ লগতে অসহায় শহুৰেককো ভৰণ-পোষণ দি আছে। খাদ্যৰ পৰা আৰম্ভ কৰি ঔষধ-পাতি আদিৰো যোগান ধৰি অহাৰ বাবে শহুৰেকে তেওঁক মাটি বিক্ৰী কৰি ধন দিব বুলি কৈছিল যদিও পাছত শহুৰেকে ধন দিয়াৰ পৰা বিৰত থাকে। তৎসত্ত্বেও তেওঁ শহুৰেকৰ আলপৈচান ধৰি আছে বুলি মহিলাগৰাকীয়ে সদৰী কৰে। শিশু সন্তানৰ ভৱিষ্যতক লৈ অনিশ্চয়তাত ভোগা অসহায় মহিলাগৰাকীয়ে তেওঁক ন্যায় প্ৰদানৰ লগতে কোনো সংস্থানৰ জৰিয়তে সন্তানৰ ভৱিষ্যৎ সুনিশ্চিত কৰিবলৈ আজি সংবাদ মাধ্যমৰ জৰিয়তে চৰকাৰ বা বিটিচি প্ৰশাসনকে ধৰি সকলো পক্ষলৈ আহ্বান জনায়।

# গৌৰীপুৰত প্ৰধান শিক্ষয়িত্ৰী বিৰুদ্ধে মধ্যাহ্ন ভোজনৰ চাউল আত্মসাতৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**
**গৌৰীপুৰ, ৪ ডিচেম্বৰ ঃ** গৌৰীপুৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত ২২৮৮ নম্বৰ শ্যামচৰনে কুটি এল পি স্কুলৰ প্ৰধান শিক্ষয়িত্ৰীৰ বিৰুদ্ধে ১১২ ছাত্ৰ-ছাত্ৰীৰ দুটা বছৰৰ মধ্যাহ্ন ভোজনৰ চাউল আৰু ধন আত্মসাতৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। অভিযোগ অনুসৰি গৌৰীপুৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া দেৱান আব্দুৰ ৰহমানৰ ছত্ৰছায়াত বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰীৰ লগতে আন বহু বিদ্যালয়ৰ প্ৰধান শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্ৰ-ছাত্ৰীৰ চাউল আৰু নগদ ধনৰ চলাইছে অবাধ লুণ্ঠন। ২২৮৮ নম্বৰ শ্যামচৰনেৰ কুটি এল পি স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী পূজা সাহাই ২০২০ৰ পৰা চলিত বছৰৰ পহিলা ডিচেম্বৰ আহাৰলৈকে ছাত্ৰ-ছাত্ৰীৰ মাজত দিয়া নাই মধ্যাহ্ন আহাৰ। ঘটনা সন্দৰ্ভত অভিভাৱকসকলে গৌৰীপুৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ ওচৰত একাধিকবাৰ অভিযোগ দাখিল কৰিও সুফল পোৱা নাই। স্থানীয় ৰাইজে বিগত দুটা বছৰ ধৰি বিদ্যালয়খনৰ পৰিচালনা সমিতি গঠনৰ দাবী জনাই আহিছে যদিও শিক্ষা বিষয়াজনে গোপনে এখন তদৰ্থ কমিটী গঠন কৰি নিজে সভাপতি হিচাপে থাকি প্ৰধান শিক্ষয়িত্ৰী সাহাৰ সহযোগত চলাই আহিছে অনিয়ম। আনহাতে, প্ৰধান শিক্ষয়িত্ৰীৰ ভয়ত কম্পমান হৈছে অভিভাৱকসকল। ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকে কিবা অভিযোগ লৈ তেওঁৰ ওচৰত গ'লে ম'বাইলত ভিডিঅ' কৰি আৰক্ষীক খবৰ দিয়ে শংকিত কৰি তুলিছে স্থানীয় ৰাইজক। যোৱা তিনি ডিচেম্বৰত স্থানীয় এটা সাংবাদিকৰ দলক দুৰ্ব্যৱহাৰ কৰাৰ লগতে প্ৰধান শিক্ষয়িত্ৰীয়ে সাংবাদিকৰ দলটোক বাহিৰলৈ যোৱাত আগভেটি ধৰে। উল্লেখ্য যে বিদ্যালয়খনৰ সন্মুখতেই বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী আৰু খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি থকাৰ খবৰ লাভ কৰি স্থানীয় আঠজনীয়া এটা সাংবাদিকৰ দলে ঘটনাস্থলীত উপস্থিত হয়। ৰাইজৰ অভিযোগ সংগ্ৰহ কৰাৰ পাছত প্ৰধান শিক্ষয়িত্ৰীৰ অনুমতি সাপেক্ষে তেওঁৰ মন্তব্য ল'বলৈ বিদ্যালয় চৌহদত প্ৰৱেশ কৰে দুজন জ্যেষ্ঠ সাংবাদিকে। তাৰ পাছতেই উত্তেজিত হৈ সাংবাদিকৰ দলটোৰ ভিডিঅ' লোৱা আৰম্ভ কৰে বিদ্যালয়খনৰ আন এগৰাকী সহকাৰী শিক্ষয়িত্ৰীয়ে। এই অবাঞ্চিত ঘটনাৰ পাছত উত্তেজিত হৈ পৰে স্থানীয় ৰাইজ। মানৱ সম্পদ গঢ়াৰ দায়িত্বত নিয়োজিত প্ৰধান শিক্ষয়িত্ৰীৰ অভব্য আচৰণত ক্ষুব্ধ হৈ প্ৰধান শিক্ষয়িত্ৰীগৰাকীৰ বদলিৰ দাবী তোলে অভিভাৱক শ্ৰেণীটোৱে। অন্যথায় বেলেগ স্কুলত ছাত্ৰ-ছাত্ৰীক ভৰ্তি কৰাৰ ভাবুকি প্ৰদান কৰিছে অভিভাৱকসকলে। লক্ষ্যণীয় বিষয় যে গৌৰীপুৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া দেৱান আব্দুৰ ৰহমানৰ বিৰুদ্ধে উত্থাপিত হৈছে ভয়ংকৰ অনিয়মৰ অভিযোগ। শিক্ষা বিষয়াজনে বহু বিদ্যালয়ৰ পৰিচালনা সমিতি গঠন নকৰি তেনে বিদ্যালয়সমূহৰ পৰিচালনাৰ দায়িত্বত থাকি চলাই আহিছে লুণ্ঠন। অৰ্থ লিপ্সু শিক্ষা বিষয়াজনে তেনে বিদ্যালয়সমূহৰ তদৰ্থ সমিতিৰ সভাপতি হিচাপে থাকি প্ৰধান শিক্ষক-শিক্ষয়িত্ৰীৰ সমান্তৰাল ছাত্ৰ-ছাত্ৰীৰ চাউল আৰু ধনৰ লুণ্ঠন চলোৱাৰ লগতে বিদ্যালয়ৰ আন্তঃগাঁথনিৰ ধন শৰাধ কৰাৰ গুৰুতৰ অভিযোগ তুলিছে গাঁওখনৰ ৰাইজে। গৌৰীপুৰৰ শিক্ষা বিষয়াৰগৰাকীৰ কাৰ্যকলাপলৈ দৃষ্টি পৰিব নে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ।

# মুখ্যমন্ত্ৰীৰ মন্তব্যৰ তীব্ৰ বিৰোধিতা

*তিনি পৃষ্ঠাৰ পৰা* সন্মিলনে তীব্ৰ বিৰোধিতা কৰিছে। কলিতা জনগোষ্ঠী ব্ৰহ্মপুত্ৰ উপত্যকাৰ আদিম জনগোষ্ঠী বুলি পদ্মনাথ গোহাঞি বৰুৱা, কৰ্ণেল ডেল্টন, ছাৰ এডৱাৰ্ড গেইট আদি বুৰঞ্জীবিদৰ ৰচনাৰ লগতে ১৯০১ৰ অসমৰ প্ৰতিবেদন আদি নথিত উল্লেখ আছে। কলিতা জনগোষ্ঠীৰ বিষয়ে এনেধৰণৰ ভিত্তিহীন মন্তব্য কৰাৰ পূৰ্বে ইতিহাস ভালদৰে অধ্যয়ন কৰি ল'বলৈ মুখ্যমন্ত্ৰীক কলিতা জনগোষ্ঠী সন্মিলনে আহ্বান জনাইছে। ৰাজনৈতিক স্বাৰ্থ সিদ্ধিৰ বাবে এনেধৰণৰ কৌশলী তোষামোদৰ প্ৰক্ৰিয়াক আমি কোনো কাৰণতে সমৰ্থন কৰিব নোৱাৰো বুলি সদৰী কৰে সন্মিলনে। বিবৃতিটোত কয় যে উল্লেখ কৰা জনগোষ্ঠীকেইটা মূলতঃ পৰ্বতীয় মংগোলীয় জনগোষ্ঠী আৰু স্বভাৱগতভাৱে সমতল নিবাসী আলপাইন মূলৰ কলিতাসকলে পৰ্বতত মাটি অধিকাৰ কৰিব যোৱাৰ কথা নিশ্চয় নাহে। মংগোলীয়সকল ব্ৰহ্মপুত্ৰ উপত্যকালৈ নামি অহাৰ পাছত এই অঞ্চললৈ অহা বৈদিক আৰ্য বা আহোম সকলকে ধৰি কিছুমান জনগোষ্ঠী নিশ্চয় আছে যিসকল 'অসমীয়া' মহাজাতিৰ এতিয়া অভিন্ন অংগ, কিন্তু তাৰ মাজত 'আমি' বুলি কৈ কলিতা জনগোষ্ঠীক সাঙুৰি লোৱাৰ অভিপ্ৰায় আমি বুজিব পৰা নাই। এখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ দৰে দায়িত্বপূৰ্ণ স্থানত অধিষ্ঠিত থাকি কৰা এনে অসত্য মন্তব্যই কাকো কোনো প্ৰকাৰে সুফল নিদিয়ে আৰু সেয়ে কলিতা জনগোষ্ঠীয়ে মুখ্যমন্ত্ৰীগৰাকীক এই মন্তব্য প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনোৱা বুলি সদৌ অসম কলিতা জনগোষ্ঠী সন্মিলনৰ সভাপতি ডাঃ ৰমেন কুমাৰ কাকতি আৰু সাধাৰণ সম্পাদক প্ৰতুল চন্দ্ৰ কলিতা স্বাক্ষৰিত বিজ্ঞপ্তি প্ৰেৰণ কৰে।

# কে এল অ'ৰ শান্তি আলোচনা সাফল্য কামনা কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ

**বিশেষ সংবাদ দাতা**
**লখিমপুৰ, ৪ ডিচেম্বৰ ঃ** স্বাধীন কমতাপুৰৰ দাবীত বিগত ৩৬ বছৰে সশস্ত্ৰ সংগ্ৰাম কৰি অহা সংগঠন কমতাপুৰ লিবাৰেচন অৰ্গেনাইজেচন চমুকৈ কে এল অই আলোচনাৰ বাবে আগ্ৰহ প্ৰকাশ কৰা কাৰ্যত সন্তোষ প্ৰকাশ কৰি আদৰণী জনাইছে কোচ-ৰাজবংশী সংগ্ৰাম সমিতিয়ে। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিজ্ঞপ্তিৰ জৰিয়তে কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি, সমাজ সংগঠক ৰূপজ্যোতি দত্ত আৰু যুটীয়া সম্পাদক নিতুল ৰাজবংশীয়ে কয় যে-স্বাধীন কমতাপুৰ গঠনৰ দাবীত ১৯৯৫ ত গঠনহোৱা কেএলঅৰ সভাপতি জীৱন সিংহই সম্প্ৰতি শান্তি আলোচনাৰ বাবে আগ্ৰহ প্ৰকাশ কৰা কাৰ্য নিশ্চিতভাৱেই আদৰণীয়। ভাৰতবৰ্ষৰ গৃহমন্ত্ৰী অমিত শ্বাহ আৰু অসমৰ বলিষ্ঠ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সদৃশ্যাৰ বাবেই দীৰ্ঘ বছৰীয়া সমস্যাটোৰ ৰাজনৈতিকভাৱে সামাধানৰ পৰ্থ প্ৰশস্ত হৈ পৰিছে বুলি উল্লেখ কৰি কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি, সমাজ সংগঠক ৰূপজ্যোতি দত্তই দেশৰ কেন্দ্ৰীয় গৃহ মন্ত্ৰী আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰীক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিছে। উল্লেখ্য যে পশ্চিমবংগৰ চাৰিখন জিলাৰ লগতে অসমৰ ধুবুৰী, কোকৰাঝাৰ, বঙাইগাঁও, গোৱালপাৰাক সামৰি স্বাধীন কমতাপুৰ ৰাজ্য গঠনৰ দাবীত সশস্ত্ৰ সংগ্ৰামৰ অৰ্থে ১৯৯৫ ৰ পৰাই কে এলঅগঠন কৰি কাম-কাজ কৰি আহিছে।

# পাণবাৰীত মানাহৰ পৰা

*তিনি পৃষ্ঠাৰ পৰা* ভালুকটোৱে পুনৰ উপদ্ৰৱ চলোৱাত বন বিভাগ আৰু বন্য প্ৰাণীৰ সুৰক্ষাক লৈ কাম কৰা বন বিভাগৰ লোকে উপস্থিত হৈ ট্ৰেংকুলাইজড কৰিবলৈ চেষ্টা কৰে যদিও ব্যৰ্থ হয়। পাছত সফল হোৱাত জব্দ কৰি লৈ যায়। চিকিৎসাৰ অন্তত ভালুকটো মানাহ ৰাষ্ট্ৰীয় উদ্যানত এৰি দিয়া হ'ব বুলি বন বিভাগে সদৰী কৰিছে। বন বিভাগে সদৰী কৰা মতে, উদ্যানখনত ভালুকৰ সংখ্যা বৃদ্ধি পোৱাৰ ফলত এইদৰে ভালুক ওলোৱা পৰিলক্ষিত হৈছে বুলি কয়।

# বাগ্‌সা পলিটেকনিকৰ সমস্যা

*তিনি পৃষ্ঠাৰ পৰা* বাংলাত পৰিণত হৈছে। সেয়ে এশ এবুৰি সমস্যাৰে জৰ্জৰিত এই অভিযান্ত্ৰিক প্ৰতিষ্ঠানখনৰ সমস্যাসমূহৰ সমাধানৰ দাবীত আজি প্ৰতিষ্ঠানৰ ছাত্ৰ একতা সভাৰ নেতৃত্বত এই প্ৰতিবাদ ৰূপায়ণ কৰে। প্ৰতিবাদকাৰী ছাত্ৰ-ছাত্ৰীসকলে ছাত্ৰ-ছাত্ৰীৰ বাবে শীঘ্ৰে নিবাসৰ ব্যৱস্থা কৰক, পুথিভঁৰালত পৰ্যাপ্ত পৰিমাণৰ গ্ৰন্থৰ ব্যৱস্থা কৰক, চৌহদৰ দেৱালৰ ব্যৱস্থা কৰক আদি শ্ল'গানেৰে পৰিস্থিতি উত্তাল কৰে।

# অভয়াপুৰীৰ দেওহাটীত সাতটা চুৰি

*তিনি পৃষ্ঠাৰ পৰা* ঘাইপথেৰে উত্তৰ শালমাৰা দিশলৈ চুৰি ছাগলী কঢ়িয়াই নিছিল। এই বিষয়ে জানিব পাৰি একাংশ লোকে বাহনখনৰ পিছ লোৱাত দেওহাটী ৰেল ক্ৰছিং পাওঁতেই ছাগলী কঢ়িয়াই নিয়া বাহনখনৰ চালকজনে বাহন এৰি পলায়ন কৰে। পাছত উত্তৰ শালমাৰা আৰক্ষীয়ে বাহনখনৰ পৰা মুখত চেলোটেপ মৰা অৱস্থাত বাহনখনৰ ডিকীৰ পৰা সাতটা ছাগলী উদ্ধাৰ কৰি বাহনখন জব্দ কৰে।

# শোণিতপুৰৰ আশাকৰ্মী বাৰ্মিতা মমিনলৈ অসম গৌৰৱ বঁটা

*তিনি পৃষ্ঠাৰ পৰা* কৰাৰ লগতে মৃত্যুৰ ভাবুকিও দিছিল বুলিও তেওঁ জানিবলৈ দিয়ে। তদুপৰি, আশাকৰ্মীগৰাকীয়ে গাঁওখনত চৰকাৰী প্ৰতিষেধকৰ ব্যৱস্থা কৰাৰ বাবে গাঁওসভা পাতি একাংশই তেওঁক হাৰাশাস্তিও কৰিছিল। তৎসত্ত্বেও নিজ কৰ্তব্যত অটল থাকি এইগৰাকী আশাকৰ্মীয়ে নিজৰ দায়িত্ব সম্পাদন কৰি গৈছিল। আজি এইগৰাকী দায়িত্বশীল তথা কৰ্তব্যপৰায়ণা আশাকৰ্মীয়ে ৰাজ্য চৰকাৰৰ অসম গৌৰৱ বঁটা লাভ কৰাত অঞ্চলবাসীৰ লগতে স্বাস্থ্য বিভাগে সন্তোষ প্ৰকাশ কৰি তেওঁক অভিনন্দন জ্ঞাপন কৰে।


NO.DVT-90/Pt-1/RILEM/2021-22/15

Separate sealed tender in plain paper affixing non-refundable court fee stamp of Rs. 8.25 (Rupees eight and paise twenty five) only for a validity period of 180 (one hundred eighty) days are hereby invited from the eligible contractors duly registered under Animal Husbandry & Veterinary Deptt. Assam, Guwahati-3 and Dairy Development Deptt. of Assam, Khanapara, Guwahati-22 for the following work under RKVY as shown in the table below and will be received by the undersigned before 14.00 hours of 09.12.2021 and will be opened on the same day at 14-30 hours in presence of tenderers or their authorized representative who wish to attend the same.

If the date of the opening of tender happens to be a holiday / bandh or if it is not possible to receive tenders in stipulated date for any unforeseen reason, the next working day will be considered as the last date for receipt / opening of the tenders.

| Group No | Name of work | App. Value of work (Rs.) | Earnest Money (@2%) for General (Rs.) | Earnest Money (@1%) for SC, ST, OBC, MOBC (Rs.) | Period of completion |
|---|---|---|---|---|---|
| 1 | Supplying fitting fixing of plumbing material to Hostel bldg, Repairing and replacement of damaged submersible pump set and repairing R.C. Slab top of Hostel building at IFM Rani. | 5,72,150.00 | 11,443.00 | 5,722.00 | 30 days |
| 2 | Construction of Security room in front of Administrative block, Installation of M.S. Signboard with radium finish (2 Nos.), Repairing of DTW and transformer etc. at IFM Rani. | 5,25,981.00 | 10,520 | 5,260.00 | 30 days |
| 3 | Supplying fitting and fixing with installation of new Rabbit Iron cage (15 Nos.) and repairing of Iron cage (existing) for Rabbit (60 Nos.) at IBV, Khanapara, Ghy-22 | 2,57,009.00 | 5,140.00 | 2,570.00 | 30 days |

Detail tender notice, terms and condition and other particulars of works may be seen in the Engineering Section of this Directorate during office hours.

Sd/-
Director
A.H. & Vety. Deptt. Assam,
Chenikuthi, Guwahati-03

Janasanyog/C/8582/21



**No. DME/1.5Tesla/LMCH/329/2021/22402**

**INVITATION FOR E-BID (IFB)**
**GLOBAL COMPETETIVE BIDDING**

E-Tenders are invited online through e-procurement system i.e. through website www.assamtenders.gov.in from the intending Manufacturer/Accredited Dealers for Supply, Installation & Commissioning of 1.5 Tesla MRI Machine for Lakhimpur Medical College & Hospital, North Lakhimpur On Turnkey Basis, under the Health & F.W. Department, Govt. of Assam.

The e-Tender is Two-Bid System, to be submitted with affixed Court Fee Stamp Rs.8.25 (Rupees eight point two five paisa) only (for local bidders) or IPO of Rs. 10/- (Rupees Ten) only (in case of bidders from outside of the State of Assam) in favour of "Director of Medical Education, Assam, Sixmile, Khanapara,Guwahati-781022.

**Important dates of the e-Tender**

| Sl. No. | Scheduled | Start Date | Start Time | End Date | End Time |
|---|---|---|---|---|---|
| 1. | e- Tender Publishing | 05 -12-2021 | 12.00 Noon | - | - |
| 2. | e- Tender Download | 07-12-2021 | 12.00 Noon | 06-01-2022 | 12.00 Noon |
| 3. | Pre-Bid Meeting | 21-12-2021 | 11.00 AM | Venue - Room No. 4C, 2nd Floor, Directorate of Medical Education, Assam, Sixmile, Guwahati-32 | |
| 4. | Bid Submission | 22-12-2021 | 02.00 PM | 06-01-2022 | 02.00 PM |
| 5. | Bid Opening | 06-01-2022 | 03.00 PM | | |

1. **Brief Schedule**

| Sl No. | Description (Name of the Items) | Bid Security (E.M.D.) | Delivery/ Installation schedule/ Completion period | Tender fees in Rs. | Eligibility |
|---|---|---|---|---|---|
| 1. | Supply & Installation & Commissioning of 1.5 Tesla MRI Machine for Lakhimpur Medical College & Hospital, North Lakhimpur On Turnkey Basis | Rs. 1.00 Lakh | **75 days** | Rs. 5000/- | Manufacturer/ accredited Dealer |

The detailed information of bidding documents are available online through e-procurement system i.e. through website www.assamtenders.gov.in only. The bidders would be required to register in the website for submission of the bids. The bidders are required to have Digital Signature (DSC) from any of the Certifying Authorities. Aspiring bidders who have not obtained the user ID and password for participating in e-procurement may obtain the same by registering in the www.assamtenders.gov.in. The requirements to register with the e-procurement portal are available on the website indicated above. The tender fees is non refundable and payable in favour of the "Director of Medical Education, Assam, Sixmile, Khanapara, Guwahati-781022, at SBI-Dispur (Guwahati) Branch.

*Sd/-*

Janasanyog/C/8570/21

Director of Medical Education, Assam

## ■ মাৰণাস্ত্ৰ, দুচকীয়া, চাৰিচকীয়া বাহনসহ বিভিন্ন আপত্তিজনক সামগ্ৰী জব্দ

# আৰক্ষীৰ জালত ছয় প্ৰৱঞ্চক-ড্ৰাগছ সৰবৰাহকাৰী

অগ্ৰদূত বাৰ্তা

**চাপৰ, ৪ ডিচেম্বৰ ঃ** যোৱা নিশা ধুবুৰী জিলাৰ চাপৰ আৰক্ষীৰ পৃথক পৃথক দুটা অভিযানত চাপৰৰ ৰঙামাটি হলদিবাৰীৰ পৰা পাঁচজন ঠগ-প্ৰৱঞ্চকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱাৰ বিপৰীতে চাপৰ চহৰৰ সত্যপুৰ (ৱাৰ্ড নং-৮)ৰ পৰা এটা দাগী ড্ৰাগছ সৰবৰাহকাৰীও গ্ৰেপ্তাৰ কৰে। লগতে এটা মাৰণাস্ত্ৰ, এখন মটৰ চাইকেল, এখন চাৰিচকীয়া বাহনসহ বহু আপত্তিজনক সামগ্ৰীও জব্দ কৰে। উল্লেখ্য যে যোৱা নিশা এক বিশেষ সূত্ৰৰ পমখেদি লাভ কৰা খবৰ অনুসৰি আৰক্ষীয়ে সত্যপুৰৰ বাসিন্দা তথা পূৰ্বতেও ড্ৰাগছ সৰবৰাহৰ গোচৰত কাৰাবাস খাটি অহা জনমণি দাস (৩০)ৰ ঘৰত অভিযান চলায়। অভিযানত জনমণিক হাতে লোটে গ্ৰেপ্তাৰ কৰাৰ লগতে তেওঁৰ পৰা বৃহৎ পৰিমাণৰ ড্ৰাগছসহ এ এছ-১৭ ডি-৮০৮৩ নম্বৰৰ মটৰ চাইকেল, এটা সন্দেহজনক মাৰণাস্ত্ৰ আৰু বহু আপত্তিজনক সামগ্ৰী জব্দ কৰে। ইপিনে, যোৱা নিশাই ৰঙামাটিত আন এক বৃহৎ অভিযান চলাই আৰক্ষীয়ে পাঁচজনকৈ প্ৰৱঞ্চকক গ্ৰেপ্তাৰ কৰে। তেওঁলোকৰ পৰা এ এছ-১৯ চি-০১১০ নম্বৰৰ এখন টাটা চুম'সহ চাৰি টুকুৰা তথাকথিত বন মানুহৰ হাঁড়, ছটা ম'বাইল ফোন আৰু বহু আপত্তিজনক সামগ্ৰী জব্দ কৰে। ধৃত প্ৰৱঞ্চকজন ক্ৰমে জিয়াৰুল খান (৩৫), শিঙাৰপাক, নাবিয়াল শ্বেখ (৫০), হলদিবাৰী, মুজাফৰ আলী (৪৫), মাজেৰগাঁও, বদিয়াল শ্বেখ (৩৬), হলদিবাৰী আৰু ৰফিকুল হক (২৪), ছালাকাটি। প্ৰৱঞ্চককেইজনে ৰঙামাটি-হালদিবাৰীৰ সমীৰ আলী (৪০)ৰ ঘৰত বন মানুহৰ হাঁড়ৰ ভেল্কিবাজী প্ৰদৰ্শন কৰি থাকোতে আৰক্ষীয়ে হাতে-লোটে আটক কৰে যদিও গৃহস্থ সমীৰে পলায়ন কৰে। উল্লেখ্য যে অঞ্চলটোত এটা চক্ৰই এই ধৰণৰ অন্ধবিশ্বাসৰ ওপৰত ভিত্তি কৰি হনুমান মাৰ্কা মুদ্ৰা, লাল মুদ্ৰা, হুদু চৰাইৰ পাখি, পাথৰ আদিৰ এক বৃহৎ চোৰাং ব্যৱসায় চলাই অহাৰ অভিযোগ উত্থাপিত হৈ আহিছে।

## আজাৰাত এক কোটি টকাৰ হেৰ'ইনসহ ধৃত পুৰুষ-মহিলা

অগ্ৰদূত বাৰ্তা

**আজাৰা, ৪ ডিচেম্বৰ ঃ** গুৱাহাটী মহানগৰীৰ পশ্চিম প্ৰান্তত ড্ৰাগছৰ সৰবৰাহ বৃদ্ধি পাইছে। মহানগৰীৰ আজাৰা আৰক্ষী থানাৰ অন্তৰ্গত ভি আই পি অঞ্চলত আজি আৰক্ষীয়ে এক বিশেষ সূত্ৰৰ পমখেদি অভিযান চলায়। আজাৰা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া তপন কলিতাৰ নেতৃত্বত চলোৱা অভিযান কালত প্ৰায় পাঁচশ গ্ৰাম হেৰ'ইনৰ লগতে দুই পুৰুষ-মহিলাক গ্ৰেপ্তাৰ কৰে। অভিযানত ড্ৰাগছ সৰবৰাহকাৰী আব্দুল মতলেব (৪৭) আৰু ৰেথেলা মাৰাক (৪৭)ক আটক কৰে। জব্দ কৰা ড্ৰাগছখিনিৰ বজাৰমূল্য এক কোটিৰো অধিক হ'ব বুলি আৰক্ষীয়ে সদৰী কৰিছে।



## কঠিয়াতলিত দুৰ্বৃত্তই ক্ষতিসাধন কৰিলে ধান-শাক-পাচলিৰ খেতি

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ৪ ডিচেম্বৰ ঃ** যোৱা দুই ডিচেম্বৰৰ নিশা নিজ কঠিয়াতলিত পথাৰৰ ধান আৰু শাক-পাচলিৰ খেতি দুবৃত্তই ক্ষতিসাধন কৰাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বাতৰি অনুসৰি, কঠিয়াতলিৰ সৎনামী গাঁও আৰু জমুৰমুৰ গৰীয়া গাঁৱৰ কে'বাজনো কৃষক খেতি পথাৰত সংঘটিত হৈছে এই ঘটনা। আঘোণ মহীয়া পথাৰত শুকাবলৈ কাটি থোৱা ধান দুৰ্বৃত্তই এফালৰ পৰা নষ্ট কৰাৰ লগতে বাৰীৰ পাচলি ছিঙি-ভাঙি সম্পূৰ্ণৰূপে ধ্বংস কৰে দুৰ্বৃত্তৰ দলটোৱে। পুৱা নিজৰ খেতিডৰা এনে অৱস্থাত দেখি



হতচকিত হৈ পৰে কৃষকসকল। ঘটনা সন্দৰ্ভত ভুক্তভোগী লোককেইজনে স্থানীয় আৰক্ষীৰ কাষ চাপে।

## নগাঁও আৰক্ষীৰ সহকাৰী উপ-পৰিদৰ্শক গজেন নাথৰ মৃত্যু

বিশেষ সংবাদদাতা

**নগাঁও, ৪ ডিচেম্বৰ ঃ** নগাঁৱৰ আৰক্ষীৰ বিশেষ শাখাৰ উপ-পৰিদৰ্শক গজেন নাথ (৫০)ৰ আজি পুৱা গুৱাহাটী মহানগৰীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। কিছুদিন ধৰি অসুস্থ হৈ থকা নাথক পৰিয়ালৰ লোকে চাৰিদিনৰ পূৰ্বে গুৱাহাটীৰ ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। নিষ্ঠাবান আৰক্ষী বিষয়াৰূপে পৰিচিত নাথৰ মৃত্যুত নগাঁও আৰক্ষীৰ বিশেষ শাখাৰ বিষয়া-কৰ্মচাৰীসকলে গভীৰ শোক প্ৰকাশ কৰিছে। নগাঁও চহৰৰ সমীপৰ শেনছোৱাৰ বাসিন্দা নাথে মৃত্যুৰ সময়ত পুত্ৰ-কন্যাসহ বহু আত্মীয়-স্বজনক এৰি যায়।

## মঙলদৈৰ চেৰেং চাপৰিত প্ৰশাসনে জ্বলালে ড্ৰাগছসহ নিচাযুক্ত সামগ্ৰী

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ৪ ডিচেম্বৰ ঃ** তিনিবছৰে দৰং জিলাৰ বিভিন্ন প্ৰান্তত আৰক্ষীয়ে অভিযান চলাই জব্দ কৰা বৃহৎ পৰিমাণৰ নিচাযুক্ত সামগ্ৰী যোৱা তিনি ডিচেম্বৰত জ্বলাই দিয়ে জিলা প্ৰশাসনে। উক্ত অনুষ্ঠানত উপস্থিত থাকে আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মা, অতিৰিক্ত উপায়ুক্ত সঞ্জীৱ বৰা, স্বাস্থ্যকৰ্মীৰ লগতে একাংশ আৰক্ষীৰ লোক। ২০১৮ৰ পৰা জিলাখনৰ বিভিন্ন অঞ্চলত চলোৱা অভিযানত জব্দ কৰা সামগ্ৰীসমূহৰ ভিতৰত আছে ৪৫২ কিলোগ্ৰাম গাঞ্জা, ৩১ গ্ৰাম ব্ৰাউন ছুগাৰ, সাত গ্ৰাম হেৰ'ইন, ৪২৫ বটল কাঁহৰ চিৰাপ, ১১০০ নেত্ৰচেক টেবলেট। দৰং জিলাৰ ছখন থানাই এই নিচাজাতীয় দ্ৰব্যখিনি জব্দ কৰিছিল। ইয়াৰ পূৰ্বে ২০১৮ত জব্দকৃত এনে নিচাজাতীয় দ্ৰব্য প্ৰশাসনে জ্বলাইছিল।

## ভৰালীটোলাস্থিত কণ্ঠিৰাম দাস নৱোদয় সংঘ পুথিভঁৰাল-নাট্য সন্মিলনৰ চাফাই অভিযান

অগ্ৰদূত বাৰ্তা

**হাজো, ৪ ডিচেম্বৰ ঃ** হাজোৰ ভৰাঁলীটোলাস্থিত কণ্ঠিৰাম দাস নৱোদয় সংঘ পুথিভৰালত অসম আৰু নাট্য সন্মিলন হাজো শাখাৰ উদ্যোগত আজিৰে পৰা এটি চাফাই অভিযান কাৰ্যসূচী আৰম্ভ কৰা হয়। অৱশ্যে এখন সেউজীয়া পৃথিৱীত প্লাষ্টিক মুক্ত পৰিৱেশ গঢ় দিয়াৰ লক্ষ্যৰে কণ্ঠিৰাম দাস নৱোদয় সংঘ পুথিভৰালৰ চৌপাশ আৰু পৰিষ্কাৰ কৰা হয়। অনাগত দিনতো হাজো অঞ্চলৰ প্ৰান্তে প্ৰান্তে চাফাই অভিযান কাৰ্যসূচী অব্যাহত থাকিব বুলি উল্লেখ কৰে উদ্যোক্তাবৃন্দই। কাৰ্যসূচীত সক্ৰিয়ভাৱে সহযোগ কৰে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ প্ৰাক্তন সহকাৰী অভিযন্তা ৰত্নকাৰ নায়কে। তদুপৰি অনুষ্ঠানত উপস্থিত থাকে কামৰূপ জিলা সমিতিৰ সহকাৰী সম্পাদক দ্বীজেন ভৰালী, অসম নাট্য সন্মিলন হাজো শাখাৰ সম্পাদক কিচিন দাস, অসম নাট্য সন্মিলন হাজো শাখাৰ কাৰ্যকৰী সভাপতি শংকৰ দাস, নাট্যকৰ্মী বিবেকানন্দ দাস, ৰোহিনী কুমাৰ প্ৰমুখ্যে প্ৰায় সংখ্যক বিশিষ্ট ব্যক্তি।

## চাৰিদুৱাৰত ডাম্পাৰৰ খুন্দাত মহিলা নিহত

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ৪ ডিচেম্বৰ ঃ** নম্বৰ প্লেটহীন এখন তীব্ৰবেগী ডাম্পাৰে আজি দুপৰীয়া এগৰাকী মহিলাক মহটিয়াই নিয়াত ঘটনাস্থলীতে মৃত্যু হয়। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি, চাৰিদুৱাৰৰ গামানীৰ বাসিন্দা নয়নমণি দাসে পত্নী মালতী দাস বৰ্মনসহ স্কুটীৰে নিজৰ সন্তানক চাৰিদুৱাৰ ফৰেষ্টগেটস্থিত জিয়ন ইংলিছ স্কুলৰ পৰা লৈ ঘৰলৈ বুলি ৰাওনা হৈ থকাৰ সময়তে চাৰিদুৱাৰ-ভালুকপুং পথৰ ৰেলগেটৰ স্পীড ব্ৰেকাৰৰ সমীপতে পাছফালৰ পৰা আহি থকা এখন নম্বৰ প্লেটহীন বাবা বিশ্বনাথ নামৰ এখন তীব্ৰবেগী ডাম্পাৰে প্ৰচণ্ড জোৰত খুন্দা মাৰে। ফলত স্কুটীখনৰ পৰা মহিলাগৰাকী পথত বাগৰি পৰি যোৱাত ডাম্পাৰখনে মহটিয়াই নিয়ে। এই লোমহৰ্ষক দুৰ্ঘটনাত মহিলাগৰাকীৰ শৰীৰৰ অৰ্ধাংশ ছিন্ন-ভিন্ন হৈ পৰে। ঘটনাস্থলীতে মহিলাগৰাকীৰ মৃত্যু হয়। দুৰ্ঘটনাটোত কথমপি প্ৰাণ ৰক্ষা পৰে মহিলাগৰাকীৰ স্বামী আৰু পুত্ৰৰ। স্থানীয় ৰাইজে দুৰ্ঘটনাটো সংঘটিত কৰা ডাম্পাৰখন আবদ্ধ কৰি পাছত চাৰিদুৱাৰ আৰক্ষী থানাত গতাই দিয়ে। ঘটনাস্থলীত চাৰিদুৱাৰ আৰক্ষী থানাৰ যান বাহন আৰক্ষী উপস্থিত হৈ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে। উল্লেখ্য যে এই পথত দৈনিক বহু সংখ্যক ডাম্পাৰ চলে আৰু ইয়াৰে একাংশৰ অতপালিয়ে ৰাইজৰ অতিষ্ঠ কৰিছে।

## সমাজকৰ্মী জগত চন্দ্ৰ দাসৰ মৃত্যু ঃ জামুগুৰিহাটত শোক

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৪ ডিচেম্বৰ ঃ** জামুগুৰিহাটৰ সৰুভগীয়া গাঁৱৰ বিশিষ্ট সমাজকৰ্মী, কৃতী শিক্ষক, বাৰেচহৰীয়া ভাওনা উদ্‌যাপন সমিতিৰ প্ৰাক্তন কাৰ্যকৰী সভাপতি জগত চন্দ্ৰ দাসৰ আজি বিয়লি ১০১ বছৰ বয়সত পৰলোকপ্ৰাপ্তি ঘটে। বাৰ্ধক্যজনিত কাৰণত নিজা বাসগৃহতেই শেষ নিশ্বাস ত্যাগ কৰা এইজন প্ৰবীণ সমাজহিতৈষীয়ে সৰুভগীয়া প্ৰাথমিক বিদ্যালয় প্ৰধান শিক্ষক, জামুগুৰি মডেল স্কুলৰ প্ৰধান শিক্ষককে ধৰি অঞ্চলটোৰ বহুকেইখন অগ্ৰণী প্ৰাথমিক বিদ্যালয়ত শিক্ষাদান কৰি মূল্যবোধৰ শিক্ষাৰে মানৱ সম্পদ গঢ়াত আত্মনিয়োগ কৰিছিল। জামুগুৰিহাটৰ অন্যতম প্ৰাচীন আধ্যাত্মিক অনুষ্ঠান বাৰেচহৰীয়া ৰাইজ সভাৰ এজন একান্ত সেৱক, ঐতিহ্যমণ্ডিত বাৰেচহৰীয়া ভাওনাৰ বিভিন্ন সময়ত উদ্‌যাপন সমিতিৰ বিশেষ দায়িত্ব গ্ৰহণ কৰাৰ লগতে ২০০৭ত কাৰ্যকৰী সভাপতিৰ দায়িত্ব গ্ৰহণ কৰি বাৰেচহৰীয়া ভাওনাক সাৰ্বজনীন মাত্ৰা প্ৰদানত অৰিহণা আগবঢ়োৱা এইগৰাকী স্থিতপ্ৰজ্ঞাজন ব্যক্তিৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে সৰুভগীয়াস্থিত বাসগৃহত গুণমুগ্ধই ভৰি পৰাৰ লগতে যুৱ সমাজকৰ্মী জয়ন্ত দাসে আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বাৰেচহৰীয়া ভাওনা কমিটী, বাৰেচহৰীয়া ৰাইজ সভা, অসমীয়া সাহিত্য সন্মিলনী, প্ৰাথমিক শিক্ষক সন্মিলনী, সৰুভগীয়া গাঁও উন্নয়ন সমিতি, সৰুভগীয়া মহিলা সমিতি, সৰুভগীয়া যুৱক সংঘকে ধৰি কুৰিৰো অধিক অনুষ্ঠান-প্ৰতিষ্ঠানে দাসৰ নশ্বৰদেহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত দাসে একমাত্ৰ পুত্ৰ-বোৱাৰী, তিনিগৰাকী জী-জোঁৱাই, নাতি-নাতিনীক এৰি যায়।

# মুখ্যমন্ত্ৰী হোৱাৰ যোগ্যতা মহিলাৰ আছে

## ■ বিজেপিৰ মহিলা মৰ্চাই আৰম্ভ কৰিব 'মূলাগাভৰু' শীৰ্ষক সূচী

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ৪ ডিচেম্বৰ ঃ** 'এগৰাকী চাহ বিক্ৰী কৰা ব্যক্তি যদি দেশৰ প্ৰধানমন্ত্ৰী হ'ব পাৰে তেনেহ'লে এগৰাকী মহিলা ৰাজ্যৰ মুখ্যমন্ত্ৰীও হ'ব পাৰে।' এই মন্তব্য বিজেপিৰ ৰাজ্যিক মহিলা মৰ্চাৰ সভানেত্ৰী তথা প্ৰাক্তন বিধায়িকা আঙুৰলতা ডেকাৰ। শাসকীয় দলটোৰ মহিলা মৰ্চাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সভাৰ বাবে তেজপুৰত উপস্থিত হোৱা বিজেপি নেত্ৰীগৰাকীয়ে এক সংবাদমেলত এক প্ৰশ্নৰ উত্তৰত এইদৰে কয়। তেওঁ যে ৰাজ্যৰ মহিলাসকলক স্বনিৰ্ভৰ কৰি তোলাৰ বাবে বিজেপিৰ ৰাজ্যিক মহিলা মৰ্চাই গ্ৰহণ কৰিব বিশেষ পদক্ষেপ। সেই পদক্ষেপৰ অংশ হিচাপে মহিলাসকলক আত্মৰক্ষাৰ কৌশল শিকোৱা হ'ব। কিশোৰী-যুৱতীসকলক মহিলা মৰ্চাৰ প্ৰতিখন জিলা সমিতিৰ তত্ত্বাৱধানত সমৰকলাৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব আৰু এই সূচীৰ নাম দিয়া হ'ব মূলাগাভৰু। তদুপৰি, পাঁচৰ পৰা সাত নৱেম্বৰলৈ ড° মামণি ৰয়ছম গোস্বামী সোঁৱৰণী বক্তৃতা অনুষ্ঠিত কৰা হ'ব। উল্লেখ্য যে মহিলা মৰ্চাৰ ৰাজ্যিক সভানেত্ৰীৰ দায়িত্ব গ্ৰহণৰ পাছত আজিৰে পৰা তেজপুৰত অনুষ্ঠিত হৈছে ৰাজ্যিক মহিলা মৰ্চাৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা। মাজগাঁৱৰ হিলবিল নামৰ বিবাহভৱনত আয়োজিত



কাৰ্যনিৰ্বাহক সভা উপলক্ষে আজি বিয়লি চাৰিবজাত অনুষ্ঠিত সংবাদমেলখনত ডেকাই কয় যে ৰাজ্যখনত ক'ভিডকালীন সময়ত সামাজিক মাধ্যমত সক্ৰিয়তা যথেষ্ট বৃদ্ধি পাইছে। আনহাতে, সামাজিক মাধ্যমৰ জৰিয়তে ৰাজ্যৰ বহু সংখ্যক কিশোৰী আৰু যুৱতীয়ে জীৱন সংগী নিৰ্বাচনত ভুল কৰা বুলি উল্লেখ কৰি এইক্ষেত্ৰতো সজাগতা সৃষ্টিৰ উপৰি যৌনশিক্ষাৰ বিষয়েও সজাগ কৰাৰ প্ৰয়াস কৰা হ'ব বুলি কয় প্ৰাক্তন বিধায়িকাগৰাকীয়ে। ঘৰুৱা হিংসাৰ লগতে মহিলাসকলৰ ওপৰত সংঘটিত বিভিন্ন নিৰ্যাতনৰ বিপৰীতে মহিলাসকলক আত্মনিৰ্ভৰশীল হিচাপে গঢ়ি তোলা তথা মহিলা সবলীকৰণৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হ'ব বুলিও তেওঁ কয়। সংবাদমেলত বিজেপি নেত্ৰীগৰাকীক তেজপুৰ অকথ্য নিৰ্যাতন আৰু ইয়াৰ পাছত আৰক্ষী বিভাগৰ কনিষ্টবল স্বামী স্ত্ৰীয়ে কিশোৰগৰাকীৰ কোনোধৰণৰ চিকিৎসা নকৰাকৈ তেজপুৰৰ ঘৰত পেলাই থৈ যোৱাৰ পাছত কিশোৰীগৰাকীৰ মৃত্যু ঘটাৰ বিষয়েও অৱগত কৰা হয়। উল্লেখ্য যে কিশোৰীগৰাকীৰ মৃত্যুৰ পাছত তেওঁৰ শাৰীৰিক অৱস্থা দেখি কাৰ্যবাহী দণ্ডাধীশেও নিৰ্যাতন চলা বুলি মন্তব্য কৰিছিল যদিও অভিযুক্ত আৰক্ষী দম্পতী কোনোধৰণৰ আইনী ব্যৱস্থাৰ আজিলৈকে সন্মুখীন নহ'ল। এই বিষয়টো ডেকাই ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ দৃষ্টিগোচৰ কৰিব বুলিও কয়। ইপিনে, সংবাদমেলত অনাগত লোকসভা তথা বিধানসভা নিৰ্বাচনত মহিলাৰ বাবে বৰ্তমানতকৈ অধিক আসন দাবী কৰা হ'ব নেকি বুলি সাংবাদিকে কৰা এক প্ৰশ্নৰ উত্তৰ দি ডেকাই কয় যে সংৰক্ষণতকৈ মহিলাসকল যোগ্য হৈ উঠাটোহে ডাঙৰ কথা। আনহাতে, মুখ্যমন্ত্ৰী হ'ব পৰা যোগ্যতা বিজেপিৰ মহিলাসকলৰ মাজত আছে আৰু সপোন সকলোৱে দেখিব লাগে, কিন্তু সেই সপোন মাটিত থাকিহে দেখিব লাগে বুলি তেওঁ মন্তব্য কৰে। তেওঁ আৰু কয় যে ২০২৬ত ৰাজ্যৰ মুখ্যমন্ত্ৰী হ'বলৈ অৱশ্যে বিজেপিৰ কোনো মহিলা কৰ্মীয়ে বিচৰা নাই। মহিলাসকলে ইয়াৰ বাবে যোগ্যতা অৰ্জন কৰিবলৈ কঠোৰ পৰিশ্ৰম তথা অধ্যয়ন কৰিব লাগিব বুলি উল্লেখ কৰি লগতে কয় যে কেৱল সপোন দেখি আকাশত উৰি ফুৰিলেই নহ'ব। আনহাতে, বৰ্তমান প্ৰতিটো ৰাজনৈতিক দলৰে মহিলাসকল সক্ৰিয় আৰু ৰাজনৈতিক ক্ষেত্ৰত আগবঢ়া বুলিও তেওঁ কয়। পৌৰ নিৰ্বাচনতো মহিলা কৰ্মীসকলে বিশেষ দায়িত্ব পালন কৰিব বুলি তেওঁ কয়। উল্লেখ্য যে কাইলৈৰ সভাত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপৰি বিজেপিৰ এগৰাকী ৰাষ্ট্ৰীয় নেত্ৰীসহ বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ দাস, সাধাৰণ সম্পাদক ফণী শৰ্মা, ৰাষ্ট্ৰীয় সম্পাদক দিলীপ শইকীয়া, কুল গোহাঁই, মন্ত্ৰী অজন্তা নেওগ, সাংসদ কুইন ওজা, জয়ন্ত মল্ল বৰুৱা, সাংসদ পল্লৱ লোচন দাসৰ লগতে বিজেপিৰ একাধিক বিধায়কে অংশ ল'ব। বিজেপিৰ ৰাজ্যিক সভাপতিজনে আজিয়েই তেজপুৰত উপস্থিত হৈছে।

## ৰঙাপানীত বিপিএল ছাত্ৰ-ছাত্ৰীৰ পৰাও ধন সংগ্ৰহ অধ্যক্ষৰ

### ■ শিক্ষা বিভাগৰ দুখীয়া ছাত্ৰ-ছাত্ৰীৰ মাচুল ৰেহাই

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ৪ ডিচেম্বৰ ঃ** শিক্ষা বিভাগে দুখীয়া ছাত্ৰ-ছাত্ৰীক সকাহ দিয়াৰ উদ্দেশ্যে নামভৰ্তি মাচুল, পৰীক্ষাৰ মাচুল ৰেহাই দিয়া হ'ব বুলি প্ৰচাৰ কৰি অহাৰ সময়তে বঙাইগাঁও জিলাৰ বিদ্যালয়সমূহৰ অন্তৰ্গত একাংশ বিদ্যালয়ত মাচুল ৰেহাই নিদিয়াৰ অভিযোগ উত্থাপন হৈছে। উল্লেখ্য যে শিক্ষা বিভাগে দিয়া জাননী অনুসৰি যিসকল ছাত্ৰ-ছাত্ৰীৰ পৰিয়ালৰ বাৰ্ষিক আয় দুই লাখ টকা বা তাতকৈ কম তেনে পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণত মাচুল ৰেহাই দিয়াৰ কথা উল্লেখ কৰিছিল। তেনেক্ষেত্ৰত পৰিদৰ্শকৰ কাৰ্যালয়ৰ অন্তৰ্গত ৰঙাপানীস্থিত পৰমেশ্বৰ মে'ম'ৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দুখীয়া তথা দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীৰ পৰা মাচুল সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপন হৈছে। যিসকল এনে ছাত্ৰ-ছাত্ৰীয়ে মাচুল আদায় দিবলৈ অস্বীকাৰ কৰিছিল তেনে শিক্ষাৰ্থীৰ পৰীক্ষাৰ প্ৰৱেশ পত্ৰ নাপাব বুলি অধ্যক্ষই জনোৱাত মাচুল আদায় দিবলৈ বাধ্য হৈছে। এই সন্দৰ্ভত যোৱা ডিচেম্বৰত বিদ্যালয়সমূহৰ পৰিদৰ্শকক ভুক্তভোগী ছাত্ৰই অভিযোগ দিছে।

## নগাঁৱৰ খাগৰিজান মহাবিদ্যালয়ৰ 'নব্য বৰণ অনুষ্ঠান'

### চাইকেল ষ্টেণ্ড-কেণ্টিন গৃহৰ দ্বাৰ মুকলি বিধায়ক ৰূপক শৰ্মাৰ

বিশেষ সংবাদদাতা

**নগাঁও, ৪ ডিচেম্বৰ ঃ** নগাঁৱৰ খাগৰিজান মহাবিদ্যালয়ে চলিত বৰ্ষত সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰিছে। ইয়াৰ অংশ হিচাপে যোৱা তিনি ডিচেম্বৰত মহাবিদ্যালয়খনত 'নব্য বৰণ' শীৰ্ষক এক অনুষ্ঠান অনুষ্ঠিত হয়। পুৱা মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° ৰমেশ নাথে পতাকা উত্তোলন কৰি অনুষ্ঠান মুকলি কৰে। পুৱা ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ চিনাকি চ'ৰা অনুষ্ঠিত হয়। 'নব্য বৰণ' অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে সমাজ সেৱক কামাখ্যা প্ৰসাদ শৰ্মাই। মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ড° দিলীপ শৰ্মাই উদ্বোধন কৰা অনুষ্ঠানত প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা আৰু আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰজিৎ কুমাৰ ভাগৱতীয়ে অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক নিষ্ঠা আৰু একাগ্ৰতাৰে অধ্যয়নত ব্ৰতী হ'বলৈ আহ্বান জনায়। বিয়লি নগাঁও সদৰ সমষ্টিৰ বিধায়ক উন্নয়ন পুঁজিৰ দ্বাৰা নৱনিৰ্মিত চাইকেল ষ্টেণ্ড আৰু কেণ্টিন গৃহৰ দ্বাৰ মুকলি কৰে বিধায়ক শৰ্মাই। দ্বাৰ মুকলি কৰি বিধায়ক শৰ্মাই কয় যে নগাঁও চহৰৰ কে'বাখনো মহাবিদ্যালয়ে সোণালী জয়ন্তী বৰ্ষ, মহাৰজত জয়ন্তী বৰ্ষ, হীৰক জয়ন্তী বৰ্ষ ইতিমধ্যে উদ্‌যাপন কৰিছে। খাগৰিজান মহাবিদ্যালয়েও এই বৰ্ষত সোণালী জয়ন্তী উৎসৱ উদ্‌যাপন কৰিছে। এয়া নিশ্চিতভাৱে নগাঁৱৰ শিক্ষা ক্ষেত্ৰখনৰ বাবে ভাল খবৰ। বিধায়কজনে মহাবিদ্যালয়খনৰ পুথিভঁৰালৰ বাবে তিনি লাখ টকাৰ সাহায্যৰ কথা ঘোষণা কৰাৰ লগতে মহাবিদ্যালয়খনৰ ইনড'ৰ ষ্টেডিয়াম আৰু ছাত্ৰী জিৰণি কোঠা নিৰ্মাণৰ কাম শীঘ্ৰে আৰম্ভ কৰিব বুলি আশ্বাস প্ৰদান কৰে। ইয়াৰ পাছতে সাংস্কৃতিক বিচিত্ৰা অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানতে শিল্পী কৃষ্ণমণি নাথে গীত পৰিবেশন কৰি সকলোকে মোহিত কৰে।

## একশৰণ নামধৰ্ম জনজাতি সমাজ পূৱ আঞ্চলিক শাখাৰ বাৰ্ষিক অধিবেশনৰ আয়োজন

বিশেষ সংবাদদাতা

**নগাঁও, ৪ ডিচেম্বৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভক্তিধৰ্মৰ আদৰ্শৰে গঠিত একশৰণ নামধৰ্ম জনজাতি সমাজ পূৱ আঞ্চলিক শাখাৰ ৫৮ সংখ্যক বাৰ্ষিক অধিবেশন অহা আঠ আৰু ন জানুৱাৰীত বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাৰ সমীপৱৰ্তী হালধিআটি গাঁৱত থকা শ্ৰীমন্ত শংকৰদেৱ প্ৰাথমিক শাখা নামঘৰ প্ৰাংগণত অনুষ্ঠিত হ'বলগীয়া বাৰ্ষিক অধিবেশনৰ কাৰ্যসূচী অনুসৰি অহা আঠ জানুৱাৰীত বন্তি প্ৰজ্বলন, উষা কীৰ্তন, পৰিৱেশ নিকাকৰণ, খোল প্ৰসংগ, পুৱাৰ প্ৰসংগ, ভকত আদৰণি, ভাগৱত পাঠ আৰম্ভ, প্ৰতিনিধি সভা, আইসকলৰ নাম, সন্ধ্যা প্ৰসংগ আৰু নিশা সত্ৰীয়া নৃত্য, বৰগীত লোকনৃত্য, ধ্ৰুপদী নৃত্যৰ সমাহাৰেৰে সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। ন জানুৱাৰীৰ পুৱাৰ পৰা ধৰ্মধ্বজা উত্তোলন, গছপুলি ৰোপণ, নাম-প্ৰসংগ আদি বিভিন্ন কাৰ্যসূচীৰ পাছত দুপৰীয়া আৰম্ভ হ'ব মুকলি সভা। মুকলি সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব বিশিষ্ট শিল্পী ৰঞ্জিত মহন্ত, জনপ্ৰিয় অভিনেতা নয়ন নিৰ্বাণ বৰুৱা, প্ৰাক্তন বিধায়িকা আঙুৰলতা ডেকাকে ধৰি কে'বাগৰাকী ব্যক্তি। একশৰণ নামধৰ্ম জনজাতি সমাজ পূব আঞ্চলিক শাখাৰ বাৰ্ষিক অধিবেশনৰ সকলো কাৰ্যসূচীত ভক্তপ্ৰাণ ৰাইজৰ সহায়-সহযোগিতা তথা উপস্থিতি কামনা কৰিছে অভ্যৰ্থনা সমিতিৰ হৈ সভাপতি বুদৰ বৰদলৈ, সম্পাদক জিতু বৰদলৈ আৰু সহঃসম্পাদক ৰাজুমনি কোঁৱৰে।

## গীতিকাৰ, অৱসৰপ্ৰাপ্ত বিষয়া লক্ষী বৰকটকীৰ মৃত্যু

বিশেষ সংবাদদাতা

**নগাঁও, ৪ ডিচেম্বৰ ঃ** আকাশবাণী কেন্দ্ৰৰ বিশিষ্ট গীতিকাৰ, শিল্পী, নগাঁও জিলা নিয়োগ বিনিময় কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত জিলা বিষয়া তথা নগাঁও চহৰৰ মধুপুৰ নিবাসী লক্ষী বৰকটকী (৭৫)ৰ আজি বিয়লি মৃত্যু হয়। বৰকটকী বিয়লি নিজ বাসগৃহত গুৰুতৰভাৱে অসুস্থ হৈ পৰাত নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। তেওঁৰ মৃত্যুত নগাঁৱৰ বিধায়ক ৰূপক শৰ্মা, প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাৰ লগতে বিভিন্নজনে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুগৰাকী কন্যা আৰু বহু আত্মীয়-স্বজনৰ এৰি যায়।

# ভাষাক লৈ আমাৰ স্বাভিমান স্তিমিত হৈছে

## ■ হাউলীত 'কৃষ্টিপথাৰ'ৰ কৃষ্টি এৱাৰ্ডছ ২০২১' প্ৰদানত ড° অমলেন্দু চক্ৰৱৰ্তী

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

**পাঠশালা/হাউলী, ৪ ডিচেম্বৰ ঃ** 'ভাষাক লৈ আমাৰ অধিকাৰ, স্বাভিমান স্তিমিত হৈছে। আমি আমাৰ ভাষাক সঠিকভাৱে প্ৰয়োগ কৰিব পৰা নাই। আমাৰ নৱ প্ৰজন্ময়ো নিজৰ জাতীয় ভাষা, সাহিত্য, সংস্কৃতিৰ স্বাভিমানৰ পৰা আঁতৰি আহিছে। আমাৰ ল'ৰা-ছোৱালীয়ে যি মাধ্যমতেই পঢ়িলেও নিজৰ ভাষা, সাহিত্য, সংস্কৃতিৰ প্ৰতি অহংকাৰ, গৌৰৱ, স্বাভিমান এৰি দিব নালাগে।' এইদৰে কয় ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য তথা বিশিষ্ট শিক্ষাবিদ ড° অমলেন্দু চক্ৰৱৰ্তীয়ে আজি হাউলী সাহিত্য সভা ভৱনত 'কৃষ্টিপথাৰ সাহিত্য, সামাজিক, সাংস্কৃতিক কেন্দ্ৰ'ৰ উদ্যোগত অনুষ্ঠিত 'কৃষ্টি এৱাৰ্ডছ ২০২১'ৰ ড° বাণীকান্ত কাকতি বঁটা গ্ৰহণ কৰি দিয়া ভাষণত। ড° অমলেন্দু চক্ৰৱৰ্তীয়ে তেওঁৰ ভাষণত ড° বাণীকান্ত কাকতিৰ আদৰ্শৰে আজিৰ নৱ প্ৰজন্মক আগুৱাই নিবলৈ আৰু ভাষা-সাহিত্য-সংস্কৃতিৰ অধিকাৰ, স্বাভিমানৰ জনজাগৰণৰ ক্ষেত্ৰত প্ৰচাৰ বা সংবাদ মাধ্যমে বিশেষ ভূমিকা গ্ৰহণ কৰিব লাগিব বুলিও মত পোষণ কৰে। উল্লেখ্য যে ড° চক্ৰৱৰ্তীক 'কৃষ্টিপথাৰ সাহিত্য, সামাজিক, সাংস্কৃতিক কেন্দ্ৰ'ই ড° বাণীকান্ত কাকতি বঁটা প্ৰদানৰ লগতে এবছুৰ সভাপতি দ্বীপেন বড়োক উপেন্দ্ৰনাথ ব্ৰহ্ম বঁটা প্ৰদান কৰে। উপেন্দ্ৰনাথ ব্ৰহ্ম বঁটা গ্ৰহণ কৰি এবছুৰ সভাপতি বড়োৱে কয়, 'বড়ো জাতিৰ পিতা উপেন্দ্ৰনাথ ব্ৰহ্মাই জাতিৰ বাবে কাম কৰি গ'ল, তেনেধৰণৰ কাম মই কৰিবলৈ পৰা নাই। মাত্ৰ উপেন্দ্ৰনাথ ব্ৰহ্মাই জাতিৰ বাবে কৰি যোৱা কামবোৰৰ বিষয়ে ৰাইজক অৱগত কৰিহে আহিছোঁ। উপেন্দ্ৰনাথ ব্ৰহ্মাই আগুৱাই নিব বিচৰা বাটেৰে আমি আগুৱাই যাব লাগিব। অসমত স্থায়ী শান্তি, সমন্বয় স্থাপনৰ প্ৰক্ৰিয়াক ঐক্যবদ্ধতাৰে আগুৱাই নিবয়েই লাগিব। দেশ-জাতিৰ বাবে কাম কৰিবই লাগিব। যিমান প্ৰত্যাহ্বান আহিলেও নিজৰ জাতিৰ অধিকাৰৰ হকে, ভাষা-সাহিত্য-সংস্কৃতিৰ স্বাভিমানৰ বাবে মাত মাতিবই লাগিব।' বৰপেটাৰ প্ৰবীণ সাহিত্যিক, সাংবাদিক অক্ষয় কুমাৰ মিশ্ৰৰ সভাপতিত্বত অনুষ্ঠিত, কৃষ্টিপথাৰ সাহিত্য সামাজিক সাংস্কৃতিক কেন্দ্ৰৰ প্ৰধান সম্পাদক মহানন্দ সৰকাৰ দত্তই আঁত ধৰা আৰু আদৰণি ভাষণ দিয়া বঁটা প্ৰদান সভাত ভৱানীপুৰৰ জ্যেষ্ঠ সাংবাদিক ৰাজীৱ তালুকদাৰক 'পৰাগ কুমাৰ দাস স্মৃতি সন্মান বঁটা' প্ৰদান কৰা হয়। আনহাতে, অলক বেনাৰ্জীক 'অসম-বংগ বন্ধু বঁটা', পশ্চিমবংগৰ হাছানুজ জামানক 'হেমাংগ



বিশ্বাস স্মৃতি সন্মান', পশ্চিমবংগৰ মঞ্জুশ্ৰী সৰকাৰ বসু, বৰপেটাৰ কয়াকুছিৰ ছফি আহমেদ, নলবাৰীৰ মোহাইনমিনুৰ ৰহমান, গুৱাহাটীৰ বৰ্ণালী বৰা বৈশ্য, অভয়াপুৰীৰ তৃষ্ণা হাজৰিকাক কাব্যশ্ৰী বঁটা, পশ্চিমবংগৰ জগন্ময় মিশ্ৰ, বিশ্বজিৎ ৰক্ষিত, বৰপেটাৰ ৰতিকান্ত ডেকা, গুৱাহাটীৰ ৰুক্মা চৌধুৰী, কিৰণ দাস, ঢকুৱাখনাৰ প্ৰিয়ংকা চমুৱাক সাহিত্যশ্ৰী বঁটা প্ৰদান কৰা হয়। তদুপৰি সভাত পশ্চিমবঙ্গৰ উজ্জ্বল আইচ আৰু শায়নতানী গুপ্তক কালশ্ৰী বঁটা, পশ্চিমবঙ্গৰ সুৰজিৎ সামন্তক সমাজশ্ৰী বঁটা আৰু বজালীৰ অজয় মালাকৰক সাহিত্যজ্যোতি বঁটা প্ৰদান কৰা হয়। আনহাতে 'দৈনিক অসম' কাকতৰ কাৰ্যবাহী সম্পাদক মুনীন বায়নক জিএল আগৰৱালা সাংবাদিকতা বঁটাৰ বাবে নিৰ্বাচিত কৰিছিল যদিও তেওঁ উপস্থিত থাকিব নোৱাৰাত বঁটাটো আয়োজক সমিতিয়ে পৰৱৰ্তী সময়ত গুৱাহাটীৰ কাকতৰ কাৰ্যালয়ত প্ৰদান কৰিব বুলি আয়োজক সমিতিয়ে সভাত ঘোষণা কৰে। বঁটা প্ৰদান অনুষ্ঠানত বিশিষ্ট সাহিত্যিক তথা সাহিত্যিক পেঞ্চনাৰ ডাঃ মাণিকলাল ভৌমিক, কবি নঞ্জু দত্ত, বিশিষ্টা লেখিকা মধুস্মিতা চক্ৰৱৰ্তী, আনন্দমুখৰ পত্ৰিকাৰ সম্পাদক, সাহিত্যিক সুপৰ্ণা ৰায়, হাউলী সাহিত্য সভাৰ সভাপতি নৃপেন পূজাৰী, সম্পাদক চম্পক নাথে নিমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকে। বঁটা প্ৰদান অনুষ্ঠানত অসমৰ ভিন্ন প্ৰান্তৰ প্ৰায় একুৰি কবিয়ে স্বৰচিত কবিতা পাঠ কৰাৰ লগতে সুপৰ্ণা ৰায় সম্পাদিত 'আনন্দ মুখৰ সংবাদপত্ৰ' নামৰ ডিজিটেল কাকতখন উন্মোচন কৰে উপস্থিত অতিথিবৃন্দই। বঁটা প্ৰদান সভাৰ সামৰণি ভাষণ ৰাখে সাংবাদিক ছাহেদ আলী আহমেদে।

## সমাজকৰ্মী তাৰেনী কলিতাৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ৪ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ পূৱপ্ৰান্তৰ সন্ধা গাঁও নিৱাসী সমাজকৰ্মী তথা অসম চৰকাৰৰ গড়কাপ্তানী বিভাগৰ (গৃহ)ৰ অৱসৰী সহকাৰী অভিযন্তা তাৰেনী কলিতা (৬৫) পহিলা ডিচেম্বৰত হৃদযন্ত্ৰৰ ক্ৰিয়া হৈ মৃত্যু হয়। কলিতাই মৃত্যুৰ আগলৈকে অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে সম্পৰ্ক থকাৰ উপৰি নলবাৰী শ্ৰীশ্ৰী হৰিমন্দিৰৰ আজীৱন সভ্য, সন্ধা শ্ৰীমন্ত শংকৰদেৱ সংঘ, সন্ধা মিলন পুথিভড়াল, সন্ধা ৰঙালী বিহু সন্মিলনী, সন্ধা পূব চুবুৰিৰ নামঘৰ আদিৰ স'তে-ওতপ্ৰোতভাৱে জড়িত থকাৰ উপৰি অসম আন্দোলনৰ সময়তো অঞ্চলটোত আগভাগ লৈছিল। তেওঁৰ মৃত্যুত অঞ্চলটোৰ বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰাৰ লগতে অগপ, বিজেপি, আছু, যুৱ ছাত্ৰ পৰিষদ, নলবাৰী হৰিমন্দিৰ, নলবাৰী জিলা ছাত্ৰ সন্থা, সন্ধা আঞ্চলিক ছাত্ৰ সন্থা, সন্ধা গাঁও উন্নয়ন সমিতি আদিয়ে গভীৰ শোক প্ৰকাশ কৰে। তেওঁ মৃত্যুৰ সময়ত পত্নীসহ দুই পুত্ৰ আৰু এগৰাকী জীয়ৰীক ইহসংসাৰত এৰি যায়।

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ৫ ডিচেম্বৰ, দেওবাৰ, ২০২১ পৃষ্ঠা ১১

# মুখৰ ক'লা পৰা দাগ






ডাঃ যোগেশ দাস
অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক
চৰ্ম আৰু যৌন ৰোগ বিভাগ
গুৱাহাটী মেডিকেল কলেজ
ফোন ঃ ৯৯৫৭৫৬৫৬৫০

কেতিয়াবা কেতিয়াবা মানুহৰ বিশেষকৈ মহিলাৰ মুখত ক'লা দাগ পৰা দেখা যায়। এনেকুৱা দাগে মানুহৰ মনলৈ কেতিয়াবা হীনতা মনোভাব আহিব পাৰে। মানুহৰ অস্বস্তি অনুভৱ হয়। আজিৰ আলোচনাত এই ৰোগৰ বিষয়ে জানো আহক। আমাৰ শৰীৰৰ ছালত মেলানোছাইট নামৰ এবিধ কোষ আছে। এই কোষবোৰে মেলানিন্ নামৰ এবিধ পদাৰ্থ তৈয়াৰ কৰে। এই পদাৰ্থবোৰে আমাৰ ছালৰ কোষবোৰত মিহলি হৈ ছালৰ ৰং তৈয়াৰ কৰে। যদিহে কিবা কাৰণত এই কোষবোৰে মেলানিন্ নামৰ পদাৰ্থ বেছিকৈ তৈয়াৰ কৰে তেন্তে ছালৰ ৰং ক'লা হয়। ঠিক তেনেদৰে এই কোষবোৰৰ পৰা মেলানিন কমকৈ উৎপাদন হ'লে শৰীৰৰ ছালৰ ৰং বগা হয়। কিন্তু যদিহে কিবা কাৰণত এই কোষবোৰে মলানিন্‌ৰ উৎপাদন সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে তেন্তে ছালখনৰ ঠাইডোখৰ সম্পূৰ্ণৰূপে বগা পৰি যায়, যাক আমি শ্বেতৰোগ বা vitiligo বুলি কোৱা হয়। মুখমণ্ডলত অত্যধিক মেলানিন্ উৎপাদন হৈ মুখমণ্ডল ক'লা হোৱাৰ বহুতো কাৰণ থাকিব পাৰে। তাৰে ভিতৰত মেলাছমা, লাইকেন, প্লেনাচ পিগমেণ্টোছা নাইবা আঘাতপ্ৰাপ্ত হোৱাৰ পাছত ঘাঁ শুকুৱাই যোৱাৰ পাছত মুখখন ক'লা পৰা দেখা যায়। কিছুমান দৰবৰ পাৰ্শ্বক্ৰিয়া হৈ মুখখন ক'লা পৰিব পাৰে। কেতিয়াবা মুখত সনা ঔষধিযুক্ত ক্ৰীম নাইবা প্ৰসাধনৰ পাৰ্শ্বক্ৰিয়া হৈও মুখখন ক'লা পৰিব পাৰে। আজিৰ আলোচনাত সঘনে আক্ৰান্ত হোৱা মেলাছমাৰ বিষয়ে আলোচনা কৰিব বিচাৰিছো।

মেলাছমা কি কাৰণত হয় সেয়া আজিলৈকে থিৰাং কৰিব পৰা নাই যদিও বেছিকৈ প্ৰখৰ সূৰ্যৰ ৰশ্মিত বাহিৰলৈ ওলোৱা, গৰ্ভৱতী অৱস্থা নাইবা গৰ্ভনিৰোধৰ বড়ি খালে হৰম'নৰ তাৰতম্যৰ বাবে, মানসিক অশান্তি আৰু টোপনি ব্যাঘাত হ'লে ইত্যাদি কাৰণত মেলাছমা হয় বুলি ধাৰণা কৰা হয়।



**এই ৰোগৰ লক্ষণসমূহ**

এই দাগবোৰ কিচকিচীয়া ক'লা নহয়, কলা আৰু মুগা বৰণৰ সংমিশ্ৰণৰ দৰে দেখা যায়। এই দাগবোৰ মুখমণ্ডলত বিশেষকৈ নাকৰ উপৰিভাগৰ লগতে গাল দুখনতো পৰে। মুখমণ্ডলৰ সাধাৰণ ছালৰ স'তে তুলনা কৰিলে এই দাগ স্পষ্টৰূপত দেখা দিয়ে। লাহে লাহে এই দাগ বৃদ্ধি হৈ তলৰ দাঁতৰ হাড়ৰ উপৰি থুতুৰিলৈ বিয়পি পৰে। একেদৰে এই দাগ ওপৰ পিনে বাঢ়ি গৈ কপালত স্পষ্টৰূপত দেখা দিয়ে। যদিহে ৰোগ বৃদ্ধি হয় তেন্তে এই দাগ কেতিয়াবা গল, কান্ধৰ উপৰি বাহুলৈ বিয়পিব পাৰে। এই দাগটোৰ বাহিৰে আন কোনো লক্ষণ যেনে খজুৰতি ইত্যাদি কেতিয়াও নাথাকে। যদিহে এই ৰোগ ছালৰ উপৰিভাগত থাকে তেন্তে চিকিৎসা কৰিলে সোনকালে আৰোগ্য লাভ কৰিব পাৰে; কিন্তু এই দাগ দিয়া মেলানিন পদাৰ্থ যদি অধিচৰ্মৰ ভিতৰত প্ৰৱেশ কৰে তেন্তে চিকিৎসা কাৰ্যত হয়তো সুফল নাপাবও পাৰে।

**এই ৰোগৰ চিকিৎসা**

এই চিকিৎসাৰ প্ৰথম নিয়ম হ'ল এই ৰোগ তাৎক্ষণিক ভাল কৰিব নোৱাৰি। কোনো কাৰণতেই কেতিয়াও ভাবিব নালাগে যে এসপ্তাহ বা এমাহত এই ৰোগ নিৰাময় কৰিব পাৰি। দ্বিতীয়তে, এই ৰোগত আক্ৰান্ত হ'লে ওচৰৰ ফাৰ্মাচীলৈ গৈ কোনো ধৰণৰ ক্ৰীম কিনি মুখত লগাব নালাগে। ৰোগীয়ে অভিজ্ঞ চৰ্মৰোগ বিশেষজ্ঞৰ পৰামৰ্শ অনুযায়ী এই ৰোগৰ চিকিৎসা কৰাৰ প্ৰয়োজন। সূৰ্যৰ ৰশ্মিৰ পৰা আঁতৰত থাকক। কেতিয়াও প্ৰখৰ ৰ'দত বাহিৰলৈ ওলাব নালাগে; কিন্তু যদিহে অত্যন্ত জৰুৰী তেন্তে পূৰা সাৱধানেৰে বাহিৰলৈ ওলাব লাগে। তাৰ বাবে সম্পূৰ্ণ মুখ ঢাকি চানগ্লাছ আৰু ছাতি ব্যৱহাৰৰ প্ৰয়োজন। বাহিৰলৈ ওলোৱাৰ আধা ঘণ্টা আগতে শক্তিশালী চানস্ক্ৰীন ব্যৱহাৰ কৰিব লাগে। যদিহে ৰোগীয়ে গৰ্ভনিৰোধক বড়ি ব্যৱহাৰ কৰি আছে তেন্তে সেয়া সোনকালে বন্ধ কৰি অইন উপায় গ্ৰহণ কৰিব লাগে।

এই ৰোগত আক্ৰান্ত হোৱা ছালৰ অংশত ব্যৱহাৰ কৰিবলৈ বহু ধৰণৰ ক্ৰীম ব্যৱহাৰ কৰা হয়। গ্লাইক্লিব এচিদ, কজিক এচিদ, ৰেটিনইদ, আৰবুটিন আৰ টেট্ৰাহাইদোকুৰ্‌কামিন নামৰ ক্ৰীম অকলে নাইবা দুটা ক্ৰীমৰ সহযোগী হিচাপে ব্যৱহাৰ কৰা হয়। ইয়াৰ উপৰি তিনিটা ক্ৰীমৰ



সংমিশ্ৰণত তৈয়াৰ হোৱা ত্ৰিপল কম্বিচনৰ দৰে ক্ৰীম বজাৰত পোৱা যায়। কিন্তু কোনটো ক্ৰীম কেনেদৰে কিমান দিনলৈ ব্যৱহাৰ কৰিব লাগে সেয়া চৰ্মৰোগ বিশেষজ্ঞৰ পৰামৰ্শ মতেহে ব্যৱহাৰ কৰিব লাগে। কেতিয়াও নিজে বা ফাৰ্মাচীৰ পৰা দৰব কিনি ব্যৱহাৰ কৰিব নালাগে। চিকিৎসকৰ পৰামৰ্শ অনুযায়ী এই ক্ৰীম তিনি-চাৰি মাহৰ বাবে ব্যৱহাৰ কৰিব লাগে। সোনকালে ভাল হোৱা নাই বুলি অধৈৰ্য হৈ ভাবিলে কেতিয়াও ভাল নহ'ব।

যদিহে চিকিৎসকৰ পৰামৰ্শ অনুযায়ী অতি কমেও তিনি চাৰিমাহ ব্যৱহাৰৰ পাছতো ৰোগৰ কোনো পৰিৱৰ্তন নহ'লে চিকিৎসকৰ পৰামৰ্শ অনুযায়ী অন্য ধৰণৰ চিকিৎসাৰ প্ৰয়োজন হ'ব পাৰে। এনেকুৱা চিকিৎসা কিছুমানৰ বাবে আক্ৰান্ত ঠাইডোখৰত এচিডৰে ছালখনৰ উপৰিভাগ গুচাই পেলাব পাৰি। এনেকুৱা চিকিৎসা পদ্ধতিক Skin Peeling বুলি কোৱা হয়। কেনেকুৱা কি ঔষধ ব্যৱহাৰ কৰে সেয়া চিকিৎসকৰ ওপৰত নিৰ্ভৰ কৰে। ইয়াৰ উপৰি লেজাৰৰ দ্বাৰাও এই ৰোগৰ চিকিৎসা সম্ভৱ।

ৰোগীয়ে কোনো কাৰণতে হীনমন্যতাত ভুগিব নালাগে। মানসিক চাপৰ পৰা আঁতৰত থাকক। প্ৰফুল্ল চিত্তে থাকক। অত্যধিক মছলাযুক্ত আহাৰ পৰিহাৰ কৰি শাক-পাচলি নাইবা আঁহযুক্ত সুষম আহাৰ খোৱা উচিত। সূৰ্য্য ৰশ্মিৰ পৰা আঁতৰত থাকক। টোপনি ক্ষতি কেতিয়াও কৰিব নালাগে। দিনে অতি কমেও ছয়-আঠ ঘণ্টা টোপনিৰ প্ৰয়োজন। ফাৰ্মাচীৰ পৰা ক্ৰীম অনাৰ পৰিৱৰ্তে চৰ্মৰোগ বিশেষজ্ঞৰ পৰামৰ্শ লওক আৰু ৰোগৰ পৰা মুক্ত হওক।

*ফোন ঃ ৯৯৫৭৫৬৫৬৫০*

# কমলা টেঙাত কি কি উপাদান থাকে

**শীতৰ** আগমনৰ লগে লগে বজাৰ ভৰি পৰে কমলা টেঙাৰে। প্ৰায়ভাগ লোকেই এইবিধ খোৱাদযুক্ত টেঙা খায়। শীতৰ সময়ত ৰ'দত বহি কমলা খোৱাৰ আমেজেই বেলেগ। এইবিধ টেঙাত থকা বিভিন্ন উপাদানে কেৱল



সোৱাদযুক্ত কৰাই নহয়, সমান্তৰালভাৱে শৰীৰক পুষ্টিও যোগায়। ৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত কমলা টেঙা তুলনাবিহীন বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। ১৩০ গ্ৰাম ওজনৰ এটা সতেজ কমলা টেঙাত থকা বিভিন্ন উপাদানসমূহ হ'ল— ৬১.৫৭ কেলৰি বা শক্তি, প্ৰ'টিন ১.২৩ গ্ৰাম, কাৰ্ব'হাইড্ৰেট ১৫.৩৯ গ্ৰাম, ফাইবাৰ ৩.১৩ গ্ৰাম (দ্ৰৱণীয় ২.০৬ গ্ৰাম আৰু অদ্ৰৱণীয় ১.০৭ গ্ৰাম), শৰ্কৰা ১২.৬ গ্ৰাম, চৰ্বি ০.১৬ গ্ৰাম, জলীয় অংশ ১১৩.৬৪ গ্ৰাম, ভিটামিন 'এ' ২৬৮.৫৬ আন্তৰ্জাতিক ইউনিট, থিয়ামিন ০.১১ মিলিগ্ৰাম, বায়'ফ্লেভিন অৰ্থাৎ ভিটামিন বি$_2$ ০.০৫ মিলিগ্ৰাম, নিয়াছিন ০.৩৭ মিলিগ্ৰাম, ভিটামিন বি$_6$, ০.০৮ মিলিগ্ৰাম, বায়'টিন ১.৩১ মাইক্ৰ'গ্ৰাম, ভিটামিন 'চি' ৬৯.৬৯ মিলিগ্ৰাম, ভিটামিন 'ই' ০.৩১ মিলিগ্ৰাম, ফ'লেট ৩৯.৬৯ মাইক্ৰ'গ্ৰাম, ভিটামিন 'কে' ১.৩১ মাইক্ৰ'গ্ৰাম, পেণ্টোথেলিক এচিড ০.৩৩ মিলিগ্ৰাম, কেলছিয়াম ৫২.৪০ মিলিগ্ৰাম, ক্ল'ৰাইড ৩.৯৩ মিলিগ্ৰাম, তাম ০.০৬ মিলিগ্ৰাম, আয়ৰণ ০.১৩ মিলিগ্ৰাম, মেগনেছিয়াম ১৩.১০ মিলিগ্ৰাম, মেংগানিজ ০.০৩ মিলিগ্ৰাম, ফছফৰাছ ১৮.৩৪ মিলিগ্ৰাম, পটাছিয়াম ২৩৭.১১ মিলিগ্ৰাম, ছেলেনিয়াম ০.৬৬ মাইক্ৰ'গ্ৰাম দস্তা ০.০৯ মিলিগ্ৰাম, ওমেগা$_3$ ফেটি এচিড, ০.০১ গ্ৰাম, ওমেগা-৬ ফেটি এচিড ০.০২ গ্ৰাম, এলানিম ০.০৭ গ্ৰাম, প্লাইচিন ০.১২ গ্ৰাম, লাইজিন ০.০৬ গ্ৰাম, মেথিঅ'নিন ০.০৩ গ্ৰাম, ট্ৰিপটোফেন ০.০১ গ্ৰাম, চাইট্ৰিক এচিড ১২৮৩.৮০ মিলিগ্ৰাম ইত্যাদি।



# গজালি ওলোৱা বুট খালে প্ৰতিৰোধ হয় ৰোগ

**অষ্ট্ৰেলিয়াৰ গৱেষকে এই বুলি মন্তব্য কৰিছে যে গজালিযুক্ত বুট খালে টোটেল ক'লেষ্টেৰল তথা অপকাৰী ক'লেষ্টেৰলৰ পৰিমাণ হ্ৰাস পায়। এইবিধ খাদ্যত দ্ৰৱণীয় আৰু অদ্ৰৱণীয় ফাইবাৰ পোৱা যায়। সেইবাবে নিয়মীয়াকৈ খালে হৃদৰোগত আক্ৰান্ত হোৱাৰ আশংকাও হ্ৰাস পায়। আজিকালি এই ৰোগত আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে।**



**বুট** খোৱা লোকৰ সংখ্যা কম নহ'ব। প্ৰায়ভাগ ঠাইতে বুটৰ প্ৰচলন আছে। কাৰণ প্ৰসাদ হিচাপে ব্যৱহাৰ কৰা উপাদানবিধেই হ'ল মাহ-প্ৰসাদ। বুট মাহৰ মিশ্ৰণত পোৱা যায় এক সুকীয়া সোৱাদ। পিছে প্ৰায়ভাগ লোকেই দুয়োবিধ সুকীয়াকৈ খায়ে ভাল পায়। বুট আৰু মাহৰ আছে বিভিন্ন গুণ। পুষ্টি গুণৰ বাবে সকলোৰে বুট আদি খাব লাগে। অৱশ্যে গজালি ওলোৱা বুট আদিৰ পৰা বেছি উপকাৰ পোৱা যায়। শেহতীয়াভাৱে গৱেষকসকলেও এই ক্ষেত্ৰত বহুতো তথ্য লাভ কৰিছে। বুট তিয়াই কেঁচাই খোৱাৰ উপৰি বহুতে ৰান্ধিও খোৱা দেখা যায়। তদুপৰি কিছুমানে ভালদৰে ধুই ৰ'দত শুকাই খায়। বুট সাধাৰণতে গজালি ওলোৱাৰ পাছত খালে এণ্টিবায়'টিকৰ দৰে কাম কৰে বুলি গৱেষকসকলে মন্তব্য কৰিছে। ১০০ গ্ৰাম গজালি মেলা বুটত থাকে কাৰ্ব'হাইড্ৰেট ৬৫ গ্ৰাম, কেলছিয়াম দুশ মিলিগ্ৰাম, প্ৰ'টিন ১৭ গ্ৰাম, চৰ্বি পাঁচ গ্ৰাম, ভিটামিন 'এ' থাকে ১৯২ মাইক্ৰ'গ্ৰাম। তদুপৰি ভিটামিন বি$_1$ আৰু বি$_2$ থাকে।

বুটত প্ৰচুৰ পৰিমাণে প্ৰ'টিন পোৱা যায়। ইয়াত বিভিন্ন ধৰণৰ ভিটামিন, খনিজ লৱণ, মেগনেছিয়াম আৰু ফছফৰাছো পোৱা যায়। ডায়েবেটিত আক্ৰান্তসকলে পুৱাই যদি কেঁচা বুট খাই তেতিয়াহ'লে উপকাৰ লাভ কৰিব পাৰে। গজালি মেলা বুটত শৰ্কৰা বা কাৰ্ব'হাইড্ৰেটৰ গ্লাইচেমিক ইনডেক্স (জি আই) কম পৰিমাণে থাকে। সেইবাবে ডায়েবেটিছ ৰোগীৰ বাবে উপকাৰী হিচাপে গণ্য কৰা হয়।

দৈনন্দিন খাদ্য তালিকাত সপ্তাহত এদিন হ'লেও বুটৰ দাইল অন্তৰ্ভুক্ত কৰিব লাগে। ই হ'ল মলিবেডনাম আৰু মেংগানিজৰ উৎস। তদুপৰি ফ'লেট আৰু ফাইবাৰ থাকে বাবে উপকাৰ পোৱা যায়। গজালি মেলা বুটৰ চৰ্বিৰ বেছিভাগেই হ'ল অসংপৃক্ত চৰ্বি। এনে ধৰণৰ চৰ্বি শৰীৰৰ বাবে উপকাৰী হিচাপে গণ্য কৰা হয়। বৰঞ্চ তেজত চৰ্বিৰ পৰিমাণহে নিয়ন্ত্ৰণ কৰে।

শেহতীয়াভাৱে অষ্ট্ৰেলিয়াৰ এদল গৱেষকে এই বুলি মন্তব্য কৰিছে যে গজালিযুক্ত বুট খালে টোটেল ক'লেষ্টেৰল তথা অপকাৰী ক'লেষ্টেৰলৰ পৰিমাণ হ্ৰাস পায়। এইবিধ খাদ্যত দ্ৰৱণীয় আৰু অদ্ৰৱণীয় ফাইবাৰ পোৱা যায়। সেইবাবে নিয়মীয়াকৈ খালে হৃদৰোগত আক্ৰান্ত হোৱাৰ আশংকাও হ্ৰাস পায়। আজিকালি এই ৰোগত আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। সেইবাবে গজালিযুক্ত বুট নিয়মীয়াকৈ পুৱা খোৱাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা উচিত। তদুপৰি ইয়াত থকা পটাছিয়াম. ভিটামিন 'চি', ভিটামিন বি আদিয়ে হৃদৰোগ প্ৰতিৰোধ কৰাত পৰোক্ষভাৱে সহায় কৰে। নিয়মীয়াকৈ যদি এইবিধ খাদ্য ৪০.৬৯ গ্ৰামকৈ খায় তেতিয়াহ'লে মৃত্যুৰ আশংকা ৪৯ শতাংশ হ্ৰাস পায় বুলি গৱেষকসকলে মন্তব্য কৰিছে।

আমেৰিকান মেডিকেল এছ'চিয়েছন জাৰ্ণেলত প্ৰকাশিত তথ্য অনুসৰি যিসকল কম বয়সীয়া মহিলাই নিয়মীয়াকৈ ফ'লিক এচিডযুক্ত খাদ্য খোৱা বাবে হৃদৰোগৰ আশংকা হ্ৰাস পায়। বয়ঃসন্ধিৰ পৰৱৰ্তী সময়তো হৃদযন্ত্ৰৰ সুৰক্ষাৰ ক্ষেত্ৰত সহায়ক হয়। ইয়াত থকা আইছোফ্লেভন নামৰ উপাদানবিধে ইস্কিমিক ষ্ট্ৰ'কত আক্ৰান্ত লোকৰ আৰ্টাৰী বা ৰক্ত সৰবৰাহ কৰা সিৰাৰ কাৰ্য ক্ষমতা বৃদ্ধি কৰে। ফলিক এচিড থকা বাবে গজালিযুক্ত বুট খালে ৰক্তচাপ নিয়ন্ত্ৰণ কৰে। আনহাতে, কোৰিয়ান গৱেষকসকলে এই বুলি মন্তব্য কৰিছে যে যদিহে নিয়মীয়াকৈ এইবিধ খাদ্য গ্ৰহণ কৰা হয় তেতিয়া হ'লে মহিলাসকলৰ ক'লন কেন্সাৰ আদি বহু পৰিমাণে হ্ৰাস পায়। সেইবাবে সকলোৰে নিয়মীয়াকৈ গজালিযুক্ত বুট খোৱাৰ ওপৰত গুৰুত্ব দিয়া উচিত।

# কিডনী ষ্ট'ন ! সাৱধান



**কিডনী** ষ্ট'নত আক্ৰান্ত হোৱা লোকৰ সংখ্যা দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে। যদিহে কোনো সমস্যাই গা কৰি উঠিছে তেতিয়া হ'লে উপযুক্ত সময়ত চিকিৎসকৰ ওচৰলৈ নাযায় তেতিয়াহ'লে সময়ত জটিল ৰূপ ধাৰণ কৰাৰ আশংকা থাকে। অৰ্থাৎ অৱহেলা কৰিলেই বিপদ নিশ্চিত।

✦ যদি দীৰ্ঘদিন ধৰি কিডনীত ষ্ট'ন থাকে তেতিয়াহ'লে কিডনীৰ কাৰ্যকৰী ক্ষমতা হ্ৰাস পাব পাৰে। তদুপৰি নষ্ট হোৱাৰো আশংকা থাকে।

✦ ষ্ট'ন যদি কিডনীৰ পৰা ইউৰেটাছত প্ৰৱেশ কৰে তেতিয়াহ'লে প্ৰচণ্ড বিষ অনুভৱ কৰিব পাৰে।

✦ আনহাতে, যেতিয়া ইউৰেটাছত বাধাৰ সৃষ্টি হয় তেতিয়া কিডনীৰ পৰা প্ৰস্ৰাৱ ওলাই অহাত ব্যাঘাত জন্মে। আনহাতে, কিডনীয়ে সদায় স্বাভাৱিকভাৱেই কাৰ্য কৰি থাকে। ফলত যিখিনি প্ৰস্ৰাৱ বৈ থাকে তাৰ পৰা কিডনীত প্ৰভাৱ বা চাপ পৰিবলৈ আৰম্ভ কৰে। ইয়াৰ ফলত কিডনী আপোনা আপুনি ফুলিবলৈ ধৰে। এনে অৱস্থাৰ সৃষ্টি হ'লে যদি আলট্ৰাছাউন কৰা হয় তেতিয়া হ'লে কিডনীৰ কোন অংশত ষ্ট'ন আছে সেয়া জানিব পাৰি।

✦ এনেদৰে ষ্ট'ন জমা হ'লে শংকাৰ কাৰণ হ'ল সংক্ৰমণ। কোনো কাৰণত প্ৰস্ৰাৱ যদি কিডনীলৈ উভতি আহে তেতিয়া এনে ধৰণৰ সংক্ৰমণে জটিল ৰূপ ধাৰণ কৰাৰ আশংকাও নুই কৰিব নোৱাৰি। কিডনী সংক্ৰান্তীয় যিকোনো সমস্যাৰ সৃষ্টি হ'লে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত। বহুতো লোকে এনে সমস্যাৰ সৃষ্টি হোৱাৰ পাছতো চিকিৎসকৰ ওচৰলৈ নাযায়। পিছে দিন যোৱাৰ লগে লগে সমস্যাই জটিল ৰূপ ল'লে চিকিৎসাও দীঘলীয়া হয়।



# শাৰীৰিক-মানসিক বিকাশত সূৰ্যৰ পোহৰৰো আছে গুৰুত্ব

ক'ভিড অতিমাৰীৰ সময়ত ৰোগ প্ৰতিৰোধৰ বাবে ভিটামিন 'চি'ৰ গুৰুত্ব কিমান সেয়া উপলব্ধি কৰিলে। এইবিধ ভিটামিনে যে শৰীৰত ৰোগ প্ৰতিৰোধী ক্ষমতা বৃদ্ধি কৰে সেই বিষয়ে প্ৰায়ভাগ লোকেই সম্যক পৰিমাণে হ'লেও জ্ঞান লাভ কৰিলে। সেইবাবে অতিসম্প্ৰতি এইবিধ ভিটামিন খোৱা লোকৰ সংখ্যাও বৃদ্ধি পাইছে। অৱশ্যে বহুতে ভিটামিন 'চি' কেতিয়া, কিমান পৰিমাণৰ খাব লাগে আৰু বেছি খালে কেনে ধৰণৰ সমস্যাৰ সৃষ্টি হ'ব পাৰে সেই বিষয়ে জ্ঞাত নোহোৱা বাবে বিপদতো পৰিছে। পিছে প্ৰায়ভাগ লোকেই জ্ঞাত নহয় যে ভিটামিন 'চি'ৰ সমানেই গুৰুত্বপূৰ্ণ ভিটামিন 'ডি'। এতিয়া ভিটামিন 'চি' ইমানেই গ্লেমাৰযুক্ত হ'ল যে মানুহে আন ভিটামিনেও যে ৰোগ প্ৰতিৰোধ কৰিব পাৰে সেয়া পাহৰিয়ে গৈছে।

শীতৰ সময়ত ৰ'দ পুৱাবলৈ সকলোৰে মন কৰে। অৱশ্যে এতিয়া গ্ৰামাঞ্চলত ৰ'দত বহি টেঙা খোৱাৰ আনন্দ আছে যদিও চহৰাঞ্চলত ফ্লেটত থকা লোকসকলৰ বাবে এয়া সম্ভৱ নহয়। যিমানেই এনে ধৰণৰ অট্টালিকাৰ সংখ্যা বৃদ্ধি হ'বলৈ ধৰিছে সিমানেই ভিটামিন 'চি'ৰ অভাৱত ভোগা লোকৰ সংখ্যাও বাঢ়িবলৈ ধৰিছে। ৰ'দত থাকিলেও ভিটামিন 'ডি' শৰীৰত উৎপন্ন হয়। অৱশ্যে এইবিধ ভিটামিন উৎপন্ন প্ৰক্ৰিয়াটো জটিল। খাদ্যৰ জৰিয়তে আন ভিটামিন পোনপটীয়াকৈ লাভ কৰিলেও ভিটামিন 'ডি' লাভ কৰিবলৈ হ'লে এক জটিল সময় যদি শৰীৰত ৰ'দ পৰে তেতিয়া ভিটামিন 'ডি' উৎপন্ন প্ৰক্ৰিয়াটো স্বাভাৱিক হৈ থাকে। এইবিধ ভিটামিনৰ বাবে দিনটো ৰ'দত বহি নাথাকিলেও হ'ব। অৱশ্যে পুৱা সূৰ্য উঠাৰ লগে লগে আবেলি সূৰ্যাস্তৰ আগে আগে যদি ৰ'দ লগায় তেতিয়াহ'লে ভিটামিন 'ডি'ৰ শৰীৰত অভাৱ নঘটে। এইখিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে মানুহে যিমানেই বিলাসী জীৱন-যাপন কৰিবলৈ ধৰিছে অথবা শীত-তাপ নিয়ন্ত্ৰিত কোঠাত সময় অতিবাহিত কৰিছে যিমানেই এইবিধ ভিটামিনৰ অভাৱ হ'বলৈ ধৰিছে। কম বয়সৰ পৰা বিভিন্ন সমস্যাই গা কৰি উঠাতো চিন্তনীয় বিষয়।



সূৰ্যৰ পোহৰত অৰ্থাৎ ৰ'দত থাকিলে ভিটামিন 'ডি'ৰ উৎপন্ন হোৱাৰ উপৰি শক্তিও লাভ কৰে। সূৰ্যৰ ৰশ্মিত থকা 'ইউভিএ'ই শৰীৰত ৰক্ত সঞ্চালনত সহায় কৰে। তেজত শৰ্কৰাৰ পৰিমাণো স্বাভাৱিক কৰি ৰাখে। সেইবাবে এনেবোৰ দিশত সকলোৰে গুৰুত্ব প্ৰদান কৰা উচিত।

সূৰ্যৰ পোহৰৰ স'তে মানসিক স্বাস্থ্যও জড়িত হৈ থাকে বুলি শেহতীয়াভাৱে গৱেষকসকলে অধ্যয়নত তথ্য লাভ কৰিছে। সূৰ্যৰ ৰশ্মিত থকা ছেৰাটোনিন, মেনাটোনিন, ডোপামাইন থাকে বাবে মানসিক অৱসাদ আদিৰ পৰাও হাত সাৰিব পাৰি। বহুতৰ মনত এই সম্পৰ্কে ধাৰণা নাই। সূৰ্যৰ ৰশ্মিৰ স'তে সাধাৰণ দৃষ্টিভংগীত মনৰ সম্পৰ্ক নথকা বুলি ভবাটোৰে স্বাভাৱিক কথা। পোহৰ দেখিলেও মনটো ভাল লাগে। সেইবাবেই মানুহে ঘৰত দুৱাৰ-খিৰিকী ৰাখে। ঘৰৰ ভিতৰৰ পৰা যেতিয়া ৰ'দত ওলায় তেতিয়া মনটো ভাল লাগে। গতিকে পৰোক্ষভাৱে ৰ'দ আৰু মনৰ সম্পৰ্ক থকাটোৰে স্বাভাৱিক কথা।

যেতিয়া ইউভিবি ছালত পৰে তেতিয়া ৭-ডিএইছচি প্ৰ'টিনৰ স'তে মিলি ভিটামিন ডি-৩ উৎপন্ন কৰে।

সূৰ্যৰ ৰশ্মিত থকা বিভিন্ন উপাদানে হাড় শক্তিশালী কৰে। বিশেষকৈ ভিটামিন 'ডি'ৰ বাবে হাড় শক্তিশালী হয়। তদুপৰি হাড় মজবুত কৰাৰ উপাদান কেলছিয়ামৰ পৰিমাণো স্বাভাৱিক কৰি ৰখাত সহায় কৰে।

- উচ্চ ৰক্তচাপ নিয়ন্ত্ৰণত সহায় কৰে। ৰক্তচাপ নিয়ন্ত্ৰণ মানে হৃদৰোগ হোৱাৰ আশংকা হ্ৰাস কৰে।
- শেহতীয়াকৈ গৱেষকসকলে এই বুলি মন্তব্য কৰিছে যে টাইপ ১ ডায়েবেটিছ ৰোগ প্ৰতিৰোধ হয় যদিহে নিয়মীয়াকৈ গাত ৰ'দ লগায়।
- মাল্টিপল স্কেৰোছিছ ৰোগৰ পৰাও হাত সাৰিব পাৰি।
- গৱেষকসকলৰ মতে, ক'লন কেন্সাৰ, স্তন কেন্সাৰ, প্ৰ'ষ্টেট কেন্সাৰ আদিৰ পৰাও হাত সাৰিব পাৰি। সেইবাবে সদায় পুৱা অথবা আবেলি ৰ'দ গাত লগাবই লাগে।
- টোপনি ভাল হোৱাটো সহায় কৰণ। ইয়াত থকা মেলাটোনিন নামৰ হৰম'নবিধৰ বাবে টোপনি ভাল হয় বুলি গৱেষকসকলে মন্তব্য কৰিছে। এই খিনিতে উল্লেখ কৰিব লাগিব যে নিশা এইবিধ হৰম'ন নিঃসৰণ হয়। দিনটো ছালখনত ৰ'দ পৰিলে নিশা এইবিধ হৰম'ন নিঃসৰণত সহায় হয় বাবে টোপনি ভাল হয়।
- শৰীৰৰ ওজন হ্ৰাসৰ ক্ষেত্ৰতো সূৰ্যৰ ৰশ্মিৰ ভূমিকা আছে। পুৱা আঠ বজা মানৰ আগতে যদি কমেও ৩০ মিনিটমান সময় ৰ'দত থাকে তেতিয়াও ওজন হ্ৰাস পায় বুলি গৱেষকসকলে কিছু তথ্য লাভ কৰিছে।
- শীতৰ সময়ত প্ৰায়ভাগ লোকেই গাত তেল সানি ৰ'দত কিছুসময় বহাৰ পাছত গা ধোৱে। আগতে প্ৰায়ভাগ লোকেই এনে কৰিছিল। এতিয়া গ্ৰামাঞ্চলৰ বাহিৰে চহৰাঞ্চলত এনে দৃশ্য দেখিবলৈ পোৱা নাযায়। এই সময়ত ৰ'দ কম সময়ৰ বাবে পৰে। সেয়েহে পুৱাই ৰ'দ পুৱাবলৈ চেষ্টা কৰা উচিত।





## তৃতীয় বড়োলেণ্ড ছহিদ ফুটবল

**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ৪ ডিচেম্বৰ ঃ** চলিত তৃতীয় বড়োলেণ্ড ছহিদ ফুটবলৰ ফাইনেল মেচখন অহা সাত ডিচেম্বৰত অনুষ্ঠিত হ'ব ছিপাঝাৰ এফ চি আৰু হুগ্ৰাজুলি টি এফ চিৰ মাজত। উল্লেখ্য যে আজিৰ দ্বিতীয়খন ছেমিফাইনেলত ছিপাঝাৰ এফ চিয়ে টাইব্ৰেকাৰত 5–4 গ'লত পৰাস্ত কৰে মুদৈবড়ি জৌংলাউৰী ক্লাবক। উল্লেখ্য যে বড়োলেণ্ড ছহিদ ফুটবলৰ প্ৰথম ছেমিফাইনেলত জয়ী হৈ খিতাপৰ যুঁজলৈ ইতিমধ্যে অগ্ৰসৰ হৈছে হুগ্ৰাজুলি টি এফ চি। ইয়াৰপূৰ্বে কোৱাৰ্টাৰ ফাইনেলত ছিপাঝাৰ এফ চিয়ে টাইব্ৰেকাৰত 7–6 গ'লত পৰাস্ত কৰিছিল টংলা ক্ৰীড়া সন্থাক। আনহাতে, মুদৈবড়ি জৌংলাউৰী ক্লাবে কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত কৰিছিল ৰৌতাৰ দৈমালু ক্লাবক।

### মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত এজাজৰ গৌৰৱ, কিন্তু নিউজিলেণ্ডৰ বেটিং বিপৰ্যয়

# দ্বিতীয় টেষ্টত অগ্ৰগতিৰে শক্তিশালী স্থিতিত ভাৰত



**মুম্বাই, ৪ ডিচেম্বৰ ঃ** নিউজিলেণ্ডৰ নাৱগত বলাৰ ভাৰতীয় মূলৰ এজাজ পেটেলৰ ঐতিহাসিক সফলতাৰ পাছতো ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ দুখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয়খন মেচৰ দ্বিতীয় দিনা শক্তিশালী স্থিতিত উপনীত হৈছে টীম ইণ্ডিয়া। উল্লেখ্য যে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত চলি থকা দ্বিতীয় টেষ্টৰ প্ৰথম ইনিংছত ভাৰতে 263 ৰাণৰ অগ্ৰগতি লাভ কৰাৰ লগতে দ্বিতীয় ইনিংছ আৰম্ভ কৰি কোনো উইকেট নেহেৰুৱাকৈ 69 ৰাণ কৰি 332 ৰাণত আগবাঢ়ি আছে। দিনান্তত দ্বিতীয় ইনিংছত ভাৰতৰ হৈ বেটিং মুকলি কৰা মায়ংক আগৰৱাল (38] আৰু চেতেশ্বৰ পূজাৰাই (29] উইকেটত দৃঢ়তাৰে বেটিং কৰি আছে। উল্লেখ্য যে ইয়াৰপূৰ্বে আজি ভাৰতে 325 ৰাণত প্ৰথম ইনিংছ সামৰে। টছত জয়ী হৈ পোনতে বেটিং কৰা ভাৰতে প্ৰথমদিনা অপেনাৰ মায়ংক আগৰৱালৰ অনবদ্য শতকৰ সহায়ত চাৰি উইকেট হেৰুৱাই 221 ৰাণ কৰিছিল। 120 ৰাণ কৰি উইকেটত থকা মায়ংকে আজি 150 ৰাণ কৰি আউট হয়। আনহাতে, অক্ষৰ পেটেলে কৰে 52 ৰাণ। নিউজিলেণ্ডৰ হৈ ভাৰতৰ আটাইকেইটা উইকেট দখল কৰে এজাজে। এটা ইনিংছত 10 টা উইকেট দখল কৰি এজাজে ঐতিহাসিক সফলতা লাভ কৰে। এই সফলতা লাভ কৰা এজাজ প্ৰথম কিবি ক্ৰিকেটাৰ তথা বিশ্বৰ তৃতীয়জন বলাৰ। ইয়াৰপূৰ্বে জিম লেকাৰ আৰু অনিল কুম্বলে এই সফলতা লাভ কৰিছিল। 47.5 অভাৰত 119 ৰাণত 10 টা উইকেট লাভ কৰে এজাজে। কিন্তু এই সাফল্যৰ পাছতো নিউজিলেণ্ডে প্ৰথম ইনিংছ আৰম্ভ কৰি মাত্ৰ 62 ৰাণতে অল আউট হোৱাত টেষ্টত চালকৰ আসনত বহে ভাৰত। নিউজিলেণ্ডে মাত্ৰ 28.1 অভাৰতে প্ৰথম ইনিংছ সামৰে। কেৱল জেমিছন (17] আৰু লাথামে (10] দহকৰ ৰাণ সংখ্যা স্পৰ্শ কৰে। ভাৰতৰ হৈ অশ্বিনে আঠ ৰাণত চাৰিটা, চিৰাজে 19 ৰাণত তিনিটা, অক্ষৰে 14 ৰাণত দুটা আৰু জয়ন্ত যাদৱে 13 ৰাণত এটা উইকেট পায়। কিন্তু নিউজিলেণ্ডক ফল'অন নকৰি ভাৰতে দ্বিতীয় ইনিংছ আৰম্ভ কৰে। উল্লেখ্য যে ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্ট ড্ৰ হৈছিল।



## ঢাকাত শৃংখলাৰ দ্বিতীয় টেষ্ট আৰম্ভ

# প্ৰথমদিনা বাংলাদেশৰ বিৰুদ্ধে পাকিস্তানৰ সংগ্ৰহ ১৬১-২ ৰাণ

**ঢাকা, ৪ ডিচেম্বৰ ঃ** আজিৰে পৰা আৰম্ভ হৈছে বাংলাদেশ আৰু পাকিস্তানৰ মাজৰ দুখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয়খন টেষ্ট। পোনতে বেটিং কৰা পাকিস্তানে প্ৰথমদিনা প্ৰথম ইনিংছত দুই অপেনাৰ আবিদ আলী (39] আৰু ছফিক (25] ৰ উইকেট দুটা হেৰুৱাই 161 ৰাণ কৰে। উইকেটত আছে আজাহাৰ আলি (36] আৰু বাবৰ আজম (60]¼ উল্লেখ্য যে পাকিস্তানে বাংলাদেশৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টত আঠ উইকেটত জয়লাভ কৰি শৃংখলাত 1–0 ৰ অগ্ৰগতি লৈছে। বাংলাদেশে দিয়া 202 ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি অন্তিম দিনা পাকিস্তানে দুটা উইকেট হেৰুৱাই 203 ৰাণ কৰি সহজ জয় অৰ্জন কৰে। উল্লেখ্য যে টেষ্টখনত বাংলাদেশৰ প্ৰথম ইনিংছৰ 330 ৰাণৰ প্ৰত্যুত্তৰত পাকিস্তানে 286 ৰাণত প্ৰথম ইনিংছ সামৰিছিল। কিন্তু প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰাৰ পাছতো দ্বিতীয় ইনিংছত বেটিং ব্যৰ্থতাৰ বাবে পাকিস্তানৰ জয়ৰ সুযোগ আহে আৰু দলে সেয়া বাস্তৱত সফল কৰিবলৈ সক্ষম হয়। প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰা বাংলাদেশে 157 ৰাণত দ্বিতীয় ইনিংছ সামৰে আৰু 202 ৰাণৰ বিজয়লক্ষ্য দিয়ে পাকিস্তানক।




# বিশ্বৰ তৃতীয়জন বলাৰ ৰূপে এক ইনিংছত ১০টা উইকেট লাভ এজাজৰ

**মুম্বাই, ৪ ডিচেম্বৰ ঃ** ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ দুখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয়খন মেচৰ আজি দ্বিতীয় দিনা নিউজিলেণ্ডৰ নাৱগত বলাৰ ভাৰতীয় মূলৰ এজাজ পেটেলৰ ঐতিহাসিক সফলতা লাভ কৰিছে। উল্লেখ্য যে ভাৰতৰ প্ৰথম ইনিংছৰ আটাইকেইটা উইকেট দখল কৰে 33 বছৰীয়া স্পীনাৰ এজাজে। এটা ইনিংছত 10 টা উইকেট দখল কৰি এজাজে ঐতিহাসিক সফলতা লাভ কৰে। এই সফলতা লাভ কৰা এজাজ প্ৰথম কিবি ক্ৰিকেটাৰ তথা বিশ্বৰ তৃতীয়জন বলাৰ। ইয়াৰপূৰ্বে জিম লেকাৰ আৰু অনিল কুম্বলে এই সফলতা লাভ কৰিছিল। 47.5 অভাৰত 119 ৰাণত 10 টা উইকেট লাভ কৰে এজাজে। কেৰিয়াৰৰ 11 সংখ্যক টেষ্টখন খেলা এজাজৰ এই সফলতাই এজাজক ৰূপান্তৰ কৰিছে তাৰকালৈ। উল্লেখ্য যে ইংলণ্ডৰ লেকাৰে 1956 ত মানচেষ্টাৰত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে 53 ৰাণত এটা ইনিংছত 10 টা উইকেট দখল কৰিছিল। আনহাতে, ভাৰতৰ কুম্বলে 1999 ত নতুন দিল্লীত পাকিস্তানৰ বিৰুদ্ধে 74 ৰাণত এটা ইনিংছত 10 টা উইকেট লাভ কৰিছিল। আজি এজাজক শুভেচ্ছা জনাইছে কুম্বলে। উল্লেখ্য যে মুম্বাই হৈছে কিৱি ক্ৰিকেটাৰ এজাজৰ জন্মভূমি।



আকানেক পৰাস্ত কৰাৰ পাছত সিন্ধুৰ প্ৰতিক্ৰিয়া


## আন্তঃপ্ৰশিক্ষণ কেন্দ্ৰ ক্ৰিকেটৰ আজি প্ৰথম ছেমিফাইনেল



**গুৱাহাটী, ৪ ডিচেম্বৰ ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত জজ খেলপথাৰত চলি থকা মহাবীৰ প্ৰসাদ আগৰৱালা 16 বছৰ অনূৰ্ধ্ব আন্তঃপ্ৰশিক্ষণ কেন্দ্ৰ ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত নুনমাটি ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰই আঠ উইকেটত পৰাস্ত কৰে লখৰা ক্ৰিকেট একাডেমীক। পোনতে বেটিং কৰা লখৰা ক্ৰিকেট একাডেমীয়ে 19.5 অভাৰত আটাইকেইটা উইকেট হেৰুৱাই সংগ্ৰহ কৰে 57 ৰাণ। প্ৰত্যুত্তৰত নুনমাটি ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰই 6.3 অভাৰত দুই উইকেট হেৰুৱাই 58 ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে অহা আঠ ডিচেম্বৰলৈ হ'বলগা উক্ত আন্তঃপ্ৰশিক্ষণ কেন্দ্ৰ ক্ৰিকেট প্ৰতিযোগিতাখনত মুঠ 12 টা ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰই যোগদান কৰিছে। গুৱাহাটী ক্ৰীড়া সন্থাই জনোৱা অনুসৰি কাইলৈ প্ৰথম ছেমিফাইনেলত ৰয়েল গ্লোবেল ক্ৰিকেট একাডেমীয়ে খেলিব নৱজ্যোতি ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰৰ বিৰুদ্ধে। কাইলৈৰ মেচৰো এটা ইনিংছত 40 অভাৰৰ কৰা হৈছে যদিও ফাইনেল মেচখন 50 অভাৰকৈ খেলোৱা হ'ব।

### স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতা

# ছেমিফাইনেলত অসম পুলিচ ব্লুজ



**অগ্ৰদূত বাৰ্তা**
**বেৰেজীয়া, ৩ ডিচেম্বৰ ঃ** অসম পুলিচ ব্লুজ দলে চলিত 73 সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। নগাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা 73 সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা কোৱাৰ্টাৰ ফাইনেলত বদৌছা স্পৰ্টছ ক্লাবে খেলে অসম পুলিচ ব্লুজৰ বিৰুদ্ধে। নৈশলোকত হোৱা মেচখনত অসম পুলিচ ব্লুজ দলে টাইব্ৰেকাৰত 4–2 [0–0] গ'লত বদৌছা স্পৰ্টছ ক্লাবক পৰাস্ত কৰি দ্বিতীয় দলৰূপে প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে বিদ্যুৎ পৰিষদ দলে ইতিমধ্যে স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত বিদ্যুৎ পৰিষদ দলে খেলে কাৰচাং ফুটবল ক্লাবৰ বিৰুদ্ধে। বিদ্যুৎ পৰিষদ দলে 8–0 গ'লত পৰাস্ত কৰে কাৰচাং ফুটবল ক্লাবক। উল্লেখ্য যে নুৰুল আমিন ষ্টেডিয়ামত হোৱা 73 সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবলৰ কাইলৈ হ'বলগা কোৱাৰ্টাৰ ফাইনেলত অইল ইণ্ডিয়া মুখামুখি হ'ব আপাৰ আসাম ফুটবল ক্লাবৰ। **আজি ফাইনেল ঃ** বৰভেটি খেলপথাৰত কাইলৈ হ'বলগা ৰামপদ নাথ আৰু মৰহুম ৰছিদ খান ফুটবল প্ৰতিযোগিতাৰ ফাইনেল মেচখনত বৰভেটি যুৱ সংঘই খেলিব জলময় গাঁও ক্ৰীড়া একাদশৰ বিৰুদ্ধে।

### ছিনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতা

# আজি কোৱাৰ্টাৰ ফাইনেলত অসমৰ সন্মুখত শক্তিশালী মণিপুৰ

**গুৱাহাটী, ৪ ডিচেম্বৰ ঃ** অসমৰ মহিলা ফুটবল দলে চলিত ছিনিয়ৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ কাইলৈ হ'বলগা কোৱাৰ্টাৰ ফাইনেলত খেলিব মনিপুৰৰ বিৰুদ্ধে। উল্লেখ্য যে অসমৰ মহিলা ফুটবল দলে গ্ৰুপৰ তিনিওখন মেচতে জয়ী হৈছে। অসমে অন্তিমখন গ্ৰুপ মেচ খেলে হিমাচল প্ৰদেশৰ বিৰুদ্ধে। মেচখনত 2–1 গ'লৰ ব্যৱধানত জয়লাভ অৰ্জন কৰে অসমৰ ছোৱালী ফুটবল দলে। অসমৰ হৈ গ'ল দিয়ে ছ'নিয়া মাৰাক আৰু মিনা বসুমতাৰীয়ে। উল্লেখ্য যে এয়া ছ'নিয়াৰ তিনিখন মেচত সপ্তমটো গ'ল। আনহাতে, অসমৰ তিনিখন মেচত 17 নম্বৰ গ'ল। ইফালে, অসমৰ লগতে মনিপুৰেও চমক সৃষ্টি কৰি গ্ৰুপৰ তিনিখন মেচত 21 টা গ'ল কৰিছে। উল্লেখ্য যে প্ৰথম দুখন মেচত জয়ী হৈ অসমৰ ছোৱালী ফুটবল দলে চলিত ছিনিয়ৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ নকআউট ৰাউণ্ডলৈ অগ্ৰসৰ হৈছিল। গ্ৰুপৰ দ্বিতীয়খন মেচত অসমৰ ছোৱালী ফুটবল দল মুখামুখি হয় বিহাৰৰ। প্ৰথম মেচৰ দৰেই অসমে বিধ্বস্ত কৰে বিপক্ষক। বিহাৰৰ বিৰুদ্ধে 8–1 গ'লৰ ব্যৱধানত জয়লাভ অৰ্জন কৰে অসমৰ ছোৱালী ফুটবল দলে। উল্লেখ্য যে প্ৰথম মেচত হেট্ৰিক অৰ্জন কৰা ছ'নিয়া মাৰাকে দ্বিতীয় মেচতো তিনিটা গ'ল দি হেট্ৰিক অৰ্জন কৰিবলৈ সক্ষম হয়। অসমৰ ছোৱালী ফুটবল দলে চমক সৃষ্টিৰে ছিনিয়ৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অভিযান আৰম্ভ কৰিছিল। কেৰেলাত চলি থকা ছিনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ প্ৰথম মেচত অসমৰ ছোৱালী ফুটবল দলে ৰাজস্থানৰ বিৰুদ্ধে 7–0 গ'লত জয়লাভ অৰ্জন কৰে। উক্ত মেচতো অসমৰ হৈ হেট্ৰিক অৰ্জন কৰি তিনিটা গ'ল দিয়ে ছ'নিয়া মাৰাকে। কিন্তু কাইলৈক মেচ নকআউট তথা মনিপুৰ শক্তিশালী দল। সেয়ে প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব অসম।



হাজোত অনুষ্ঠিত প্ৰীতি মহিলা ফুটবল মেচত অংশ লোৱা গুৱাহাটী চিটী এফ চিৰ দলটো।

## আৰ জি বৰুৱা ৰাজ্যিক ক্ৰিকেট

# ৰঙিয়া-লক্ষীপুৰ জিলা দলৰ জয়লাভ

**গুৱাহাটী, ৪ ডিচেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ আজি আমিনগাঁও ক্ৰিকেট খেলপথাৰত হোৱা মেচত কলিয়াবৰ দলক পাঁচ উইকেটত পৰাস্ত কৰে ৰঙিয়া দলে। পোনতে বেটিং কৰি কলিয়াবৰ দলে 140–6 ৰাণ কৰাৰ প্ৰত্যুত্তৰত, ৰঙিয়াই পাঁচ উইকেটত 141 ৰাণ কৰি জয় অৰ্জন কৰে। ইফালে, বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত হোৱা এখন মেচত লক্ষীপুৰ দলে 185 ৰাণত পৰাস্ত কৰে নাহৰকটীয়াক। পোনতে বেটিং কৰি লক্ষীপুৰ দলে 243–9 ৰাণ কৰে। প্ৰত্যুত্তৰত, নাহৰকটীয়াই 58 ৰাণত অলআউট হৈ ইনিংছ সামৰে। উল্লেখ্য যে এই প্ৰতিযোগিতাৰ পাছতে অসম ক্ৰিকেট সন্থাই বিজয় মাৰ্চেণ্ট ট্ৰফীৰ বাবে অসম দলটো নিৰ্বাচন কৰিব। প্ৰতিযোগিতাখনৰ সূচী অনুসৰি এলিট আৰু প্লেট দুটা ভাগত 41 টা দলক ভাগ কৰা হৈছে।



# বৰ্দৌচা কাপ ফুটবল আৰম্ভ



**অগ্ৰদূত বাৰ্তা**
**ফিল'বাৰী, মৰিয়নি, তিনিচুকীয়া, ৩ ডিচেম্বৰ ঃ** আজিৰে পৰা আৰম্ভ হোৱা বৰ্দৌচা কাপ ফুটবল প্ৰতিযোগিতাৰ বালিজান খেলপথাৰত হোৱা মেচত আপাৰ আসাম এফ চি দলে 2–0 গ'লত পৰাস্ত কৰে নৱজ্যোতি এফ চিক। মেচৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে আপাৰ আসাম এফ চি দলৰ মহেশ পুৰাণে। উল্লেখ্য যে এইবাৰবৰ্দৌচা কাপ ফুটবল প্ৰতিযোগিতা অসমৰ মুঠ 16 টা স্থানত অনুষ্ঠিত হ'ব। **মুকালমুৱাতো আৰম্ভ বৰ্দৌচা কাপ ফুটবল প্ৰতিযোগিতা ঃ** আজিৰে পৰা আৰম্ভ হোৱা বৰ্দৌচা কাপ ফুটবল প্ৰতিযোগিতাৰ খেল নলবাৰীৰ মুকালমুৱাতো আৰম্ভ হৈছে। আজি দেশভক্ত ময়দানত হোৱা বাৰেকুৰি এফ চি আৰু দৈমালু এফ চিৰ মাজৰ মেচখন 2–2 গ'লত ড্ৰ হয়। উল্লেখ্য যে বৰ্দৌচা কাপ ফুটবল প্ৰতিযোগিতাৰ মুঠ পাঁচখন খেল অনুষ্ঠিত হ'ব নলবাৰীৰ মুকালমুৱাৰ দেশভক্ত ময়দানত। **আজিৰে পৰা মৰিয়নিত বৰ্দৌচা কাপ ফুটবল প্ৰতিযোগিতা ঃ** আজিৰে পৰা আৰম্ভ হৈছে বৰ্দৌচা কাপ ফুটবল প্ৰতিযোগিতা। উল্লেখ্য যে এইবাৰ বৰ্দৌচা কাপ ফুটবল প্ৰতিযোগিতা অসমৰ মুঠ 16 টা স্থানত অনুষ্ঠিত হ'ব। কাইলৈৰ পৰা মৰিয়নিত আৰম্ভ হ'ব প্ৰতিযোগিতাৰ খেল।



# ১৬ অনূৰ্ধ্ব ক্ৰিকেটত মাৰ্ঘেৰিটা-এচিএ সভাপতি একাদশৰ জয়

**গুৱাহাটী, ৪ ডিচেম্বৰ ঃ** চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ আজি বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত হোৱা মেচত মাৰ্ঘেৰিটা দলে পাঁচ উইকেটত পৰাস্ত কৰে চৰাইদেউক। পোনতে বেটিং কৰি চৰাইদেউ দলে 127–10 ৰাণ কৰাৰ প্ৰত্যুত্তৰত, মাৰ্ঘেৰিটা দল 130–5 ৰাণ কৰি জয় অৰ্জন কৰে। ইফালে, নেহৰু ষ্টেডিয়ামত হোৱা মেচত এ চি এ সভাপতি একাদশ দলে ছয় উইকেটত পৰাস্ত কৰে ধুবুৰি দলক। পোনতে বেটিং কৰি ধুবুৰি দলে 106–10 ৰাণ কৰে। প্ৰত্যুত্তৰত, এ চি এ সভাপতি একাদশে চাৰি উইকেটত 107 ৰাণ কৰি বিজয়লক্ষ্যত উপনীত হয়। উল্লেখ্য যে অসম ক্ৰিকেট সন্থাৰ উদ্যোগত গুৱাহাটীত আৰম্ভ হৈছে 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতা। প্ৰতিযোগিতাত এইবাৰ মুঠ 41 টা দলে অংশ লৈছে আৰু প্ৰতিযোগিতাখন সামৰণি পৰিব অহা 21 ডিচেম্বৰত।



দেওবৰীয়া দৈনিক
অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023



মৃতদেহ গণি গণি ক্লান্ত হৈ পৰিছো, কৰনাই সকলোৰে মাৰিব



# অ'মিক্ৰনৰ আতংকত পত্নী-সন্তানক হত্যা কৰিলে চিকিৎসকে

**নিউজ ব্যুৰ'**

**কানপুৰ, ৪ ডিচেম্বৰ ঃ** কৰ'নাত আক্ৰান্তৰ মৃতদেহ গণি গণি ক্লান্ত হৈ পৰিছিল। এনে অৱস্থাতে আহি ভুমুকি মাৰিছেহি কৰ'না ভাইৰাছৰ নতুন ৰূপ অ'মিক্ৰনে। ইয়াতেই ইমান আতংকিত হৈ পৰিল যে সংক্ৰমণৰ পৰা পত্নী আৰু দুই সন্তানক 'ৰক্ষা কৰা'ৰ বাবে তেওঁলোকক হত্যাই কৰিলে কানপুৰৰ এজন চিকিৎসকে। এই ঘটনাৰ পাছত পলায়ন কৰিলেও ৬১ বছৰীয়া চিকিৎসকজনে অৱশ্যে হত্যাকাণ্ডৰ কথা স্বীকাৰ কৰিছে। হত্যাকাণ্ডৰ সময়তে চিকিৎসকজনে তেওঁৰ যমজ ভ্ৰাতৃলৈ প্ৰেৰণ কৰা এক হোৱাট্‌ছএপ বাৰ্তাত লিখিছিল, 'মৃতদেহ গণি গণি মই ক্লান্ত হৈ পৰিছো। অ'মিক্ৰনৰ সংক্ৰমণৰ পৰা কোনোৱেই নিস্তাৰ নাপাব। এনে পৰিস্থিতিৰ যাব চিকাৰ হ'বলগীয়া নহয়, তাৰ বাবে তেওঁলোকক মুক্তি দিলো।'

কানপুৰৰ এখন বেচৰকাৰী হাস্পতালৰ চিকিৎসক সুশীল কুমাৰৰ এই কাণ্ডই সম্প্ৰতি সকলোকে স্তম্ভিত কৰি তুলিছে। আৰক্ষী সূত্ৰই জনোৱা মতে, হত্যাকাণ্ড সংঘটিত কৰাৰ পাছতে তেওঁ ভ্ৰাতৃলৈ হোৱাট্‌ছএপ বাৰ্তা প্ৰেৰণ কৰিছিল। সেই বাৰ্তা লাভৰ লগে লগে ভ্ৰাতৃয়ে চিকিৎসক কুমাৰৰ গৃহলৈ দৌৰি যায় আৰু বৌৱেকৰ লগতে দুই ভতিজা-ভতিজীৰ মৃতদেহ প্ৰত্যক্ষ কৰে। তাৰ পাছতে তেওঁ আৰক্ষীক খবৰ দিয়ে। কানপুৰৰ আৰক্ষী আয়ুক্ত অসীম অৰুণে ঘটনাৰ সন্দৰ্ভত কয়, 'হত্যা কৰাৰ পূৰ্বে চিকিৎসকজনে পত্নী, পুত্ৰ আৰু কন্যাক মাদক সেৱন কৰাইছিল। মাদকৰ প্ৰকোপত তেওঁলোক অচেতনপ্ৰায় হৈ পৰাত চিকিৎসকজনে প্ৰথমে পত্নীক শ্বাসৰুদ্ধ কৰি হত্যা কৰে। তাৰ পাছতে ১৮ বছৰীয়া পুত্ৰ আৰু ১৫ বছৰীয়া কন্যাৰ মূৰত হাতুৰীৰে কোবাই দুয়োকে হত্যা কৰে।' আনহাতে, ভ্ৰাতৃয়ে আৰক্ষীক জনায় যে চিকিৎসকজনে মানসিক অৱসাদত ভুগিছিল। তদন্তকাৰী আৰক্ষীয়ে ডাঃ কুমাৰৰ বাসগৃহৰ পৰা তেওঁৰ এখন ডায়েৰীও উদ্ধাৰ কৰিছে। উক্ত ডায়েৰীতো অ'মিক্ৰনৰ আতংকৰ লগতে হত্যাকাণ্ডৰ কথাও লিখা আছে।ডায়েৰীত ডাঃ কুমাৰে নিজে এক জটিল ৰোগত আক্ৰান্ত আৰু কৰ্মজীৱনতো অসুখী বুলি উল্লেখ কৰাৰ লগতে লিখিছে, 'এতিয়াৰ পৰা আৰু মৃতদেহ গণিব নালাগিব। কৰ'নাই সকলোকে মাৰিব।' চিকিৎসকজনে ডায়েৰীত লগতে লিখিছে, 'মই নিজৰ ভুলৰ বাবে কেৰিয়াৰৰ এনে এক ঠাইত আবদ্ধ হৈ পৰিছো, য'ৰ পৰা আৰু মোৰ মুক্তি নাই।' ইপিনে, অ'মিক্ৰনৰ আতংকৰ বিষয়টোৰ সমানে হত্যাকাণ্ডক কেন্দ্ৰ কৰি ৰহস্যও সৃষ্টি হৈছে। কিয়নো হত্যাৰ কথা স্বীকাৰ কৰিলেও ডাঃ কুমাৰ এই পৰ্যন্ত পলাতক হৈ আছে।

উল্লেখ্য যে ক'ভিডৰ প্ৰথম আৰু দ্বিতীয় লহৰৰ সময়ত বিষাদগ্ৰস্ত হৈ একাধিক আত্মহত্যা আৰু পাৰিবাৰিক হত্যাকাণ্ডৰ ঘটনা সংঘটিত হৈছে। ইফালে, নতুনকৈ কৰ'নাৰ আতংকত ভুগিছে সমগ্ৰ বিশ্বই। সম্প্ৰতি বিশ্বৰ ৩৮খন দেশলৈ বিয়পিছে কৰ'নাৰ নতুন ৰূপ অ'মিক্ৰন। আনকি ভাৰততো এই পৰ্যন্ত তিনিজন অ'মিক্ৰন আক্ৰান্তৰ সন্ধান পোৱা গৈছে।







অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com